
# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakhinath Bezbarah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1925 (1847 Sak) | Edition: |
| Size: 22½ cms - 722 pages | Genre: Magazine |
| Volumes: 15 (1, 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 15th) | Condition of the original: Brittle. |
| Remarks: Illustrated | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |




পঞ্চদশ বছৰ

৮ম সংখ্যা

১৮৪৭ শক

আঘোণ

"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।"

# কেনোপনিষদ

প্ৰত্যেক বেদৰে বেলেগ বেলেগ শাখা আছিল আৰু প্ৰত্যেক শাখাৰ স্বতন্ত্ৰ ব্ৰাহ্মণ আছিল, আৰু প্ৰত্যেক ব্ৰাহ্মণৰ সংসৃষ্ট স্বতন্ত্ৰ আৰণ্যক আছিল। উপনিষদ্ আৰণ্যকৰেই চৰম অংশ। এই উপনিষদৰ সংখ্যা নিশ্চিতৰূপে নিৰ্ণয় কৰা সম্ভৱপৰ নহয়। মুক্তিকোপনিষদত ১০৮ খন উপনিষদৰ উল্লেখ কৰিছে। কিন্তু সেই উপনিষদ্-বিলাক কোন বেদৰ কোন শাখাৰ অন্তৰ্গত তাৰ একো পৰিচয় দিয়া নাই, আৰু এই শ্ৰেণীবিভাগ কোনো প্ৰামাণিক গ্ৰন্থতো স্বীকৃত হোৱা নাই। গতিকে মুক্তিকোপনিষদৰ সংখ্যা সম্পূৰ্ণ ঠিক বুলি ধৰিব নোৱাৰি।

সামবেদৰ বহু শাখাৰ ভিতৰত এতিয়া দুখনি মাত্ৰ উপনিষদ প্ৰচলিত আছে। সেই দুখনিৰ এখন তাণ্ড্য শাখাৰ ছান্দোগ্য উপনিষদ, আনখনি তলবকাৰ শাখাৰ কেন-উপনিষদ। এই কেনোপনিষদখনি চাৰি খণ্ডত বিভক্ত সংক্ষিপ্ত গ্ৰন্থ। প্ৰথম দুই খণ্ড পদ্য, আৰু শেষ দুই খণ্ড গদ্য। প্ৰথম দুই খণ্ডত পৰব্ৰহ্ম সম্বন্ধে কেইটিমান আৰ্য্যসত্যৰ উপদেশ আছে আৰু শেষ দুই খণ্ডত দেৱতৰ বৰ্ণোৱা আছে। প্ৰথম খণ্ডৰ শ্লোকৰ সংখ্যা ১৩টি মাত্ৰ। দ্বিতীয় দুই খণ্ডৰ পাঠ ২১টি। সৰ্ব্বমুঠ উপনিষদ্খনিৰ শ্লোক আৰু পাঠ ৩৪।

ইয়াৰ প্ৰথম শ্লোকটিতে 'কেন' বুলি আৰম্ভ কৰিছে। 'কেন' অৰ্থ—কাৰদ্বাৰা।

> কেনেষিতং পততি প্ৰেষিতং মনঃ
> কেন প্ৰাণঃ প্ৰথমঃ প্ৰৈতি যুক্তঃ।
> কেনেষিতং বাচমিমাং বদন্তি
> চক্ষুঃ শ্ৰোত্ৰং ক উ দেৱো যুনক্তি ॥১।

'মন কাৰদ্বাৰা চালিত হৈ নিজ বিষয়ৰ প্ৰতি গমন কৰে? প্ৰাণ কাৰ দ্বাৰা নিযুক্ত হৈ নিজ বিষয়ৰ প্ৰতি ধাবিত হয়? (লোকে) কাৰ চালনাত এইবোৰ বাক্য উচ্চাৰণ কৰে? আৰু কোন দেৱতাই বা চকু-কাণক নিজ নিজ বিষয়ত নিযুক্ত কৰে?'

ভাগৱতৰ ৩য় স্কন্ধ, ২৬ অধ্যায়ৰ পৰা দেখা যায়,

মন শৰীৰৰ ইন্দ্ৰিয়বিলাকৰ অধীশ্বৰ ; মনৰ আন এটা নাম অনিৰুদ্ধ অৰ্থাৎ যাৰ কোনো ঠাইলৈ যোৱাত বাধা নাই—অবিৰোধ গতি। সেই মনেও কাৰ প্ৰেৰণাত নিজ কৰ্ত্তব্য সাধন কৰে ?

শৰীৰৰ ভিতৰত প্ৰাণেই প্ৰধান। প্ৰাণ নহলে জীৱ জড়। সেই প্ৰাণো কাৰ শক্তিত নিয়ন্ত্ৰিত হৈ কৰ্ত্তব্য সাধিছে ?

বাক্য শব্দ-ব্ৰহ্মৰ বিভাষ। সেই বাক্য কাৰ শক্তিত উচ্চাৰিত হয় ? সেইজন কোন দেৱতা যাৰ ক্ৰুপাত চকু-কাণে দৰ্শন আৰু শ্ৰৱণশক্তি লাভ কৰিছে ?

এই প্ৰশ্ন শিষ্যই গুৰুক সোধাৰ পৰিচয় পোৱা যায়। এই প্ৰশ্নৰ উত্তৰ ২য় শ্লোকত এনেদৰে দিছে :—

যিজন শ্ৰোত্ৰৰ শ্ৰোত্ৰ, মনৰ মন, বাক্যৰ বাক্য, অৰ্থাৎ শ্ৰৱণ, মনন, বাক্‌শক্তিৰ কাৰণ, তেৱেঁই মন আদিৰ প্ৰবৰ্ত্তক। তেৱেঁই প্ৰাণৰ প্ৰাণ, চকুৰ চকু। এই জ্ঞানেৰে জ্ঞানীবিলাকে শ্ৰোত্ৰাদিৰ আত্মত্ব ধাৰণা নকৰি অৰ্থাৎ সিহঁতৰ নিজৰ কোনো শক্তি নাই বুলি বিবেচনা কৰি, ইহলোকৰ পৰা আঁতৰি অমৰ হয়।'

এই শ্লোকে সুন্দৰৰূপে বুজাইছে—আমি যি শুনো, কওঁ, মনন আৰু দৰ্শন কৰো, সকলোবিলাক এজন অদৃশ্য দেৱতাৰ শক্তিত হে, ইন্দ্ৰিয়াদিৰ কোনো স্বতন্ত্ৰ শক্তি নাই। যিসকল জ্ঞানীয়ে এই তত্ত্ব উপলব্ধি কৰিব পাৰে, তেওঁলোকেই জ্ঞানী, তেওঁলোকেই সমস্ত অবিদ্যা পাৰ হৈ মোক্ষলাভ কৰে ; কাৰণ ব্ৰহ্মপ্ৰাপ্তিয়েই অমৰত্ব।

সেই দেৱতা বা ব্ৰহ্ম অজ্ঞেয়, গ্ৰহণ বা মননৰ অবিষয়— জ্ঞানাতীত অৰ্থাৎ অবাঙ্‌মনসগোচৰ। এই কথাকে আচাৰ্য্যই ৩য় শ্লোকত শিষ্যক বুজাইছে :—

ন তত্ৰ চক্ষুৰ্গচ্ছতি ন বাগ্‌গচ্ছতি নো মনো
ন বিদ্মো ন বিজানীমো যথৈতদনুশিষ্যাৎ।
অন্যদেৱ তদ্বিদিতাদথো অবিদিতাদধি
ইতি শুশ্ৰুম পূৰ্ব্বেষাং যে নস্তদ্‌ ব্যাচচক্ষিৰে ॥ ৩।

'তেওঁৰ (ব্ৰহ্মৰ) ওচৰলৈ চকু নেযায়, বাক্য নেযায়, মনো যাব নোৱাৰে। আমিও তেওঁক নেজানো, কিৰূপে তেওঁৰ বিষয় উপদেশ দিব লাগে তাকো নেজানো। তেওঁ জ্ঞাত আৰু অজ্ঞাত যিমানবোৰ বস্তু আছে, সকলোৰে পৰা ভিন্ন আৰু শ্ৰেষ্ঠ। যিসকল পূৰ্ব্ব পূৰ্ব্ব (আচাৰ্য্যই) আমাৰ ওচৰত ব্ৰহ্মতত্ত্ব ব্যাখ্যা কৰিছিল, তেওঁলোকৰ ওচৰত আমি এইদৰে শুনিছো।'

ব্ৰহ্ম যে চকু, মন, বাক্য একোৰে প্ৰাপ্য নহয়, এই ভাব লক্ষ্যকৰি আন শ্ৰুতিয়েও প্ৰতিধ্বনি কৰিছে :—

নৈব বাচা ন মনসা প্ৰাপ্তুং শক্যো ন চক্ষুষা।—কঠ ৩।১২
যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ। তৈত্তি -২।৪।১

'(তেওঁ) বাক্য, মন, চকু একোৰে প্ৰাপ্য নহয়। তেওঁ অনিৰ্দ্দেশ্য—বাক্য আৰু মন যাৰ ওচৰলৈ যাব নোৱাৰি উলটি আহে।'

উপনিষদে দেখাইছে— ব্ৰহ্ম চকু-কাণৰতো গ্ৰাহ্য নহয়েই, মনৰ দ্বাৰায়ো তেওঁৰ কেতিয়াও উপলব্ধি হব নোৱাৰে, অৰ্থাৎ তেওঁ সুখ দুখ প্ৰভৃতি চিত্তবৃত্তিৰ অতীত।

ব্ৰহ্ম অৰূপ, তেওঁৰ ৰূপ ইন্দ্ৰিয়গ্ৰাহ্য কেনেকৈ হব ?

নসংদৃশে তিষ্ঠতি ৰূপমস্য ন চক্ষুষা পশ্যতি কশ্চিদেনং।
—কঠ ৩।৯

'তেওঁৰ ৰূপ দৃষ্টিগোচৰ নহয়, চকুৰেও কোনেও তেওঁক দেখা নেপায়।'

ব্ৰহ্ম নিৰুপাধিক, নিৰপেক্ষ (absolute) বস্তু ; দেশ, কাল আৰু নিমিত্ত—এইবোৰৰ পৰা সম্বন্ধৰ্জ্জিত। তেওঁ কিৰূপে মন আদি ইন্দ্ৰিয়জ্ঞানৰ বিষয় হব ? মন বুদ্ধি সসীম, সান্ত। যি সীমান্বিত, অন্তশালী, সেয়েহে মন বুদ্ধিৰ বিষয় হব পাৰে ; কিন্তু যি অসীম অনন্ত, তাক কি মন বুদ্ধিয়ে ঢুকি পাব পাৰে ? সেইকে ব্ৰহ্ম অজ্ঞেয়। আৰু এটা কথা,—যিজনে যাক প্ৰকাশ কৰে, সি তেওঁক কেতিয়াও প্ৰকাশ কৰিব নোৱাৰে। সূৰ্য্যৰ পোহৰত জগত-খন পোহৰ হয়। সূৰ্য্যক জগতে পোহৰ কৰিব নোৱাৰে। ব্ৰহ্মৰ দীপ্তি বা পোহৰতে ইন্দ্ৰিয়াদি অৰ্থাৎ মন বুদ্ধি দীপ্তি-মান, তেওঁৰ প্ৰভাতে সকলো প্ৰভাম্বিত। তেওঁক সিহঁতে কেনেকৈ প্ৰকাশ কৰিব ?—

তমেৱ ভান্তম্‌ অনুভাতি সৰ্ব্বং তস্য ভাসা সৰ্ব্বমিদং বিভাতি।
—কঠ ৫।১৫

'তেওঁৰ দীপ্তিতে সকলো দীপ্তিমান। তেওঁৰ প্ৰভাতে সকলো প্ৰভাম্বিত।'



ব্ৰহ্ম সম্বন্ধে এইমাত্ৰ কব পাৰি, তেওঁ আছে। ইয়াতকৈ বেছি আৰু একো কোৱা নেযায়।

অস্তীতি ব্ৰুৱতোঽন্যত্ৰ কথং তদুপলভ্যতে।—কঠ ৬।১২

'অস্তি', আছে—এইমাত্ৰ কোৱা যায়, তাৰ বেছি একো উপলব্ধি নহয়।

এই অজ্ঞেয় ব্ৰহ্ম অদৃশ্য হৈও দ্ৰষ্টা, অশ্ৰুত হৈও শ্ৰোতা, অমত হৈও মন্তা, অবিজ্ঞাত হৈও বিজ্ঞাতা। তেওঁত বাজে আন দ্ৰষ্টা নাই, শ্ৰোতা নাই, মন্তা নাই, আন বিজ্ঞাতা নাই। বৃহ—৩।৭।২৩

এই বিষয়কে বিশাদকৰি কেনোপনিষদৰ ৪ৰ্থৰ পৰা ৮ম শ্লোকৰ ভিতৰত কৈছে :—

যদ্বাচা নভ্যুদিতং যেন বাগভ্যুদ্যতে।
তদেৱ ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥
যন্মনসা ন মনুতে যেনাহুৰ্ম্মনো মতম্‌।
তদেৱ ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥
যচ্চক্ষুষা ন পশ্যতি যেন চক্ষুংষি পশ্যতি।
তদেৱ ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥
যচ্ছ্ৰোত্ৰেন ন শৃনোতি যেন শ্ৰোত্ৰমিদং শ্ৰুতম্‌।
তদেৱ ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥
যৎ প্ৰাণেন ন প্ৰাণিতি যেন প্ৰাণঃ প্ৰণীয়তে।
তদেৱ ব্ৰহ্মতং বিদ্ধি নেদং যদিদমুপাসতে ॥

'যি বাক্যদ্বাৰা প্ৰকাশিত নহয়, বাক্য যাৰদ্বাৰা প্ৰকা-শিত, অৰ্থাৎ উচ্চাৰিত হয়, তাকেই তুমি ব্ৰহ্ম বুলি জানিবা। এই যে (পৰিমিত) বস্তুৰ উপাসনা কৰা যায়, সি ব্ৰহ্ম নহয়।

যাক মনেৰে মনন কৰিব নোৱাৰি, যি মনক মনন কৰে, অৰ্থাৎ জানে বুলি ব্ৰহ্মবিদ্‌সকলে কয়, তাকে তুমি ব্ৰহ্ম বুলি জানিবা। এই যে পৰিমিত বস্তুৰ উপা-সনা কৰা যায়, সেয়ে ব্ৰহ্ম নহয়।

যাক চকুৰে দেখা নাযায়, যি চকুক দৰ্শন কৰে অৰ্থাৎ যাৰ শক্তিত লোকে চকুৰ গোচৰ হোৱা বস্তুবিলাক দেখে, তাকে বুলি ব্ৰহ্ম বুলি জানিবা। এই যে পৰি-মিত বস্তুৰ উপাসনা কৰা যায়, সি ব্ৰহ্ম নহয়।

যাক কাণৰে শুনা নেযায়, যি কৰ্ণক শ্ৰৱণকৰে, তাকে তুমি ব্ৰহ্ম বুলি জানিবা। এই যে পৰিমিত বস্তুৰ উপাসনা কৰা যায়, সি ব্ৰহ্ম নহয়।

ঘ্ৰাণৰ দ্বাৰা য'ৰ আঘ্ৰাণ নহয়, যিজনে প্ৰাণক আঘ্ৰাণ কৰে, অৰ্থাৎ যাৰ শক্তিত ঘ্ৰাণেন্দ্ৰিয় নিজ বিষয়ৰ প্ৰতি গমন কৰে, তাকে তুমি ব্ৰহ্ম বুলি জানিবা। এই যে পৰিমিত বস্তুৰ উপাসনা কৰা যায়, সি ব্ৰহ্ম নহয়।'

ওপৰৰ শ্লোক কেইটিত নিৰ্গুণ, নিৰ্ব্বিশেষ ব্ৰহ্মৰ আভাস দিলে, কিন্তু তেওঁ সাধকৰ কিমানদূৰ অধিগম্য তাৰ বিষয়ে আচাৰ্য্যই শিষ্যক ৯ম শ্লোকত কৈছে :—

'যদি তুমি কোৱা, তুমি ব্ৰহ্মক উত্তমৰূপে জানিছা, তেনে-হলে তুমি ব্ৰহ্মৰ স্বৰূপ নিশ্চয় অল্পমানহে জানিছা, অৰ্থাৎ জনাই নাই। দেৱতাসকলৰ ভিতৰতো তেওঁৰ স্বৰূপ যিমানখিনি জনা আছে, সিও নিচেই কম, এতেকে ব্ৰহ্ম তোমাৰ গমিচাবলগীয়া।' এই কথা শুনি শিষ্যই বিচাৰ আৰু অনুভৱ কৰাৰ পাছে আচাৰ্য্যৰ কাষলৈ আহি কলে, 'মোৰ বোধ হয়, এতিয়া মই ব্ৰহ্মক জানিছো।'

ইয়াত 'বোধ হয়' কথাষাৰৰ পৰা শিষ্যই যে সম্পূৰ্ণৰূপে ব্ৰহ্মক জনা নাই, এইটো বুজাইছে। তাকে উত্তৰস্বৰূপে ১০ম শ্লোকত কৈছে :—

'মই মনত ভবা নাই যে, মই ব্ৰহ্মক ভালদৰে জানিছো। মই যে তেওঁক নেজানো, এনেও বুলিব নোৱাৰো ; জানো যে এনেও নহয়। মই জনা, নজনা বোলা কথাষাৰৰ অৰ্থ এই যে, আমাৰ (শিষ্যবিলাকৰ) ভিতৰত যি জানিছে, সেয়ে তেওঁক জানিছে।'

এই কথাত গুৰুৱে ১১শ শ্লোকত কৈছে :—

যস্যামতং তস্য মতং মতং যস্য নবেদ সঃ।
অবিজ্ঞাত বিজানতাং বিজ্ঞাত মবিজানতাম্ ॥

যিজনে মনত ভাবে যে, মই ব্ৰহ্মক জানিব পৰা নাই, তেৱেঁ ব্ৰহ্মক জানিছে, আৰু যি মনত ভাবে, মই ব্ৰহ্মক জানিছো, তেৱেঁ নেজানে। জনাৰ ওচৰত ব্ৰহ্ম অবিজ্ঞাত, কিন্তু নজনাৰ ওচৰত ব্ৰহ্ম বিজ্ঞাত।'

শ্লোকটো প্ৰথমে দেখাত কিবা এটা বিৰুদ্ধ ভাবৰ প্ৰলাপবাক্য যেন লাগে, কিন্তু তাৰ ভিতৰত কি ৰহস্য লুকাই আছে, সহজে ধৰা টান। কোনোৱে শ্লোকটোৰ

সৰল অৰ্থ ধৰি ব্যাখ্যা কৰে যে, উত্তম জ্ঞানীয়ে কেতিয়াও ব্ৰহ্মক জনা বুলি নকয়। তেওঁলোকৰ বিশ্বাস যে মনুষ্যৰ সাধাৰণ জ্ঞানেৰে ব্ৰহ্মক যেতিয়া জানিব নোৱাৰি, তেতিয়া তেওঁক উত্তমৰূপে জানিব পৰা নেযায়, কিন্তু যি তত্ত্বৰ সম্পূৰ্ণ তত্ত্ব নেপায়, বিশেষ শাস্ত্ৰদৰ্শীও নহয়; তেনেবিলাকে ভাবে যে সিহঁতে ব্ৰহ্মক ভালৰকমে জানিব পাৰিছে।

কোনো-কোনোৱে কয়, এই শ্লোকটি নিৰ্ব্বিশেষ সমাধিত ব্ৰহ্মৰ সৈতে একাকাৰ অৱস্থা লক্ষ্য কৰি লিখিছে। যেতিয়ালৈকে জ্ঞাতা আৰু জ্ঞেয়-জ্ঞান ভেদ দৰ্শন থাকে, তেতিয়ালৈকে ব্ৰহ্ম অজ্ঞাত থাকে, কিন্তু ভেদ-বুদ্ধি-ৰহিত হৈ, জ্ঞাতা আৰু জ্ঞেয় জ্ঞান একাকাৰ বুলি বোধ হলেই ব্ৰহ্ম জ্ঞাত বুলি ধৰিব পাৰি। এই অৱস্থা কথাৰে প্ৰকাশ কৰিব নোৱাৰি। এই বোধ জ্ঞান নহয়, অনিৰ্ব্বচনীয় কিবা এটা। *

ব্ৰহ্মক জানিবলৈ হলে কি ৰকম জ্ঞানৰ প্ৰয়োজন, তাক ১২শ শ্লোকত কৈছে :—

প্ৰতিবোধবিদিতং মতমমৃতত্বং হি বিন্দতে।
আত্মনা বিন্দতে বীৰ্য্যং বিদ্যয়া বিন্দতেঽমৃতম্ ॥

'ব্ৰহ্ম প্ৰতিবোধবিদিত অৰ্থাৎ ব্ৰহ্মক সৰ্ব্বপ্ৰত্যয়দৰ্শীৰূপে জানিলেই প্ৰকৃতৰূপে জনা হয়, আৰু এনেকুৱা জ্ঞানেৰে অমৃতত্ব লাভ হয় আৰু আত্মবিষয়ক বিদ্যা বা জ্ঞানত অমৰত্ব লাভ হয়।'

ইয়াত "সৰ্ব্বপ্ৰত্যয়দৰ্শী" মানে কি বুজায়? ব্ৰহ্মই একমাত্ৰ সত্য, আন সমস্তই অসত্য, মায়াৰ বিজৃম্ভণ মাত্ৰ, জগত ব্ৰহ্মৰ বিবৰ্ত্ত মাত্ৰ, সমস্ত জাগতিক পদাৰ্থ ব্ৰহ্মৰে প্ৰকাশ-ভেদ। এনে ব্ৰহ্মৰ বিজ্ঞান হলে আৰু একোৱে অজ্ঞাত নেথাকে, অৰ্থাৎ যি এনেদৰে সকলো বস্তুতে, সকলো ভূততে ব্ৰহ্মক বিৰাজিত দেখে, তেওঁকে ব্ৰহ্মক প্ৰকৃতৰূপে জনা বুলিব পাৰি, আৰু এনে জ্ঞান যি লাভ কৰিব সেয়ে অমৃতত্ব বা অমৰত্ব লাভ কৰিব পাৰে। সেই ব্ৰহ্মজ্ঞান জন্মিলেই আত্ম-অনাত্ম ভেদ নেথাকে— সমস্ত ভূততে আত্মস্বৰূপ জ্ঞান জন্মে। উপনিষদে কয়, সেই আত্মজ্ঞানেই অমৰত্ব, কাৰণ ব্ৰহ্ম আৰু আত্মাত কোনো ভেদ নাই। এনে আত্ম বিষয়ক বিদ্যা বা জ্ঞান অৰ্থাৎ ব্ৰহ্মবিদ্যা বা বিজ্ঞান, সাধকৰ মনত জাগি উঠিলে জীৱনত এটা অভাবনীয় অনিৰ্ব্বচনীয় শক্তি আবিৰ্ভূত হয় আৰু তেতিয়া সাধকে ব্ৰহ্মানন্দৰ অমিয় সুখ উপভোগ কৰিব পাৰে।

এই ব্ৰহ্মক জনাৰ ফলাফল কি হয় ত্ৰয়োদশ শ্লোকত সুন্দৰকৈ দেখাইছে।

'যদি মানুহে ইহলোকত ব্ৰহ্মক জানিব পাৰে, তেনেহলেহে জন্ম সাৰ্থক হয়; জানিব নোৱাৰিলে মহান বিনাশ অৰ্থাৎ পুনঃ পুনঃ জন্ম জৰা মৃত্যু ভোগকৰিব লাগে। সেইদেখি জ্ঞানীবিলাকে সমুদায় বস্তুতে পৰব্ৰহ্মক উপলব্ধি কৰি ইহলোকৰ পৰা ওপৰত থাকি অমৰ হয়।'

সংসাৰত ব্ৰহ্মজ্ঞান লাভকৰাজনহে মোক্ষলাভৰ অধিকাৰী হব পাৰে। তেওঁক নেজানি কেৱল বিষয়াসক্ত হলে জীৱনৰ উদ্দেশ্য সিদ্ধি নহয়। তাৰ পৰা জীৱই পুনঃ পুনঃ নানা যোনি ভ্ৰমণ কৰি গৰ্ভযন্ত্ৰণা, জৰা, মৃত্যু ভোগ কৰিবলগীয়া হয় আৰু পুনৰাবৃত্তি এৰাব নোৱাৰে। ব্ৰহ্মজ্ঞানীয়ে আসক্তিশূন্য হৈ এই সংসাৰতে থাকি, বিশ্বব্ৰহ্মাণ্ডৰ প্ৰত্যেক বস্তুতে এক অখণ্ড সত্য বিৰাজিত দেখি ব্ৰহ্মভাৱত মজি ব্ৰহ্মময় হৈ বিমল আনন্দ উপভোগ কৰে। কাৰণ 'ব্ৰহ্মবিদ্ আপ্নোতি পৰং'—ব্ৰহ্মজ্ঞান হলে পৰম বস্তু লাভ হয়। এই ব্ৰহ্মজ্ঞান বা ব্ৰহ্মপ্ৰাপ্তিয়েই অমৰত্ব।

এই ব্ৰহ্মতত্ত্ব উপলব্ধি কৰিবৰ নিমিত্তে এই উপনিষদৰ ১৪ শ পৰা ২৮ শ সংখ্যাৰ পাঠৰ ভিতৰত এটি আখ্যানৰ অৱতাৰণা কৰিছে।—

'কোনো সময়ত ব্ৰহ্মই দেৱতাবিলাকক জিকাই দিলে অৰ্থাৎ দেৱাসুৰ যুদ্ধত অসুৰবিলাকক পৰাস্ত কৰি, দেৱতাবিলাকৰ জয় কৰি দিলে। ব্ৰহ্মই কৰোৱা এই বিজয়ত ব্ৰহ্মই এই কথা জানি, তেওঁলোকৰ ভ্ৰম দূৰ কৰিবৰ কাৰণে এক আচৰিত ৰূপ ধৰি তেওঁলোকৰ আগত ওলালহি।

তন্ন ব্যজানত কমিদং যক্ষমিতি।

* শ্ৰীযুত হীৰেন্দ্ৰনাথ দত্তৰ উপনিষদ-ব্ৰহ্মতত্ত্ব।



দেৱতাবিলাকে এই পূজনীয় পুৰুষজন কোন জানিব নোৱাৰিলে। তেতিয়া তেওঁলোকে প্ৰথমতে অগ্নিক জানি আনিবলৈ পঠালে। অগ্নি গৈ ওচৰ চপাত ব্ৰহ্মই সুধিলে, 'তুমি কোন?' অগ্নিয়ে উত্তৰ দিলে 'মই অগ্নি, মই জাতবেদা।' তেতিয়া ব্ৰহ্মই সুধিলে,—

'তস্মিং ত্বয়ি কিং বীৰ্য্যং।

সেই তোমাত অৰ্থাৎ এনে প্ৰসিদ্ধ গুণ আৰু নামযুক্ত তোমাত, কি বীৰ্য্য, কি শক্তি আছে?' তেতিয়া অগ্নিয়ে উত্তৰ দিলে—

'অপীদং সৰ্ব্বং দহেয়ং যদিদং পৃথিব্যামিতি।
মই পৃথিবীতথকা সকলো বস্তুকে দহিব পাৰো।

তেতিয়া ব্ৰহ্মই অগ্নিক তৃণ এডালি দেখাই কলে— 'বাৰু, এই তৃণডালি দগ্ধ কৰাচোন চাওঁ।'

অগ্নিয়ে বৰ উৎসাহেৰে সমস্ত শক্তি প্ৰয়োগ কৰিও তৃণগছি দগ্ধকৰিবলৈ যুজিলে, কিন্তু একোতে নোৱাৰিলে। তেওঁ দেৱতাসকলৰ কাষলৈ উলটি আহি কলেহি, 'এই পূজনীয় পুৰুষ কোন মই জানিব নোৱাৰিলো।'

তাৰ পাছে দেৱতাবিলাকে বায়ুক পাচিলে। বায়ুও ব্ৰহ্মৰ ওচৰলৈ যোৱাত ব্ৰহ্মই সুধিলে— 'তুমি কোন?' বায়ুয়ে কলে—

বায়ুৰ্বা অহমস্মি........ মাতৰিশ্বা বা অহমস্মি। ২১।

'মই বায়ু, মই মাতৰিশ্বা (আকাশত যাৰ নিশ্বাস প্ৰশ্বাস বা গমন)। তেতিয়া ব্ৰহ্মই তেওঁৰ কি শক্তি বা গুণ আছে বুলি সোধাত বায়ুয়ে কলেঃ—

অপীদং সৰ্ব্বমাদদীয়ং যদিদং পৃথিব্যামিতি।

'মই পৃথিবীত যত বস্তু আছে, সমস্তকে গ্ৰহণকৰিব পাৰো অৰ্থাৎ উৰুৱাই লৈ যাব পাৰো।' ব্ৰহ্মই তেতিয়া সেই তৃণগছি গ্ৰহণকৰিবলৈ বায়ুক কলে। বায়ুয়ে সমস্ত শক্তিৰে চেষ্টা কৰিও সেই তৃণডালিৰ নোমকে লৰাব নোৱাৰিলে। তেৱোঁ অগ্নিৰ দৰে দেৱতাবিলাকৰ ওচৰলৈ ঘূৰি আহিল আৰু কলেহি— 'সেই পূজনীয়জন কোন মই জানিব নোৱাৰিলো।'

তাৰ পাছত ইন্দ্ৰ গল। ইন্দ্ৰক যোৱা দেখি ব্ৰহ্মা অন্তৰ্দ্ধান হল। ইন্দ্ৰই তেতিয়া আকাশত এটি পৰমসুন্দৰ ৰমণীমূৰ্ত্তি দেখা পালে। তেৱেঁ ব্ৰহ্মবিদ্যা স্বৰূপিনী হৈমৱতী উমা। ইন্দ্ৰই সেই উমাক সুধিলে, 'এই পূজনীয় পুৰুষ কোন?' উমাই কলে—'তেওঁ আৰু কোন হব? যাৰ শক্তিত তোমালোক শক্তিমান, যাৰ বিজয়ত তোমালোক জয়ী হৈছিলা, সেই ব্ৰহ্ম।' তেতিয়াহে উমাৰ বাক্যত দেৱতাবিলাকৰ ভ্ৰম গুচিল।

জগতত য'তে শক্তি, মহিমা আৰু ঐশ্বৰ্য্যৰ প্ৰকাশ; ত'তে ব্ৰহ্মৰ প্ৰভাৱ বুলি বুজিব লাগে। নতুবা ব্ৰহ্ম দেৱতাসকলৰ আগত দেখাদিয়াৰ দৰে মনুষ্যক দেখা দিবলৈ নাহে। আহে যদিও কেতিয়াবা অংশকলা লৈ অৱতাৰ স্বৰূপেহে। ভগৱন্তই গীতাত অৰ্জুনক কৈছে:—

যদ্ যদ্ বিভূতিমৎ সত্ত্বং শ্ৰীমদ্ উৰ্জ্জিত মেব বা।
তং তদেৱাৱ গচ্ছ ত্বং মম তেজোঽংশ সম্ভৱম্ ॥ ১০। ৪১।

'যি যি বিভূতিযুক্ত (glorious), শ্ৰীযুক্ত অথবা ওজঃযুক্ত (mighty), সেই সকলোতে মোৰ তেজৰ প্ৰকাশ জানিবা।'

উপনিষদত কৈছে, 'এই অগ্নি, বায়ু, ইন্দ্ৰই প্ৰথমে ব্ৰহ্মক দৰ্শন পাইছিল, আৰু তেওঁলোকেই উমাৰ পৰা (অথবা ৰূপক আঁতৰালে, ব্ৰহ্মবিদ্যাৰ পৰা) প্ৰথমে ব্ৰহ্মক জানিব পাৰিছিল গুণে, এই দেৱতাকেইজন আন দেৱতাতকৈ শ্ৰেষ্ঠ (২৭ পাঠ)। আকৌ তাৰে ভিতৰত ইন্দ্ৰই সকলোৰে প্ৰথমে ব্ৰহ্মক (ব্ৰহ্মবিষয়ে) জানিব পৰাত সেই ইন্দ্ৰ আন কেইজন দেৱতাতকৈ শ্ৰেষ্ঠ হল। (২৮)। 'ব্ৰহ্মৰ এই প্ৰকাশ বিজুলী-প্ৰকাশৰ দৰে; দেৱতাবিলাকৰ ওচৰত ব্ৰহ্মৰ এই প্ৰকাশ চকুৰ নিমিষ মাত্ৰ।' (২৯ পাঠ)

ব্ৰহ্ম যে বিদ্যুতৰ সদৃশ তাৰ প্ৰমাণ বৃহদাৰণ্যকতো পোৱা যায়।

তস্য হৈতস্য পুৰুষস্য ৰূপম্ যথা সকৃদ্বিদ্যুতং। ২।৩।৬।

সেই পুৰুষৰ (ব্ৰহ্মৰ) ৰূপ কেনে? যেনে বিদ্যুতৰ খন্তেকীয়া প্ৰকাশ।

ওপৰৰ পাঠকেইটিত সগুণ, সবিশেষ ব্ৰহ্মক উপলক্ষ কৰি কোৱা বুলি উপলব্ধি কৰা হয়। সগুণ সবিশেষ আৰু নিৰ্গুণ নিৰ্ব্বিশেষ নাম মাত্ৰ প্ৰভেদ; দৰাচলতে কোনো ভেদ নাই।

অগ্নি, বায়ু, ইন্দ্ৰ শৰীৰৰ ইন্দ্ৰিয়ৰ অধিষ্ঠাতৃ দেৱতা বা শক্তি বুলি অনুমান হয়। জীৱৰ অন্তৰত ব্ৰহ্মজ্যোতিয়ে বিদ্যুতৰ বিকাশৰ দৰে ইন্দ্ৰিয়বিলাকক বিকশিত কৰে। ইন্দ্ৰিয়বিলাকৰ ভিতৰত মনেই শ্ৰেষ্ঠ, সেই মনকে ইন্দ্ৰ বোলাৰ আভাস ৩০শ পাঠত দেখা যায়।

এই পাঠক আচাৰ্য্যই শিষ্যক উপদেশ দিছে 'মন যেন ব্ৰহ্মৰ ওচৰলৈ যায় অৰ্থাৎ মন যেন অন্তৰ্মুখী হৈ আত্মাক, তথা ব্ৰহ্মক, জানে আৰু যেন বাৰে বাৰে তেওঁক স্মৰণকৰে, এয়ে (সাধকৰ) সঙ্কল্প।

৩১শ পাঠত কৈছে— 'সেই ব্ৰহ্ম সম্ভজনীয়ৰূপে সকলোৰে উপাসনীয় অৰ্থাৎ তেওঁ সম্যকৰূপে সকলোৰে ভজনীয়। যিজনে তেওঁক এইৰূপে জানে, সেইজনক সকলো প্ৰাণীয়ে বিশেষৰূপে পাবলৈ ইচ্ছাকৰে।' সি ব্ৰহ্মতত্ব বিশেষৰূপে জানি ব্ৰহ্মৰ উপাসনাকে পৰম পুৰুষাৰ্থ বুলি ধাৰণা কৰিছে তেওঁ সকলোৰে ওচৰত মান পাবৰ যোগ্য আৰু গুৰুস্থানীয়; এনে ভাব এই পাঠটিত ফুটি ওলাইছে।

৩২শ পাঠত আচাৰ্য্যই শিষ্যক কৈছে—'তুমি উপনিষদ্ কবলৈ কৈছিলা, মই তোমাক এই ব্ৰহ্মবিষয়িনী উপনিষদ্ কলো।'

উপনিষদেই ব্ৰহ্মবিদ্যা। 'সেয়ং ব্ৰহ্মবিদ্যা উপনিষৎ শব্দবাচ্যা।' (—শঙ্কৰাচাৰ্য্যৰ বৃহদাৰণ্যকভাষ্য ভূমিকা)। এই ব্ৰহ্মবিদ্যাক ঋষিসকলে সকলো বিদ্যাতকৈ শ্ৰেষ্ঠ আসন দিছিল। এই ব্ৰহ্মবিদ্যা প্ৰাচীন ভাৰতত গোপনীয় ৰহস্য বুলি খ্যাত আছিল। ইয়াক অধিকাৰীত বাজে যাকে-তাকে দিয়া নহৈছিল। এই বিদ্যা আগৰ দিনত গুৰুৰ মুখে মুখে শিষ্যই শিকিছিল। সেইকাৰণে ইয়াৰ নাম 'শ্ৰুতি'। এই গুৰুৰ মুখত শিকা বিদ্যাৰ বৰ আদৰ আছিল।

'আচাৰ্য্যাদ্ধৈব বিদ্যা বিদিতা সাধিষ্ঠম্ প্ৰাপয়তি।'
—ছান্দো—৪।৯।৩।

আচাৰ্য্যৰ ওচৰত যি বিদ্যা উপাৰ্জ্জন কৰা যায়, সেয়ে শ্ৰেষ্ঠতম।'

সেই শ্ৰেষ্ঠতম ব্ৰহ্মবিদ্যাৰ অঙ্গ কোনবিলাক আৰু উপনিষদ্ প্ৰতিপাদ্য ব্ৰহ্মবিদ্যাৰ প্ৰতিষ্ঠা বা পাদস্বৰূপ কি অৰ্থাৎ ব্ৰহ্মলাভৰ আনুসঙ্গিক উপায়বোৰ কি কি তাক ৩৩শ পাঠত উপদিষ্ট হৈছে:—

তস্যৈ তপো দমঃ কৰ্ম্মেতি প্ৰতিষ্ঠা বেদাঃ সৰ্ব্বাঙ্গানি সত্যং মায়াতনম্।

'তপস্যা (অৰ্থাৎ শৰীৰ, ইন্দ্ৰিয় আৰু মনৰ সমাধান); দম (অৰ্থাৎ চিত্তৰ স্থিৰতা); কৰ্ম্ম, বেদ আৰু সমুদায় অঙ্গ (অৰ্থাৎ শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ, আৰু জ্যোতিষ এই ছয় বেদাঙ্গ) ইয়াৰ অৰ্থাৎ ব্ৰহ্মবিদ্যাৰ প্ৰতিষ্ঠা বা পাদস্বৰূপ, অৰ্থাৎ ব্ৰহ্মলাভৰ উপায়। সত্যই ইয়াৰ আশ্ৰয়।

এই শ্লোকতো সবিশেষ ব্ৰহ্মই লক্ষ্য। ব্ৰহ্মসূত্ৰত লিখিছে— সংৰাধন কালত তেওঁক দেখা যায়; শ্ৰুতি, স্মৃতি ইয়াৰ প্ৰমাণ—

অপি সংৰাধনে প্ৰত্যক্ষানুমানাভ্যাম্। ৩।২।২৪

এই সংৰাধন অৰ্থে ভক্তি, ধ্যান, প্ৰণিধান ইত্যাদিৰ অনুষ্ঠান।

ব্ৰহ্ম সবিশেষভাৱেও মন বুদ্ধিৰ অধিগম্য নহয়, কেৱল মাত্ৰ তপস্যা অৰ্থাৎ সমাধিলভ্য। এই সমাধি দুবিধ; সবিকল্প আৰু নিৰ্ব্বিকল্প। সবিকল্প সমাধিত জ্ঞাতা, জ্ঞেয়; ধ্যাতা, ধ্যেয়; দ্ৰষ্টা, আৰু দৃশ্যৰ ভেদ থাকে। কিন্তু নিৰ্ব্বিকল্প সমাধিত সমস্ত ভেদবুদ্ধি তিৰোহিত হয়। অৰ্থাৎ দ্ৰষ্টা আৰু দৃশ্য, জ্ঞাতা আৰু জ্ঞেয়, ধ্যাতা আৰু ধ্যেয়, বিষয়ী আৰু বিষয় একাকাৰ হৈ বিলুপ্ত হৈ যায়। এই অৱস্থাকে লক্ষ্যকৰি ঈশ-উপনিষদত কৈছে:—

যস্মিন্ সৰ্ব্বানি ভূতানি আত্মৈবাভূদ্বিজানতঃ।
তত্ৰ কো মোহঃ কঃ শোক একত্বমনুপশ্যত॥-ঈশ-৭

যেতিয়া জ্ঞানীৰ দৃষ্টিত সমস্ত পদাৰ্থ আত্মা হৈ যায়, তেতিয়া সেই একত্বদৰ্শীৰ পক্ষে শোক মোহ একো নাথাকে।

যি এনে ব্ৰহ্মজ্ঞানী পুৰুষ, তেওঁ ব্ৰহ্মই হৈ যায়। ব্ৰহ্ম হলে ব্ৰহ্ম হনা যায়। ব্ৰহ্মজ্ঞানীয়ে পৰমপদ লাভকৰে।

ব্ৰহ্মবেদ ব্ৰহ্মৈব ভৱতি। ব্ৰহ্মসন্ ব্ৰহ্ম অবৈতি।
ব্ৰহ্মবিদাপ্নোতি পৰম।—তৈত্তি ২।১।১



বেদ, শিক্ষা, কল্প, ব্যাকৰণ ইত্যাদি অপৰা বিদ্যা, কিন্তু আছলপৰমা বিদ্যা হৈছে ব্ৰহ্মবিদ্যা বা পৰাবিদ্যা। বেদ, শিক্ষা, কল্পাদি সেই পৰাবিদ্যাৰে অঙ্গ বা আনুসঙ্গিক। সেই ব্ৰহ্মবিদ্যা বা পৰাবিদ্যাৰ সহায়ত জগতত সাৰসত্য ব্ৰহ্মবস্তুক জানিব পৰা যায়। সুতৰাং এই বিদ্যাতকৈ শ্ৰেষ্ঠতমা বিদ্যা আৰু নাই।

এই উপনিষদৰ ৩৪শ বা শেষ শ্লোকত এই ব্ৰহ্মবিদ্যা জনাৰ কি ফল তাক উল্লেখ কৰিছে।

"যি ব্ৰহ্মবিদ্যা জানে সেইজনে পাপৰ পৰা মুক্ত হৈ অনন্ত আৰু সৰ্ব্বশ্ৰেষ্ঠ স্বৰ্গলোকত প্ৰতিষ্ঠিত হয়।"

ব্ৰহ্মবিদ্যা জনাসকলে সংসাৰৰ জন্ম, জৰা, মৃত্যু এৰাই সৰ্ব্বশ্ৰেষ্ঠ স্বৰ্গলোকত থাকেগৈ। তেওঁলোকৰ আৰু অন্যান্য জীৱৰ দৰে সংসাৰলৈ পুনৰাবৃত্তি নহয়। অদ্বৈত মতে ব্ৰহ্মৰ সৈতেত পৰম সাম্যই মুক্তৰ লক্ষণ। এই ব্ৰহ্মৰ সৈতেত ঐক্যাই (অবিভাগেই) মুক্তিৰ স্বৰূপ। গীতাত কৈছে, জীৱ যদি ভগৱন্তৰ সমীপত উপস্থিত হব পাৰে, তেনেহলে তাৰ আবৃত্তিৰ শেষ হয়, নতুবা নহয়।

যদ্গত্বান নিবৰ্ত্তন্তে তদ্ধাম পৰমং মম।—গীতা ১৫।৬

"যি ঠাইলৈ গৈ আৰু ঘূৰি আহিব নেলাগে, সেয়ে মোৰ পৰম ধাম।" সেই ঠাইত ব্ৰহ্মদৰ্শী পুৰুষে সমুদ্ৰত নদীবিলাক মিলি যোৱাৰ দৰে ব্ৰহ্ম-সমুদ্ৰত মিলি যায়। এয়ে জীৱৰ মোক্ষ বা ব্ৰহ্মপ্ৰাপ্তি—অমৰ অৱস্থা।

শ্ৰীসোণাৰাম চৌধুৰী

---

# মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ

(৭ম সংখ্যাৰ পিছৰ পৰা)

## ফুলেশ্বৰী কুঁৱৰী

স্বৰ্গদেৱ শিৱসিংহ মহাৰাজেও সেই একে ভুলকে কৰিলে। তিৰুতাক তেওঁ বৰ আসৈ দিছিল। ৰুদ্ৰসিংহ মহাৰাজ উত্তৰ গুৱাহাটীৰ বাহৰত স্বৰ্গী হয়, তেওঁৰ মৰা শৰটোক বিষয়াসকলে পৰপালি দি আছিল। পাছত পাত্ৰমন্ত্ৰীসকলে উজাই যাবলৈ মনস্থ কৰিলে। শিৱসিংহ ৰজাই কেদিনমানৰ কাৰণে উজনীযাত্ৰা স্থগিত ৰাখিলে, ইয়াৰ কাৰণ ৰজাদেৱৰ লগত যাবলৈ ওলোৱা তিনিজনী নাচনিয়াৰ ছোৱালীৰ এজনী অশুচী হল, তাৰ কাৰণে স্বৰ্গদেৱে চাৰিদিন বাট চালে। কিন্তু উজনীলৈ তুৰন্তে যোৱাৰ নিতান্ত দৰ্কাৰ আছিল। শিৱসিংহ ৰজাদেৱে এই-দৰে সামান্য নাচনিয়াৰৰ কাৰণে হেঁাকা-পিছলা কৰা দেখি পাত্ৰ-মন্ত্ৰী অসন্তুষ্ট হল। তাৰ পাছত মৰা ৰজা-জনক নাৱত তোলা হল আৰু সেই নাচনিয়াৰ ছোৱালী কেইজনীক ঘনশ্যাম পাচনিবৰাৰ হতুৱাই চেপি মাৰি শৰৰ ঠেঙৰ তলতে দিলে।

তাৰ পাছত চিনাতলীয়া নটৰ জীয়ৰী নাচনিয়াৰ ফুলমতীৰ ওপৰত শিৱসিংহৰ চকু পৰে। তেওঁক চাওলৈ আনি ৰজাদেৱে ফুলেশ্বৰী নাম দি বৰকুঁৱৰী পাতিলে। সেই সময়ত পুৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ নিচিনা সাহসিক বিষয়া নাছিল। সেইদেখি এই বিবাহত কোনেও আপত্তি কৰিবলৈ সাহ নকৰিলে। এনেতে ৰজাৰ জ্যোতিষীয়া পণ্ডিতসকলে গ্ৰহৰ গণনা কৰি কলে যে ৰজাৰ ছত্ৰভঙ্গ যোগ পৰিছে। তাৰ সন্তিৰ নিমিত্তে স্বৰ্গদেৱে দেৱীৰ দেৱালয়ত আৰু ব্ৰাহ্মণ-মহন্তবিলাকক বৃত্তি দিবলৈ ধৰিলে। দৈৱিকৰূপে ছত্ৰভঙ্গ হলে নানান অমঙ্গলৰ আশঙ্কা, সেইদেখি ৰজাদেৱে নিজে সিংহাসন এৰি স্বইচ্ছামতে ছত্ৰ-ভঙ্গ কৰিলে, আৰু ফুলেশ্বৰীক প্ৰমথেশ্বৰী নাম দি বৰৰজা পাতি পাটমাদেৱৰ ৰাজ্যশাসন চলাবলৈ ধৰিলে। ৰাজ্যৰ মোহৰতো ৰজাৰ নামৰ লগত বৰৰজাৰ নাম অঙ্কিত হল। এইদৰে চিনাতলীয়া নটৰ জীয়াৰী প্ৰকাৰান্তৰে অসম ৰাজ্যৰ অধিশ্বৰী হল।

ফুলেশ্বৰী কুঁৱৰীয়ে বৰৰজা হৈ ৰজাৰ ছত্ৰধাৰণ কৰিলে, আৰু হাঁতীত উঠিল, ভায়েকক বৰপাত্ৰ পাতিলে। দদায়েকে এজনক তিপমীয়া ফুকন আৰু আন এজনক ঢেকিয়াল বৰুৱা পাতিলে, আৰু পূৰ্ব্বৰ দৈদামৰক্ষা ৰীতি গুচাই মৰাক পোৰাবলৈ ধৰিলে, আৰু ঠাকুৰীয়া মহাজনসকলক আনি আউনীআটীত সেৱা কৰাই শ্ৰীমূৰ্ত্তিশালগ্ৰাম দেউৰী-ভাগৱত আদি পূজা-সেৱা কৰিবলৈ দিলে। কুঁৱৰীয়ে নিজে সোণাৰীআলৰ বাহৰত থাকি কুলবাৰীৰ দেৱালয়ৰ বাহিৰে অন্যান্য দেৱালয়ৰ পৰা মূৰ্ত্তি আনি অনাই লুইতত সেই মূৰ্ত্তি পেলোৱালে, তাৰ ঠাইত শিল আৰু পিতলৰ প্ৰতিমা কৰাই স্থানে স্থানে দিলে। এইবোৰ কাৰণত ফুলেশ্বৰী বৰকুঁৱৰী বৈষ্ণৱসকলৰ বৰ অপ্ৰিয় হবলৈ ধৰিলে।

কিন্তু ফুলেশ্বৰী কুঁৱৰী এইখিনিতে ক্ষান্ত নাথাকিল। তেওঁৰ স্বামী শিৱসিংহই শাক্ত গোঁহাই কৃষ্ণৰাম ন্যায়-বাগীশত শৰণ লৈছিল, তেৱেঁই অসমৰ সৰ্ব্বপ্ৰথম শাক্ত আহোম ৰজা, শাক্ত-ধৰ্ম্মাৱলম্বী ৰজাৰ সহধৰ্ম্মিনী ফুলেশ্বৰী কুঁৱৰী দেৱো শাক্ত-মতানুগতা আছিল। ইফালে, মোৱামৰীয়া আদি কৰি বৈষ্ণৱ পন্থাৱলম্বী মহন্তসকলে আকৌ শক্তি পূজাৰ গোঁসানী নেমানে, এনেকি গোঁসানীৰ আগত বলিকটা শুনিলে বা দেখিলে চকুৱে-কাণে হাত দি শ্ৰীবিষ্ণু স্মৰণ কৰি একতীয়া হৈ যায়। ইয়াকে ফুলেশ্বৰী কোঁৱৰীয়ে সহিব নোৱাৰিলে ; তেওঁ ভাবিলে ৰজাৰ যি ধৰ্ম্ম প্ৰজায়ো সেই ধৰ্ম্ম গ্ৰহণ কৰিব লাগে, ৰজাই যি ভাল দেখিছে প্ৰজায়ো তাকে ভাল দেখিব লাগে, ৰজাৰ শাক্ত ধৰ্ম্ম আৰু প্ৰজাৰ বৈষ্ণৱ ধৰ্ম্ম হব কিয় ?

ইয়াকে ভাবি ফুলেশ্বৰী কুঁৱৰীয়ে বৈষ্ণৱ মহন্ত আৰু মেধিসকলক এবাৰ দুৰ্গোৎসৱ পূজালৈ নিমন্ত্ৰণ কৰিলে। ৰজাৰ নিমন্ত্ৰণমতে নিমাখিত মহন্তসকল ৰজাৰ ঘৰলৈ গল। বৰৰজাৰ আজ্ঞামতে মহন্তসকলক বলেৰে গোঁসানী সেৱা কৰোৱা হল, বলিকটা ছাগলী আৰু মহৰ তেজেৰে মহন্তৰ কপালত ফোট দিয়া হল, আৰু গোঁসানীৰ সিন্দূৰ চন্দনাদিৰ নিৰ্ম্মালি প্ৰসাদ কটিয়াই মহন্তসকলক নগুৰ-শাস্তি কৰা হল। শঙ্কৰদেৱ মহাপুৰুষৰ প্ৰচাৰিত মতত আছে :--

"অন্য দেৱীদেৱ নকৰিবা সেৱ
প্ৰসাদ নাখাইবা, গৃহক নাবাইবা,
ভক্তি হৈবে ব্যভিচাৰ।"

ইয়াত মহন্তসকলে বৰ বিষম মনকষ্ট পাইছিল। নিৰ্জ্জু স্বভাৱৰ মহন্তসকলে "ৰজাৰ দণ্ডী (ডাঁ দি?), বনত বাদ" বুলি এই লাঞ্ছনা শিৰোধাৰ্য্য কৰি ললে। কিন্তু তেজাল মোৱামৰীয়া মহন্তসকলে এই অপমানক মৰণতুল্য জ্ঞান কৰি অনেক শিষ্য গোটাই মনে মনে প্ৰতিহিংসা সাধনৰ উপায় চিন্তিলে।

বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে এইদৰে দেশৰ এদল ধৰ্ম্ম-প্ৰাণ সম্প্ৰদায়ৰ মনত কুঠাৰ মাৰি মহা অনিষ্ট সাধিলে। তিকতাই বৰ্ত্তমানক ডেই ভবিষ্যতৰ কথা সাধাৰণতঃ ভাবিব নোৱাৰে, মনৰ বেগত মহন্তক দিয়া এই অপমানৰপৰা আঠৈকুৰি তিনিকুৰি বছৰ ধৰি দেশত অশান্তি-বিপ্লৱ হবলৈ ধৰিলে। অসমৰ স্বৰ্গদেৱ লক্ষ্মীসিংহ মহাৰাজ সিংহাসনৰপৰা খেদা খাই মোৱামৰীয়াৰ হাতত বন্দী হয়, বহুত পৰাক্ৰমী সেনাপতি আৰু ৰাজবিষয়াই এই মোৱামৰীয়াৰ হাতত প্ৰাণত্যাগ কৰে। মৰাণৰ উৎপাতত দেশ লণ্ড-ভণ্ড হল, প্ৰজাবোৰ দেশ এৰি বিদেশলৈ পলাল বা হাবি-বননিত সোমাল। ফুলেশ্বৰী কুঁৱৰীৰ হাতত পোৱা লাঞ্ছনাৰপৰা জন্ম হোৱা এই এই মোৱামৰীয়া বিদ্ৰোহৰূপী ৰাক্ষসে অসমৰ ৰাজশক্তি একেবাৰে গ্ৰাস কৰিলে।

বহুদেশত তিকতাই ৰাজক্ষমতা পাই দেশৰ অনিষ্ট কৰিছে। তাহানি ফুলেশ্বৰী কুঁৱৰীয়ে মোৱামৰীয়া মহন্তক লাঞ্ছনাকৰাৰ প্ৰায় দুশ বছৰৰ আগতে ইংলণ্ডৰ ৰ'মান কেথলিক মতাৱলম্বী ৰাণী মেৰীয়ে প্ৰটেষ্টাণ্ট মতাৱলম্বী লেটিমাৰ, ৰিড্‌লি, ক্ৰেণ্‌মাৰ আদি ধৰ্ম্মপ্ৰাণ পুৰুষসকলক অগ্নিত পেলাই মাৰে। ইয়াৰ ফলত ইংলণ্ডত দুগুণ প্ৰতাপে প্ৰটেষ্টাণ্ট ধৰ্ম্মৰ প্ৰতিপত্তি বাঢ়িবলৈ ধৰে। এতিয়া সি ইংলণ্ডৰ ৰজাঘৰীয়া ধৰ্ম্ম হৈছে। ফুলেশ্বৰী কুঁৱৰীৰ এই মহন্ত-নিৰ্য্যাতনো চৰম নাৰী-মতিৰপৰা ওলোৱা। ইয়াৰ পাছত ফুলেশ্বৰী কুঁৱৰী লোকান্তৰ হল। বুৰঞ্জীয়ে কয়, মহন্তক অপমানকৰাৰ কাৰণে বৰৰজাই বৰ লগাট ভুগি মৰিল। তেওঁৰ ভনীয়েক দ্ৰৌপদীক মিৰি সন্দিকৈক সলাল



হৰগোঁহায়ে নিছিল, গোঁহাইৰ কালৰ ডুটা লৰা হল। শিৱসিংহ ৰজাই দ্ৰৌপদীক কাঢ়ি আনি মনাম্বিকা নাম দি পৰ্ব্বতীয়া কুঁৱৰী পাতিলে। এওঁৰ মৃত্যুত স্বৰ্গদেৱে সলাল গোঁহাইৰ জীয়েক অনাদৰীক বিয়া কৰায়।

শিৱসিংহ ৰজাৰ দিনত মোৱামৰীয়া মহন্তই বিদ্ৰোহ আচৰিবলৈ চেলু নেপালে, সম্ভৱতঃ তেওঁলোকৰ সকলো আয়োজন সম্পূৰ্ণ হৈ উঠা নাছিল। শিৱসিংহৰ পাছত ভায়েক প্ৰমত্তসিংহ ৰজা হয়, এওঁৰ সাতবছৰীয়া ৰাজত্বৰ কালত মোৱামৰীয়াই প্ৰকাশ্যে কোনো দ্ৰোহ আচৰা নাছিল।

মোৱামৰীয়া বিদ্ৰোহৰ আয়োজন।— কিন্তু মোৱামৰীয়াইতে প্ৰকাশ্যে দ্ৰোহ নকৰিলেও ভিতৰি ভিতৰি ত ৰ সকলো যোগাৰ-যন্ত্ৰ কৰিছিল। এনে প্ৰতাপী আহোমৰ ৰাজক্ষমতা, তাত আঘাত কৰিবলৈ বহুত দিনৰ আয়োজন লাগে।

প্ৰমত্তসিংহৰ মৃত্যুৰ পাছত মোৱামৰীয়াইতে আৰু এটি সুযোগ পালে। মোৱামৰীয়াৰ বিদ্ৰোহ-আন্দোলন অকল নিৰ্দ্দিষ্টসংখ্যক মোৱামৰীয়া শিষ্যৰ মাজত আবদ্ধ থাকিলে সেই বিদ্ৰোহ কাচিতো কৃতকাৰ্য্য হব নোৱাৰে। তেওঁলোকৰ আন্দোলনত অন্যায়ৰ বিৰুদ্ধে ঠিয় হোৱাৰ আভাস দিবলৈ আৰু তাৰ দ্বাৰা বহুত প্ৰজাক মোৱামৰীয়াৰ আন্দোলনভুক্ত কৰিবলৈ এটি সুযোগ প্ৰমত্তসিংহৰ মৃত্যুৰ পাছতে আপোনা আপুনি ওলায়। প্ৰমত্তসিংহ ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দ্বিতীয় পুত্ৰ, তেওঁৰ মৃত্যুত পিতৃৰজাই মৃত্যুকালত ব্যক্তকৰা ইচ্ছা অনুসাৰে তৃতীয় পুত্ৰ মোহনমালা বা দেৱ-মোহন কোঁৱৰ আহোম সিংহাসনৰ অধিকাৰী হব লাগিছিল। কিন্তু কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই তেওঁৰ স্বত্ব কাতি কৰি থৈ ৰুদ্ৰসিংহৰ চতুৰ্থ পুত্ৰ ৰাজেশ্বৰ সিংহক সিংহাসনত বহুৱায়। ইয়াতে মোহনমালা কোঁৱৰ অসন্তুষ্ট হয়। মোৱামৰীয়াইতে কোঁৱৰৰ প্ৰতি এই অবিচাৰ আৰু কোঁৱৰৰ এই অসন্তুষ্টি— এই দুয়োৰে চেলু লৈ অসমীয়া ৰাইজৰ সহানুভূতি আকৰ্ষণ কৰিবলৈ ধৰিলে। সিহঁতে প্ৰকাশ্যে কৈ ফুৰিলে,—"আমি ৰজা হব নোখোজো, বাটঘৰীয়া বৰজনা গোঁহাইদেৱ মোহনমালা কোঁৱৰক বৰুতিয়ালৰ বৰবৰুৱাই অন্যায়ৰূপে সিংহাসনৰপৰা বঞ্চিত কৰি নামৰূপলৈ খেদিছে। আমি কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক মাৰি বৰজনা গোঁহাইদেৱক বা তেওঁৰ পুতেকক সিংহাসনত বহুৱাব খোজো।" এনেদৰে কৈ ফুৰাত, মোৱামৰীয়াৰ বিদ্ৰোহ আন্দোলনত সাম্প্ৰদায়িকতাৰ যি গোন্ধ-ভাপ আছিল, সিও নাইকিয়া হল। মোহনমালা গোঁহাইদেউ বৰ প্ৰজাৰঞ্জক কোঁৱৰ আছিল। তেওঁৰ পক্ষপাতী লোকসকলে মোৱামৰীয়াৰ লগত আন প্ৰকাৰে সহানুভূতি নেথাকিলেও, মোহনমালা কোঁৱৰক সিংহাসনত প্ৰতিষ্ঠিত কৰা আন্দোলনৰ সহযোগী নহৈ নোৱাৰিলে। কিন্তু মোৱামৰীয়াই লক্ষ্মীসিংহ ৰজাৰ দিনত ৰংপুৰ অধিকাৰ কৰি কাক ৰজা পাতিলে, মোহনমালা কোঁৱৰ আৰু তেওঁৰ পুতেকক মোৱামৰীয়াৰ হাতত কি [illegible] হল, তাক বুৰঞ্জী-পাঠকে জানে।

## বিদ্ৰোহ-দমনৰ চেষ্টা

ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনৰ ভিতৰি বহুত আয়োজন চলিল। ৰজাৰ খেদিযোৱা ককাইদেৱাক মোহনমালা কোঁৱৰক মৰাণে হাতকৰি ললে, আৰু তেওঁলোকৰ প্ৰজাশক্তি কিমান, তাক জানিবৰ নিমিত্তে মোৱামৰীয়া মহন্ত চতুৰ্ভুজৰ পুতেক বায়নডেকাৰ আদেশমতে প্ৰত্যেক শিষ্যই যোৰহাটৰ ওচৰৰ মালৌ পথাৰ এডোখৰ ঠাইলৈ নামমূৰি খেৰ এটা, কামি এটা আৰু বেতসূত এটা আনিলে, আৰু মানুটোৱেপতি এডোখৰ ঠাইত মাটি এচপৰা পেলালে। মোৱামৰীয়াইঁতে দেখিলে, সেইদৰে মাটি পেলোৱাত তুৰন্তে এটা ডাঙৰ ওখ ভেটি হল, আৰু সিহঁতে অনা খেৰ কামি বেতৰ সহায়েৰে এটা ডাঙৰ ঘৰ বান্ধিব পৰা গল। ইয়াৰপৰা মহন্তই ঠাৱৰ কৰিলে, মোৱামৰীয়াৰ প্ৰজাশক্তি অপৰিসীম আৰু দুৰ্জ্জয়। মহন্তই তাতে সত্ৰ পাতিলে আৰু সকলো শিষ্যক গোটাই ললে।

## দিহিঙৰ মহন্ত

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ বহিথকাবিধৰ মানুহ নাছিল, তেওঁ শহাকণীয়া আৰু শালচকুৱা মানুহ আছিল। সদায় সতেজ, সজাগ। কোনো বিপদ দেখিলে তাক হেলা নকৰি আৰম্ভতে তাৰ প্ৰতিকাৰ কৰিছিল। মোৱামৰীয়া শিষ্য এইদৰে একেগোট হোৱা শুনি স্বৰ্গদেৱে ভাবিবলৈ ধৰিলে,

"পূৰ্ব্বে বৰফুকন কৰাইদেৱে মোৱামৰীয়া মহন্তক অভিমান দি থৈছে, সেই মহন্তৰে শিষ্য প্ৰজাৰ এই প্ৰভাৱ শুনিছোঁ, অৱশ্যে সিহঁতে দ্ৰোহকৰাৰ আগন্তুক আছে, কিন্তু এই মহন্তৰ যিমান শিষ্য, প্ৰজা আৰু বিভূতি, দিহিঙীয়া মহন্তৰো সিমান বিভূতি, আৰু দুয়ো ভাই-ভাই হয়, এইগুণে দিহিঙৰ মহন্তক ভিতৰুৱাল কৰি লোৱা ভাল।" দিহিঙৰ মহন্তক হাতকৰি তেওঁৰ বন্ধু মোৱামৰীয়া মহন্তৰ গতিবিধি সকলোৰে সম্বেদ লৈ স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই মোৱামৰীয়া বিদ্ৰোহৰ আৰম্ভৰ আগতে দমাবলৈ চেষ্টা কৰিছিল; ইয়াৰপৰা তেওঁৰ সূক্ষ্মদৰ্শী ৰাজনীতিজ্ঞানৰ পৰিচয় পাওঁ।

স্বৰ্গদেৱৰ আজ্ঞামতে দিহিঙৰ মহন্তক লিগিৰাৰ বাব দিয়া হল, আৰু ৰজাৰ চাওঁলে সততে অহাযোৱা কৰি থাকিবলৈ তেওঁ অনুমতি পাইছিল। মহন্তই লিগিৰাৰ বাব পোৱা দেখি কোনেও ভাবিব নেলাগে যে মহন্তই ৰজাদেৱৰ সামান্য কামবন কৰিবলগীয়া হৈছিল— অতি গুৰুতৰপৰ বিষয়া আৰু সম্ভ্ৰান্ত পুৰুষৰ লোক এই লিগিৰাৰ বাব দিয়া হৈছিল। কাৰণ, প্ৰজাৰ চাওঁলৈ যাকে-তাকে অহাযোৱা কৰিবলৈ দিলে লিগিৰাই ইচ্ছাকৰিলে শত্ৰুৰ আগত কৈ দিব পাৰে। ৰজাৰ মন্ত্ৰণা আৰু ৰজাৰ খোৱালোৱাৰ কথা, তাৰপৰা ৰজাৰ মৃত্যুৰ আশঙ্কা কৰিব পাৰি। সেইদেখি লিগিৰাৰ বাব বৰ বিশ্বাসী বাব, আৰু মানুহ বুজিহে এই সন্মান দিয়া হৈছিল। ৰজাৰ ঘৰত যিবিলাকে নীহ কাম কৰিছিল, সিহঁত গোলাম, পাচনি, পয়জাৰ-পিন্ধোৱা, তামোলকটা আদি বোলা হৈছিল। অন্যান্য দেশতো লিগিৰা বা 'পেইজ'ৰ বাব বৰ সন্মান-সূচক।

দিহিঙৰ অধিকাৰী মহন্তক চাওঁলৈ আনি স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই মোৱামৰীয়া মহন্তৰ ভেদাভেদ মন্ত্ৰণাৰ কথা সদাই জানি আছিল। স্বৰ্গদেৱে সকলো সন্ধানৰ পৰা এইটো নিশ্চিন্ত ঠাৱৰ কৰিলে যে মোৱামৰীয়াই স্বৰ্গদেৱৰ খেদি ৰাজ্য লবৰ মনস্থ কৰিছে। শত্ৰু প্ৰবল নৌহওঁতেই দমনকৰা ভাল বুলি স্বৰ্গদেৱৰ পাত্ৰমন্ত্ৰীসকলেৰে সৈতে তাৰ প্ৰতিকাৰৰ স্থিৰ যুক্তি কৰিলে। এইদৰে দকৈ যুক্তিকৰি ৰাজচৰাৰপৰা আজ্ঞা কৰা হল, মোৱামৰীয়াৰ যিবোৰ ভকত দ্ৰোহৰ আয়োজনত লিপ্ত আছে সিহঁতক মৰা হওক আৰু প্ৰবলসকলক বুদ্ধিৰে বশীভূত কৰা হওক। এই আজ্ঞানুসাৰে কাৰ্য্যকৰাত স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনত মোৱামৰীয়া মৰাণ সাম্য হৈ থাকিল। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে এইদৰে সাম্যনীতি অৱলম্বন কৰাত তেওঁৰ বিষয়া পাত্ৰমন্ত্ৰী কোনেও মৰাণৰ মুখীয়াল মানুহক প্ৰকাশ্যে লাঞ্ছনা কৰিব নোৱাৰিছিল, কিন্তু তেওঁৰ মৃত্যুৰ পাছতে চমতাৰে কোৰ মাৰি অপমান কৰে, তাৰ ফলত মোৱামৰীয়াই বিদ্ৰোহৰ ধুমুহা তুলি দেশ লণ্ড-ভণ্ড কৰে।

## নৱম অধ্যায়

### স্বৰ্গদেৱৰ দেশভ্ৰমণ

১৬৭৮ শকত স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই অসমৰ ভাটী অঞ্চল ভ্ৰমি তীৰ্থ আদি পৰিদৰ্শনকৰি ৰাজ্যৰ অৱস্থা নিজ চকুৰে চাবলৈ মনকৰিলে। দেশত বিদ্ৰোহ-হুলস্থূল নাই, স্বৰ্গদেৱে এইদৰে দেশভ্ৰমণ কৰিবলৈ বিচৰাত ৰাজ কাৰ্য্যৰ কোনো ক্ষতি নহৈছিল। স্বৰ্গদেৱে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক আদেশ দিলে যে উজনীৰ পৰা নামনীৰ হাজোলৈকে এখাৰ ঠাইত বাহৰ সাজিব লাগে, যাতে ৰজাদেৱে সেইবোৰ ঠাইত থাকি তীৰ্থ আৰু মৃগয়া কৰি ভটীয়াই গৈ থাকিব পাৰে। বৰবৰুৱাই স্বৰ্গদেৱৰ আজ্ঞামতে এইবোৰ ঠাইত বাহৰ সজাই আহিলা-পাতি তিয়াৰ কৰি ৰাখিলে,— সোণাৰী নৈ, গজপুৰ, দেৰগাওঁ, বিশ্বনাথৰ পোনে ভটীয়া-ধায়, কলিয়াবৰ, সৰিয়হতলি, বৰদোৱা, বেকী, কালশিলা, বৰনদী, হাজো। সেই সময়ত অসম ৰাজ্যৰ পছিম সীমা গোৱালপাৰা জিলাৰ হাবৰাঘাট পৰগণা আৰু মানাহ নৈলৈকে আছিল।

আমি জনাত, আহোম স্বৰ্গদেৱসকলৰ ভিতৰত মাথোন ৰুদ্ৰসিংহ ৰজাই নামনী পৰিভ্ৰমণ কৰিবলৈ গৈছিল। তেওঁৰ উদ্দেশ্য আছিল বঙ্গ-দিগ্বিজয়। তাৰ পূৰ্ব্বে গদাধৰসিংহই ছদ্মবেশেৰে দেশ-বিদেশ ভ্ৰমি ফুৰিছিল, আৰু ৰজা হৈ ৰাজদ্ৰোহ দমনকৰিবলৈ এবাৰ কলীয়াবৰলৈকে আহিছিল। ৰাজেশ্বৰসিংহৰ পাছত মোৱামৰীয়াৰ উৎপাতত



থাকিব নোৱাৰি লক্ষ্মীসিংহ স্বৰ্গদেৱে কলীয়াবৰলৈ ভটীয়াই যাবলৈ প্ৰস্তাৱ কৰিছিল, কিন্তু নাও-নৱৰা বিচাৰি দোধোৰ-মোধোৰ কৰি থাকোঁতে মৰাণে আহি তেওঁক বন্দী কৰে। সেইদৰে মৰাণৰ উপদ্ৰৱত তিষ্টিব নোৱাৰি গৌৰীনাথসিংহ স্বৰ্গদেৱে গুৱাহাটী আৰু নগাঁৱৰ ফালে গৈছিল। আৰু মানৰ উপদ্ৰৱত দেশ লণ্ড-ভণ্ড হোৱাৰ সময়ত চন্দ্ৰকান্তসিংহ আৰু পুৰন্দৰসিংহ ভাটীলৈ যাবলৈ বাধ্য হৈছিল। কিন্তু শান্তিৰ কালত ৰাজ্যৰ অৱস্থা চাই ফুৰিবলৈ নামনীলৈ যোৱাৰ আয়োজন মাত্ৰ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে কৰিব পাৰিছিল।

ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে বাহৰে-বাহৰে থাকি ওচৰৰ গাওঁ-ভূঁই মানুহ-প্ৰজা চাই, তীৰ্থাদি দৰ্শনকৰি, দান-দক্ষিণা আদি দি, আৰু সুবিধা পালে পহু, মাছ, ম'হ আদি মাৰি বহুত ৰং-ঢং কৰিবৰ মনস্থ কৰিছিল। আহোম ৰজাসকলে মৃগয়া কৰিবলৈ বৰ ভাল পাইছিল। যেতিয়াই ৰাজ্য সুস্থিৰ হয় তেতিয়াই ৰজাসকলে কাঁড় ধিনৈ লৈ পহু, মাছ, মাৰিবলৈ গৈছিল। সেইদৰে মৃগয়াত ফুৰোঁতেই গদাধৰসিংহ স্বৰ্গদেৱৰ সাংঘাতিক নৰীয়া হয়। ১৬১৬ শকত গদাধৰসিংহ ৰজাই দিখৌৰ আগাৰিব বৰডুবিৰ কোষৰত পহু মাৰিবলৈ গৈ বৰ শিল এটাত উঠি ৰং চাইছিল। এনেতে পৰ্ব্বতৰ পৰা পহু এটা দৌৰি আহি ৰজা ঠিয় হৈ থকা বৰশিলটোত পৰিলহি। ৰজাদেৱৰ গা চকি তেতিয়াই জ্বৰ উঠিলত ৰজা তুৰন্তে ঘৰলৈ আহিল। সেই জ্বৰ নেৰিলে, তাৰ লগে লগে আৰু এটা নতুন উপক্ৰম হল। ভিতিত গাঁৰ এটা হৈ স্বৰ্গদেৱে ডাঙৰ বেদনা পালে। সেই জ্বৰ আৰু যন্ত্ৰণাত ১৬১৬ শকৰ ফাগুণ মাহত গদাধৰসিংহ স্বৰ্গী হল।

১৬৭৮ শকৰ ১৩ আঘোণৰ দিনা ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে ৰংঘৰ এৰি সোণাৰী নৈৰ বাহৰলৈ যাত্ৰা কৰিলে। ইয়াৰ পূৰ্ব্বে সৈন্য-সামন্ত লিগিৰা-পাচনি আদি গৈ বাহৰে বাহৰে যথা প্ৰয়োজনসৈতে স্বৰ্গদেৱলৈ বাটচাই থাকিল। সোণাৰী নৈৰ বাহৰৰ পৰা স্বৰ্গদেৱে পাত্ৰ-মন্ত্ৰীসকলেৰে সৈতে ঘাটবৰত কিছুদিন থাকিল। ইয়াত থাকোঁতে স্বৰ্গদেৱে ওচৰৰ ঠাইবোৰত ফুৰি সুৰিছিল। তাৰ পৰা ৰজাদেৱে বঠাখনালৈ যায়, এই ঠাইত থাকোঁতে মাছ, পহু মাৰি বহুত ৰং-ঢং কৰিলে। ইয়াৰ পৰা স্বৰ্গদেৱে কুলবাৰীলৈ গৈ তাত থকা ঠাকুৰাণীৰ মন্দিৰত গোঁসানী সেৱা কৰিলে, আৰু তাহানি জনক ৰজাৰ কুলপুৰোহিত গৌতম মুনিৰ আশ্ৰমেৰে তাঁৰ পৱিত্ৰ হোৱা পিছলা নৈৰ পানীতস্নান কৰিলে। আৰু এই ঠাইত ৰজাদেৱে চৈধ্য হেজাৰ মুনিহ-তিৰোতা আৰু লৰা-ছোৱালীক ধন-সোণ আৰু বস্ত্ৰ আদি বিলাই দিছিল। তাৰ পাছত স্বৰ্গদেৱে কুলবাৰী এৰি বঠাখনা আৰু ঘাটবৰৰ বাহৰেদি ৰংপুৰ পালেহি। ইয়াৰ এমাহৰ পাছত স্বৰ্গদেৱে পাত্ৰ-মন্ত্ৰীসকলেৰে সৈতে গুৱাহাটীলৈ ভটীয়াই গল।

গুৱাহাটীত স্বৰ্গদেৱ —ৰংপুৰৰ পৰা দেৰগাঁৱলৈ স্বৰ্গদেৱে আলিয়েদি হাতীৰ ওপৰত গৈছিল, তাৰে পৰা নাৱেৰে ভটীয়াই যাবলৈ ধৰিলে। সেই সময়ত গুৱাহাটীত বিজয় তৰুণ দুৱৰাৰ নাতী দশৰথ বহিখোৱা বৰফুকন আছিল; বৰফুকনে নিজৰ চৰাৰ সকলো বিষয়া, দৰং ৰাণীৰ ৰজা আৰু অন্যান্য ঠাইৰ ৰজা-পোৱালিসকলেৰে সৈতে কাজলীমুখলৈকে আগবাঢ়ি আহি স্বৰ্গদেৱক সেৱা কৰি আদৰি আনিলে। স্বৰ্গদেৱে আহি লতাশিলৰ ঘাটত নাও বান্ধিলে। স্বৰ্গদেৱে নাৱৰ পৰা নমা মাত্ৰকে হিলৈ জাই কৰা হল। গুৱাহাটীত স্বৰ্গদেৱক সম্ভাষণ কৰিবলৈ এখন বৰ ডাঙৰ সভা পতা হল; দৰং, বেলতলা, ৰাণী, পানটনীয়া, মৈৰাপুৰ, ভোলাগাওঁ, আৰু নদুৱাৰৰ ৰজাসকলে যথাযোগ্য ৰাজউপহাৰ দি স্বৰ্গদেৱক সেৱা কৰিলে। বৰফুকন, পানীফুকন আদি গুৱাহটীয়া বিষয়াসকলেও স্বৰ্গদেৱক উপহাৰ দিলে, আৰু স্বৰ্গদেৱৰ পৰা বটা-বাহন আৰু স্নেহপূৰ্ণ সম্ভাষণ পাই পৰম প্ৰীতি লাভ কৰিলে।

হাজোত স্বৰ্গদেৱ —গুৱাহাটীত কিছুদিন থাকি স্বৰ্গদেৱে হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ চাবলৈ ইচ্ছা কৰিলে। স্বৰ্গদেৱৰ আজ্ঞামতে বৰফুকনে এখন সোণৰ কাঁহী, এটা সোণৰ পাত্ৰ, আৰু তিনটা সোণৰ ছত্ৰ তিয়াৰ কৰিলে। স্বৰ্গদেৱে হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰত সেৱা কৰিলে আৰু তাৰ দেৱলীয়া ব্ৰাহ্মণ, ঠাকুৰ, নাচনী আৰু গায়ন-

বাম্ননসকলক যথাযোগ্য দান-দক্ষিণা কৰিলে। গাঁও-ভূঁই ভাঙি প্ৰজাই স্বৰ্গদেৱক চাবলৈ আহিল; স্বৰ্গদেৱৰ সৌম্য মূৰ্ত্তি শিষ্ট ব্যৱহাৰ আৰু মৰমৰ মাত পাই সকলো প্ৰজাই পৰম প্ৰীতিলাভ কৰিলে। স্বৰ্গদেৱে হাজোত থাকোতে ছহেজাৰ টকা, এশ তোলা সোণ, দহ পেৰা কাপোৰ আৰু অন্যান্য বিস্তৰ বয়-বস্তু মানুহক দান কৰিছিল।

গুৱাহাটীত আকৌ স্বৰ্গদেৱ।— হাজোৰ পৰা উভটি আহি স্বৰ্গদেৱে কামাখ্যা, অশ্বক্ৰান্ত, জনাৰ্দ্দন, কানাই বৰশীবোৱা, উগ্ৰতাৰা, নৱগ্ৰহ, বশিষ্ঠ আৰু গোপেশ্বৰ মন্দিৰ দৰ্শন কৰিলে। সেই সময়ত এটা সৰ্ব্বগ্ৰাস চন্দ্ৰগ্ৰহণ হৈছিল, ৰাজ্যৰ সুমঙ্গলৰ অৰ্থে তাৰ শান্তিৰ কাৰণে স্বৰ্গদেৱে অশ্বক্ৰান্তত কণকাঞ্জলি দান কৰিছিল। এই সকলোবোৰ তীৰ্থতে স্বৰ্গদেৱে অনেক ব্ৰাহ্মণ আৰু সাধু লোকক ভূমি-বৃত্তি দিছিল। তাৰ উপৰিও দান-দক্ষিণাত স্বৰ্গদেৱে এইখিনি ব্যয় কৰিছিল,— চৈধ্য হেজাৰ টকা চাৰি শ তোলা সোণ, আৰু কুৰি পেৰা কাপোৰ।

উজনীলৈ যাত্ৰা।— গুৱাহাটীত আঠমাহ থাকি স্বৰ্গদেৱে উজনীলৈ যাত্ৰা কৰিলে। কলীয়াবৰৰ বাহৰত থাকোঁতে দফলা দুৱাৰৰ কটকীসকলে ৰজাদেৱক উপহাৰ দি বৰিলে। বিশ্বনাথৰ স্বৰ্গদেৱে ছ-হেজাৰ টকা, এশ তোলা সোণ, ছ পেৰা কাপোৰ দান-দক্ষিণা দিলে, আৰু বিশ্বনাথৰ ওচৰত থকা ওঠৰখন তীৰ্থস্থান দৰ্শন কৰিলে। সুমলী পাণ্ডতে স্বৰ্গদেৱৰ গা অসুখ হল, সেই কাৰণে ওঠৰ দিন তাত থাকিব লগাত পৰিল। দেৰগাঁৱত স্বৰ্গদেৱে এহেজাৰ টকা, এশ তোলা সোণ, এটা সুবৰ্ণপাত্ৰ, আৰু ছ পেৰা কাপোৰ দান-দক্ষিণা দিলে। সোণাৰীৰ বাহৰৰ কাষত প্ৰজাবোৰে দু শ বনৰীয়া ম'হ গোটাইছিল, আৰু তাতে সেই ম'হৰ লগত হাতীৰ যুঁজ চাই স্বৰ্গদেৱে পৰম আনন্দ লাভ কৰিলে।

১৬৭৯ শকৰ চ'তত স্বৰ্গদেৱ ৰংপুৰ পালেগৈ। ইমানদিন ৰাজধানী শূন্য কৰি নানা দেশ ভ্ৰমি পথে-প্ৰবাসে কষ্ট পাই স্বৰ্গদেৱে ৰংপুৰ পোৱা দেখি বিষয়াসকল হৰ্ষযুক্ত হৈ ৰজাৰ লগত দেখা-সম্ভাষা হল, স্বৰ্গদেৱেও তেওঁলোকক ইমানদিনৰ মূৰত দেখা পাই পৰম আনন্দ জনালে।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

## যাত্ৰী

১

স্বাৰ্থ-অন্ধকূপ সাজি কিয় বন্ধ
যাবা তুমি নৰ-জীৱ ?
বাহিৰে ভিতৰে তুমি মুক্ত-বায়ু,
সনাতন সত্য শিৱ।
জীৱ-আত্মাৰূপে তোমাৰ বুকুত
ধৰ্ম্ম কুৰুক্ষেত্ৰ ৰণ
কি ভয়! তোমাৰ ৰথৰ সাৰথি
ভগৱন্ত নাৰায়ণ।
পুণ্য পাঞ্চজন্য বাজিছে প্ৰাণৰ,
আৰু জানো ৰব পাৰি ?

মোহ কাতিকৰি, কৰ্ত্তব্য সুঁৱৰি,
উঠাহে গাণ্ডীৱধাৰি!
আনন্দৰ নাতি, শক্তিৰ সন্ততি,
সত্যৰ সাৰথি ভাই!
ধৰম-ৰক্ষাৰ হেতু আছে সৰে
তোমাৰ মুখলৈ চাই।
নিচলাজনৰ তুমিয়ে ঈশ্বৰ,
অশিষ্টৰ যমকাল;
তোমাৰ মূৰতে বিৰাট সৃষ্টিৰ
অপেক্ষিছে বেয়া-ভাল।



সেইদেখি হেৰা, ক্ষুদ্ৰ মোহ এৰা,—
কত চকুমুদি থোৱা!
—তোমাৰ উদাৰ মুকলি আকাশ
ক'ত আছে ভাবি চোৱা।
এতিয়াও আছে অধিক সময়,
বেলি সউ বুৰা নাই;
নীচ নিজ স্বাৰ্থ মহান স্বাৰ্থত
পৰিণত কৰা ভাই!
একেটিৰ হকে এশক বিলাই,
এশক একেটি কৰা;
এয়েই তোমাৰ আপোন ধৰম,
ধৰা, এতিয়াও ধৰা!—
সোণৰ মাৰলি, ৰূপৰ বৰাবে
খিতপীয়া দুটি টুপ;
চোৱা হেৰা সউ জিলিকিছে মোৰ
পৰভুৰ মণিকূট।
ওপৰে উৰিছে নীলা চন্দ্ৰতাপ,
মলয়ে চোৰঁৰ ধৰে;
ধৰণীতে মোৰ গোঁসাই-থাপনা,
চালে প্ৰাণ-মন হৰে;
তাতে ৰহি সউ ত্ৰিলোকৰ নাথ
আগ কি ভাৱত ভোৰ!
আহাঁ সকলোটি প্ৰভু-শৰণীয়া—
মায়াৰ পৰিব ওৰ।

২

লিগিৰি-লিকচৌ নহলে নচলে
এখোজো তোমাৰ ভৰি;
--বগা সুকোমল হাত দুখনিৰে
কিনো কাম থাবা কৰি!
মাখনৰ দেহা, ৰ'দ বৰষুণ
পালেই মলণ্ডি যায়;
সিদেখি বিচাৰি দুখীয়া-মাউৰা
আনাগই ফুচুলাই;
লগুৱাৰ কাম—ভাতমুঠি মাগোঁ
পেটলই নিদিব গিলি,
এনেলৈই আৰু সকলো কৰিব
মৰি-মুজি হেচি-ঠেলি।
দোষে বা অদোষে চকু ৰঙা কৰি,
গাত নলগালে ভৰি;
কত সাৰ পাব তাৰ গাত শুই
থকা কুম্ভকৰ্ণ-হৰি !!
ধন নাই যাৰ, সিও আৰু' লয়
সুখৰ দুখৰ নাম!
'দেউতা'ই কিন্তু সিবোৰ সুবুদ্ধে,
বুজিব মাধোন—কাম!
মাজৰ দেউতা! কি ভুল কৰিছা
জালকে জকাই বুলি!
যন্ত্ৰীক কৰিব খুজি যন্ত্ৰ, কিবা
লগাইছা খেলিমেলি।
আতমাৰ জ্ঞান দিলা বিসৰ্জ্জন
তোমাৰ সুখৰ হই,
চেতনা-নোহোৱা সজুলি গঢ়িছা
মানুহৰ আত্মা লই!
ধনৰ বলত মূৰে-ভৰি কাঢ়ি
ধৰ্ম্মলৈ যাচিছা পিঠি;
—বেজাৰ মনেৰে ভটিয়াই গৈছে
গোঁসাই নাৱত উঠি।
কিয়নো পাহৰা, নিচলা-অচলা
দুয়ো একে ৰঙহৰে;
দুখীয়া হলেও, তাৰ দেহ গঢ়া
একে তেজ-মঙহেৰে।
গিয়াতি-বিৰোধ-জেটুলিপকাৰে
গোট-গা আঁচোৰখাই,
চোৱাচোন ৰাক কিদৰেনো তাৰ
তেজে দোভা বান্ধি যায়!
এইবাৰ চোৱা! দুখীয়াৰ গাৰ
ম্লান আভৰণ ঠেলি

হঠাতেই দশোদিশ উজলাই
জ্বলিছে আতমা-বেলি !
য'তে আছা ত'তে পৰা সকলোৰে
পৰি কৰা প্ৰণিপাত,—
সউ কৃষ্ণ-সূৰ্য্য চুৰীয়া ঘৰত
হইছেহি প্ৰতিভাত ।

৩

ধৰম ন্যায়ৰ গাদীত বহি লৈ
পাতিছা ধনৰ বেহা ;
ধনেই কৰিব দুইবো বিচাৰ !—
সুদিন আহিছে আহা !!
ধনকে পাতিছা ধন-অৱতাৰ,
ধনেই গুৰুৰো গুৰু ;
ধনেৰেই জুখি নৰ-তুলসীক
পাতিছা ডাঙৰ সৰু !
ধন ধন কৰি ধনকে ঘটিছা
পৰমে যতনে কৰি ;
ধনকে চিনিছা, মানুহ নিচিনা !—
ধন হল কালৰ'দী ।

পৰমাৰ্থ জ্ঞান হেৰুৱাই আতা !
অধনক বুলিছা ধন ;
ই ধনে নাশিব ইকাল সিকাল,
ভালকৈ কৰিবা মন ।
ধনলৈ কৰিছা মন মোৰ আতা !—
ধনলই কৰি মন
অকণি পুৰুষ নৰ্কত নথৰা
তাঁৰবো নেমাৰা কণ ।
খেটো দেখি যদি বান্ধা-বাঢ়া, কিয়
খেটো দেখি মাৰা দাও ?
ধৰ্ম্মৰ নামত কিয় অধৰম ?—
ভিতৰি ধনৰ পাও !
ধনৰ মোহৰ ওগৰিজোঙৰ
ভেটিছা ধৰ্ম্মৰ বাট,—
মোৰ যে প্ৰভুৰ ৰঙা পাৱ দুটি
জিলিকিছে কৰবাত !
ধনৰ লোভেৰে আৰু নাগুচিবা,—
গোঁসাই যে আছে ৰই ;
আহা মোৰ আতা, ভকত-পাচনি,
কোন কোন যাবা অ'ই !

শ্ৰীভিম্বেশ্বৰ নেওগ

---

# বোৱাৰী

( চুটি গল্প )

ধনীৰামৰ লৰা একেটি মাত্ৰ । দুখ-বেজাৰত সান্ত্বনাৰ স্থল সেই লৰাটিয়েই । তাতে সেই চুৰ্বীত দেখনিয়াৰত, ওজাই-পায়নে নামে-গুণে ; সজা-পৰাই তেওঁৰ বৰ গুণাকৰ লৰা । লাহে লাহে লৰাটিৰ বয়সো যৌৱনত ভৰি দিলেহি । ইফালে মাকে পুতেকৰ বিয়া পাতিবলৈ ধনীৰামক সদায় তত নোহোৱা কৰিছে । কেনেকৈনো পো বোৱাৰীৰ মুখ দেখিব, বোৱাৰীৰ ৰন্ধা কেঁচুৱা খাবলৈ পাব, দিনে-ৰাতি ভাবেহে মাত্ৰ ভাবনা ।

ধনীৰামো সেই বিষয়ত নিশ্চিন্ত থকা নাই । ওচৰৰ এখন গাওঁৰ পদোৰাম বৰমেধিৰ ছোৱালী এজনী খোজা-বঢ়াৰ কাৰবাৰ চলাবই লাগিছে । মাথোন কথাটো নিকাহ হোৱা নাই । এদিন আকৌ ভাল দিন-বাৰ এটা চাই লগত মানুহ এটাৰে সৈতে নিচ-ভাৰ এখনি লৈ বৰমেধিৰ ঘৰলৈ যাত্ৰা কৰিলে । যথাসময়ত বৰমেধিৰ ঘৰ পালেগৈ ; বৰমেধিয়েও অভ্যাগতক অভ্যৰ্থনা জনাই ঘৰৰ বা-বাতৰি ললে । গধূলি হল ; ঘৰৰ



সকলোটি চাপি-কুচি বহিছে । এনেতে ধনীৰামে শৰাই এখনত তামোল-পাণ সজাই বৰমেধিৰ ফালে আস্তে-ব্যস্তে আগবঢ়াই দি কলে,— 'আপোনাসকলৰ লগত মিতিৰ পাতিব খোজা প্ৰায় দুবছৰ । এতিয়ানো আপোনাসকলে কি শেষ সমিধান দিয়ে তাকে জানিবলৈ বুলি আহিলো । ইমানদিনৰ আশা নিৰাশা নকৰিলেই আমাৰ সন্তোষ । আমিও বুঢ়া হৈ আহিছো । সোনকালে লৰাটিৰ ঘৰ পাতিব লাগে ।

বৰমেধিয়ে গহীনাই মাত লগালে—'আপুনি যি কৈছে সকলো সঁচা । পিছে বাৰু আপুনি খৰচেৰে জানো বলে পাৰিব ? জানেই নহয়, মই এই বহ গাওঁখনৰ ভিতৰত এজন মূৰদঙা মানুহ । ইপিনেও মোৰ পেটমোচা কুমলীয়া ছোৱালী । ইয়াত তেওঁ ৰাইজক পানী-পিঠাগুৰি এমুঠি খুৱালেহে ভাল হব । ছোৱালীধৰোতাও বহুত । পিছে আপোনাৰ গুৰি-কাঠডোখৰো ভাল, আৰু ময়ো পূৰ্ব্বে 'দিম' বাক্য বোলা আছে । সেইদেখি মই আনক আশা দিয়া নাই । আমাৰ দিয়া-মাল এগৰাকীক দি ডিঙিৰ হাৰমাল গুচালেহে হব । যদি আপুনিও একান্ত আশা কৰিছে, মোৰো বোলা-বাক্য এৰিবৰ ইচ্ছা নাই । পিছে মোৰ মামলা-মোকৰ্দ্দমা লাগি সম্প্ৰতি হাতত পইছাৰ নামে ফুটাকড়ি এটিও নাহোৱা হৈছে, যদি আপুনি সোনকালে বিয়া পাতিব খোজে, তেন্তে মোক বিয়াৰ হাত-খৰচৰ বাবে এশ টকামান দিব লাগিব । ৰাইজ-সুধিবলৈ জোৰোণ আৰু বিয়াৰ বাবে কোমল চাউল ২৫ পুৰা, গাখীৰ ১৫ মোণ, গুৰ ৩০ কলহ, তামোল ২৫ পোণ ; তাকে চাই পাণ । মানধৰা খনীয়া কাপোৰো ২০।২৫খনমান হলেহে হব ।'

এনেতে ভিতৰৰ ফালৰ পৰা ছোৱালীৰ মাকে মাত লগালে—'ছোৱালীক দিয়া অলঙ্কাৰ হলে পূৰাই লাগিব । নাই বুলিও মুগাৰ ৰিহা-মেখেলা তিনি যোৰ, পাতৰ এযোৰ, গুণাকুলীয়া খনীয়া কাপোৰ এখন, নেজপতোৱা খুৰীয়া এযোৰ, লতাবাথকৰা আৰু উকামণি দুখোপা গলপতা, গেজেৰা, বিৰি আৰু ছিপাত একোধাৰ, সোণখটোৱা খাৰু এযোৰ, নেজপতা আঙঠী দুটা ; ইয়াৰ হলে এপদো কম হব নোৱাৰিব । আমি আগৰ কথা আগতে কৈছো, তাকে চাই আপুনি টিকি-শিকি চ'ক ।'

ধনীৰামে এই সুদীৰ্ঘ হিছাপ শুনি মনে মনে এটা দীঘল নিশ্বাস পেলালে । পেলালেও নিজৰ সন্মান হানি কৰিবলৈ ধনীৰামে ইচ্ছা নকৰে । আঙঠী এটা আগবঢ়াই কলে—'হিয়া বুলিলে খৰচ আছেই । যেনেতেনে কাৰ্য্য কৰিলেহে হব । আজি আমাৰ চিন ধৰলৈ এই আঙঠীটি অনা হৈছে, ধৰক ।' বৰমেধিয়ে আঙঠীটি পিতিকি-জিতিকি চাই ভিতৰলৈ দিলে ।

আঙঠী পিন্ধোৱা হল, কন্যাদান স্থিৰ হল । পিছদিনা ধনীৰাম ঘৰলৈ আহি গৃহিণীৰ সৈতে ধুমধামে বিয়াৰ যো-যাত তৎপৰ হল । আগলৈ নাই, পিছলৈ নাই, ধনীৰামৰ একেটি লৰাৰ বিয়া । ইয়াত আৰু তেওঁ হাতধাৰ কাম কৰিবনে ? ধন-বিতৰ যি নাটনি পৰিছিল তাক কেঞাৰ ঘৰৰ পৰা অনা হল । হিছাপৰ অলঙ্কাৰৰ যি নোহোৱা আছিল তাকো ইঘৰ-সিঘৰৰ পৰা বিয়াৰ কেইদিনৰ নিমিত্তে খুজি আনি যোগাৰ কৰিলেহি ।

বিয়াৰ দিনবাৰ স্থিৰ হল । জোৰণৰ দিন পালেহি । সকলো সম্ভাৰ কইনা ঘৰত পোৰোৱা হল । আ-অলঙ্কাৰ কাপোৰ-কানি কইনাক পিন্ধোৱা হল । নিৰ্ব্বিবাদে জোৰণৰ কাৰ্য্য সমাধা হল ।

বিয়াৰ দিনা মহা সমাৰোহে হাতীয়ে-ঘোঁৰাই, গায়নে-ধুলিয়াই আৰু বন্দুকৰ শব্দেৰে তল-ওপৰ লগাই দৰা আগবাতি কন্যাঘৰ পালেগৈ । ইফালে কন্যাদাতাই বিয়েয়েকলৈ খঙতে ৰুদ্ৰমূৰ্ত্তি ধৰি আছে । ধনীৰাম গৈ যেই ৰভাতল পালেগৈ, সেইমাত্ৰ বৰমেধিয়ে নানা কদৰ্থনা কৰি কৈ দিলে—'তুমি মোৰ মিতিৰৰ যোগ্য নোহোৱা, কত আশাৰে ৰাইজক খুৰাম-ধুৰাম বুলি কাৰবাৰ কৰিলো, তুমি সেই আশা মাটি কৰিলা । তুমি সেই তাকৰীয়া দাম পাই নেপালীৰ পৰা গেলা, লাকৰে লাকৰে পোক দিয়া আৰু দুৰ্গন্ধত ওচৰলৈ যাব নোৱৰা গাখীৰবোৰ মোলৈ পঠিয়াই আজি মোক সমাজত কিয় অমানুহ কৰিলা ? আদিতে তোমাক এনে পৰ কিতিৰ মানুহ বুলি জনাহলে ঘৰত থুকিবলৈকে নিদিলোহেতেন । এনে

মানুহৰ ঘৰলৈ কোন কণাই ছোৱালী দিয়ে? এতিয়াও তোমাৰ লৰা তুমি ওলোটাই লৈ যোৱাগৈ, মোৰ ছোৱালীৰ কপালত যি আছে সেয়ে হ'ব; তথাপি তোমাৰ ঘৰলৈ দিব নোৱাৰো।' ঢোল-খোলৰ যি শব্দই কাৰো কথা ক'তো নুশুনা হৈছিল সেইবোৰ বৰমেধিৰ কথাত কাঁহ পৰি জীণ যোৱাৰ দৰে হল। বহুত সময় একো মাত-বোল নাই। দৰাঘৰীয়া মানুহৰ আনন্দৰ মুখত ছাই পৰি গল। ধনীৰাম স্বৰগপৰা মানুহৰ দৰে থৰ লাগি তললৈ মু কৰি বল।

এনেতে সমাজত বহি থকা বুঢ়া মানুহ এজনে মাত লগালে:—'মই উভয়ৰ মাজতে কওঁ শুনা। আমাৰ মানুহে নেপালীক ম'হবোৰ দি দেশ তেনেই তল নিয়াইছে। আমাৰ অসমীয়া আটাইবোৰেই বৰ মানুহ হল। গৰু-ম'হ প্ৰতিপালকৰি গাখীৰ খোৱাটোও লাজৰ কথা হল। তাৰ ফলত আমাৰ এইবোৰ দুৰ্দ্দশা মিলিছে। সম্পত্তি আমাৰ ভোগকৰিছেহি নেপালীয়ে। যি অসমীয়া গাখীৰ কলহ নেভাঙিলে উলিয়াবৰ সাধ্য নাছিল, সেই গাখীৰ পৈ এনেকুৱা হলগৈ। ঘিঁউ-মাখন কৰি তিনি চাৰি চেপা দি যি অৱশিষ্ট থাকিব সেইবোৰ গাখীৰেই আমাৰ ভোজ্য হৈছে। এইবোৰ খাই মানুহে তৃপ্তি বা পা। কি, গাত বল পাব কি? তথাপি জানো আমাৰ মানুহৰ গালৈ চেতনা আহিছে? এই গাৱঁত বুলিহে অলপ কম, আমাৰ নগৰৰ ফালে নিতৌ সেই নেপালীৰ গাখীৰবেই ব্যৱহাৰ হয়। নেপালীক ম'হবাথিৰলৈ দি নিজে মহাজন হৈছে যেতিয়া, সমাজেও তাকে পাইছে যেতিয়া, আমাৰ মিতিৰৰ গাতনো কি দোষ আছে? বিদেশীয়ে আমাক এনেকৈ ঠগিবই লাগিছে। তথাপি পিৰিহঁতে চাই চিন্তি অনা উচিত আছিল। তাকে নকৰাৰ বাবে অলপ দোষ বুলিব পাৰি। দোষ হলেও, দায়হে ভাগে; মানুহ নেভাগে। এতেকে দোষৰ দণ্ড দিয়ক। মিছামিছি দন-খৰিয়াল কৰাৰ কি লকাম আছে!'

বুঢ়াজনৰ নিৰপেক্ষ ভাবৰ এই কথাখিনি শুনি সকলোৱে 'হয়' দিবলৈ ধৰিলে। দৰাৰ বাপেকেও তাতে হৰ্ষিভৰ দি এশবাই তামোল-পাণ বৰমেধিৰ ফালে আগবঢ়াই দি অজানিত দোষ ক্ষমা কৰিবলৈ কলে। বৰমেধিয়ে শৰাইৰ কাপোৰখন দাঙি চাই কলে—'আজি মই যি মৰ্ম্মান্তিক অপমান পাইছো তাক এই তামোল-পাণ কেইটাই কাটিব নোৱাৰে, নগদ এশ টকা লাগিবই।' কথা শুনি দৰাৰ বাপেক আকৌ বিমোৰত পৰিল; ঘুপুৰাই ৰভাতলত এশ টকা ক'ত পায়? একমনে ভাবে, ছোৱালী এৰি উভটিয়েই যামনে কি? আকৌ ভাবে, মোৰ ইমান পৰিশ্ৰম অথলে যাব। এইবিলাক ভাবি, নিচাৰ-পৰ কৰি ৫০৲ টকা ৰূপ দি কোনোৰকমে বৰমেধিক সৈমান কৰালে। দৰাক কংগুৰিৰ পৰা ৰভাতললৈ আদৰি অনা হল। শেহৰাতি বিধিমতে বিবাহ কাৰ্য্য সমাধা হল। তেতিয়াহে দৰাঘৰৰ মানুহৰ মুখলৈ আনন্দ আহিল। গাত বল হল।

দুখমিশ্ৰিত ৰাতি অন্ত পৰিল। পুৱকালে হেঙুলী বৰণে নিদ্ৰিত জগতক পুৱাৰ জাননী দিলেহি। এই উষাৰ জননীয়ে যেনেকৈ দৰাঘৰীয়াৰ মনত আনন্দৰ উথল-পাথল লগালেহি সেইদৰে বৰমেধিৰ পৰিয়ালৰ অন্তৰতো শোকৰ জুয়ে ক-কৰনি তুলিলে। পুৱাৰ ৰূপহ জেউতি চাৰিও ফালে বিৰিঙি পৰিল। কন্যাসকল নিজৰ বাসত লাগি গল। আমাৰ ধনীৰামেও ঢোলে-দগৰে পো-বোৱৰীক লৈ নিজৰ ঘৰলৈ প্ৰস্থান কৰিলে। বৰমেধিৰ শুৱনি ঘৰখন মইনা নোহোৱা সজাৰ দৰে হল।

ধনীৰামে ঘৰ পাই আজিও এটা দীৰ্ঘ-নিশ্বাস এৰি ভাবিলে—'উস্! বৰ্ত্তমান সময়ত আমাৰ সমাজত পো-বোৱাৰী ঘটা কি কঠিন সমস্যা! জুখিলে মানুহৰ ভদ্ৰতকৈ ধন হে গধুৰ হব। ইমান টকা খৰচ কৰিহে এয়ে! এতিয়া বোৱাৰীয়বো আকৌ কি ৰূপ দেখুৱায়!'

শ্ৰীপদ্মধৰ সভাপণ্ডিত

---

# টোকা, বাতৰি আৰু প্ৰশ্ন

## মণুপৰ্ক

**ঢেকিয়াল ফুকনৰ বুৰঞ্জী**

স্বৰ্গীয় হলিৰাম ঢেকিয়াল ফুকনে "আসাম-বুৰঞ্জী" লিখি তাৰ শুদ্ধাশুদ্ধ চাই দিবৰ কাৰণে সেই কালৰ জনা-বুজা অসমীয়াৰ মাজত পুথিখন প্ৰচাৰ কৰিছিল আৰু বুৰঞ্জী-পণ্ডিতসকলে তাৰ বিষয়ে স্পষ্ট মতামত প্ৰকাশ কৰিছিল। ফুকনৰ সমসাময়িক শিক্ষিত বন্ধুসকলৰপৰা আৰু সাময়িক কাকতবিলাকৰপৰা তেওঁেতে যথেষ্ট উৎসাহ, প্ৰশংসা আৰু সূচনি পাইছিল। ফুকনৰ আসাম-বুৰঞ্জীয়ে অসম আৰু অসমীয়াক যিমান ওপৰলৈ তুলিছিল, সভ্যতাৰ চূড়ামণি ব্ৰিটিশে আমোলৰ আদি-ছোৱাত অইন কোনো পুথি-পাজিয়ে সিমান কৰিব নোৱাৰিছিল। অসমীয়া মানুহ যে অসভ্য বৰ্ব্বৰ নহয় আৰু অসম দেশখন শিক্ষা আৰু সভ্যতাত পাছপৰা নহয় তাক ফুকনৰ বুৰঞ্জীয়ে ভালকৈ দেখুৱাই দিছিল। সেই বুৰঞ্জীৰ প্ৰভাৱ ইমান বেছি হৈছিল যে গৱৰ্ণমেণ্টে অসমৰ বাবে কিবা আইন-কানুন বা ধাৰা-বিধি কৰিবলগীয়া হলে পোন-প্ৰথমেই ফুকনক হে তাৰ আঁচনিখন দেখুৱাইছিল। সেই বুৰঞ্জীৰ বিষয়ে স্বৰ্গীয় যাদুৰাম ডেকাবৰুৱাই এইদৰে লিখিছিল:—

"শ্ৰীযুত হলিৰাম ঢেকিয়াল ফুকন মহাশয় যে আসাম বুৰঞ্জী নামক এক পুস্তক প্ৰস্তুত কৰিয়াছেন তাহা তাহাৰ ভ্ৰাতা শ্ৰীযুত যজ্ঞৰাম ফুকন মহাশয় প্ৰীতিপূৰ্ব্বক আমাৰ নিকট প্ৰেৰণ কৰাতে দেখিলাম যে তাহা সংক্ষেপেৰ মধ্যে অতি উত্তমৰূপে গ্ৰথিত হইয়াছে সন্দেহ নাই। কিন্তু কোন কোন কথাৰ যে অন্যথা আছে তাহাতে অৱশ্য স্বীকাৰ কৰিবেন, কেন না তৃতীয় খণ্ডেৰ ৭ পৃষ্ঠায় দৃষ্ট হইল যে আসামেৰ পূৰ্ব্বসীমা তেজি নামৰূপকে নিৰূপন কৰিয়াছেন, আমি জানি তাহা যথাৰ্থ নহে, বস্তুতঃ ঐ স্থানেৰ অনুমান। ১০০ ক্ৰোশেৰ পূৰ্ব্বদিকস্থ পাতকাই নামক পৰ্ব্বতশ্ৰেণী সে প্ৰকৃত সীমা যাহাৰ এক প্ৰশস্ত প্ৰস্তৰেতে মহাৰাজ চুকাফা চিংফৌ দেশেৰ ৰাজাৰ সহিত আপন সীমা নিৰ্দ্ধাৰ্য্য কৰিয়া আশাম অক্ষৰেতে পদ্য খোদাইয়া ৰাখিয়াছেন এবং যাহা ইং ১৮২৮ সনে লিউটিনেণ্ট বৰ্ণটি সাহেব মুংকং দেশ ভ্ৰমণাৰ্থে গিয়া দেখিয়া আসিয়াছেন ইহা তথ্য জানিয়া লিখিতেছি * • * •। ইতি ১৮৩১,২৯ আগস্ত।

শ্ৰীযাদুৰাম ডেকা বড়ুয়া
মুন্সী এজেণ্টী
মুলুক ওপৰ আসাম।"

কলিকতাৰপৰা প্ৰকাশিত 'সমাচাৰ দৰ্পণে' লেখিছিল,—

"••• তাহাৰ (ফুকনৰ) বিদ্যাবিষয়ক স্পৃহাৰ সীমা ছিল না এবং গুণও অসংখ্যক ছিল। স্বীয় দেশেৰ বিষয়ে তাহাৰ অত্যন্ত অনুৰাগ এবং ঐ দেশ বৰ্ম্মাৰদেৰ যোয়াল হইতে মুক্ত হইয়া যে ইঙ্গলণ্ডীয়ৰ দেৰ সাম্ৰাজ্যভুক্ত হইয়াছিল ইহাতে তিনি অত্যন্তাহ্লাদিত হইয়া স্বদেশীয়দেৰ মধ্যে যাহাতে সভ্যতা ও আচাৰ ব্যৱহাৰেৰ সৌষ্ঠব হয় তদৰ্থ কোন বিষয় উদ্যোগেৰ ত্ৰুটি কৰেন নাই, এবং স্বীয় ব্যয়েতে বঙ্গভাষায় অনেক পুস্তক মুদ্ৰিত কৰিয়া স্বদেশীয় বিদেশীয় অনেককে বিতৰণ কৰিলেন। আসাম দেশেৰ মধ্যে তিনিই প্ৰথম এতদ্দেশীয় সম্বন্ধে পত্ৰ [বঙ্গদেশৰ] গ্ৰাহক হইয়াছিলেন এবং অন্যৰদিগকে তদ্বিষয়ে এমত প্ৰবোধ দিলেন যে এইক্ষণে আসামদেশে যত সম্বাদপত্ৰ চলিত হয় তত বঙ্গদেশেৰ মধ্যে কোন জিলাতে চলে না। অনুমান তিনি বৎসৰ হইল তিনি আসাম-বুৰঞ্জি নামক একগ্ৰন্থ সংগ্ৰহ কৰিয়া স্বীয় ব্যয়েতেই মুদ্ৰাঙ্কিত কৰিলেন, আসামদেশেৰ প্ৰকৃত বিবৰণসকল কেবল ঐ পুস্তকেৰ মধ্যেই প্ৰাপ্ত হওয়া যায় • • • •।"

'সমাচাৰ চন্দ্ৰিকা'য়ো এইদৰে ফুকনৰ বুৰঞ্জীৰ বিষয়ে বৰ্ণাইছিল:—"• • • আদৌ ঐ ফুকণ মহাশয় এতদ্দেশেৰ বিশেষতঃ তদ্দেশেৰ উপকাৰাৰ্থ বাণিজ্যাদিৰ নানা বিষয়ে উপদেশ স্বৰূপ বিবিধ সংবাদ লিখিয়া সমাচাৰ পত্ৰে প্ৰচাৰ কৰিয়াছিলেন, তত্বৎ সমাচাৰ ৰাজা প্ৰজাৰ গোচৰ হওয়াতে অনেক উপকাৰ হইয়াছে। পৰন্তু আসাম বুৰঞ্জী

পুস্তক প্ৰকাশে তাহাৰ বিশেষ গুণ ব্যক্ত হয়। ঐ পুস্তকেৰ মধ্যে তদ্দেশেৰ ৰাজাৱলী ধৰ্ম্ম-কৰ্ম্ম উপাসনা ৰাজ্য-শাসন ৰীতি, ব্যবহাৰ চৰিত্ৰ লোকেৰ ক্ষমতা, বিদ্যা এবং নদ নদী পৰ্ব্বতাদিৰ বিশেষ লিখিয়াছেন এবং বাণিজ্য ব্যাপাৰেৰে কি ৰীতি এবং শস্যাদিৰ উৎপত্তি বিষয়ক বহুতৰ বিষয়ে গ্ৰন্থ চাৰিখণ্ড পৰিপূৰ্ণ কৰিয়া প্ৰকাশ কৰেন তাহাতে আপন পৰিশ্ৰম ও অৰ্থ ব্যয় অনেক কৰিয়াছেন কেননা ঐ গ্ৰন্থ তাবৎ আপনি ৰচনা কৰিয়া নিজাৰ্থ-ব্যয় দ্বাৰা মুদ্ৰিত কৰিয়া বিতৰণ কৰেন ইত্যাদি।"

১৮৩০ ছনৰ ৫ ফেব্ৰুৱাৰীৰ 'ইণ্ডিয়া গেজেট'ত ত ।-চান্দ চক্ৰৱৰ্ত্তীয়ে এই বুৰঞ্জীৰ বিষয়ে যি সমালোচনা কৰিছিল তাৰপৰাও একাষাৰ মাত্ৰ উদ্ধৃত কৰা গল, কিয়নো শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা অধ্যাপকদেৱে 'বাঁহী'ত সেই সমালোচনা হুবহু প্ৰকাশ কৰি গৈছে। সমালোচনাৰ আৰম্ভণতে আছিল—"As publications of a historical nature are seldom known to emanate from the Native Press; a short account of this work may be read with interest by those liberal members of the European Community. * * * "

* * * *

স্বৰ্গীয় যজ্ঞৰাম খাৰঘৰীয়া ফুকনে এখন হিন্দী অভিধান আৰু এখন হিন্দী ব্যাকৰণ প্ৰণয়ন কৰিছিল। তাৰ অনুষ্ঠান-পত্ৰত ফুকন ডাঙৰীয়াই ৰাইজক এইদৰে জনাইছিল:—

✓ যজ্ঞৰাম ফুকনৰ হিন্দী অভিধান আৰু ব্যাকৰণ

"সংপ্ৰতি আসামদেশ ব্ৰিটীন দেশীয় ৰাজ-শাসনাধীন হওয়াতে তদ্দেশনিবাসী বিশেষতঃ ৰাজসেবাভিলাসী লোকদিগেৰ আৰ্য্যাবৰ্ত্তেৰ আৰ্য্যও মৰ্য্যাদস্থিৰ জনগণ-ভাষিত পৰিষ্কৃত হিন্দুস্থানী ভাষাভ্যাসেৰ অতিশয় বাসনা হইয়াছে। যেহেতু তদ্ভাষা ভাষণে নিপুণতা ব্যতিৰেকে স্বদেশ ভাষাতে দেশাধিপতিৰ নিকট আপন নিপুণতা অনায়াসে প্ৰকাশ কৰিতে নাপাৰিয়া অনেকে হতাশ এবং অনেকে ঐ ভাষা ৰচিত ললিত গীত ও কবিতাদি ৰসাস্বাদনে আসক্তপ্ৰক্ত সুবিৰক্ত ও উদাস হন। কিন্তু উপযুক্ত পুস্তকাভাবে তাহাদেৰ উক্ত অভিলাষ পূৰ্ণ হইতেছে না, কেননা এই পৰ্য্যন্ত হিন্দুস্থানী ভাষাভ্যাসেৰ সাহায্যাৰ্থ যে সমস্ত প্ৰশস্ত পুস্তক প্ৰস্তুত হইয়াছে তাহা ইংৰেজী কিম্বা পাৰসী বা নাগৰ মুদ্ৰাক্ষৰে মুদ্ৰিত হওয়া প্ৰযুক্ত তত্তদক্ষৰানভিজ্ঞেৰদেৰ তাহা কোন প্ৰকাৰে কিছু উপকাৰক হইতে পাৰে না, এ কাৰণ কএকজন জনপদ-সম্পদ সম্পাদনেচ্ছু শিষ্ট-বিশিষ্টলোকেৰ অভীষ্টমতে তাহাদেৰ ও তাহাদেৰ সন্তান-সন্ততিৰ সন্তোষ নিমিত্ত........এক সংক্ষিপ্ত হিন্দি ব্যাকৰণ ও অভিধান ও পুস্তকোদ্ধৃত গদ্য-পদ্য চন্দঃ প্ৰবন্ধ ৰচিত অতি সুললিত ইতিহাস সমূহ সহিত বিস্তিতৰূপে এই গ্ৰন্থ গ্ৰন্থন কৰিলাম ..১৯ মে, ১৮৩২ ছন।"

• • •

১৮২৪ ছনৰ এপ্ৰিল মাহত আমাৰ শত্ৰু মানক খেদিবলৈ যাওঁতে ইষ্ট ইণ্ডিয়া কুম্পানীয়ে অসমীয়া মানুহলৈ এখন ইস্তাহাৰ পঠিয়াইছিল। ইস্তাহাৰখন বৰ্ত্তমান কালৰ কোনো কোনো ক্ষেত্ৰত লাগতিয়াল হব যেন ভাব প্ৰকাশ কৰা হল।—

'হে আসামদেশীয় প্ৰজাৰা তোমৰা উত্তমৰূপে জ্ঞাত আছ যে কএক বৎসৰাবধি ব্ৰহ্মদেশীয়েৰা তোমাদেৰ দেশে উপদ্ৰব কৰিতেছে এবং তাহাদেৰ অধিকাৰ কালাবধি তোমাদেৰ ৰাজাকে সিংহাসনচ্যুত কৰিয়াছে, ও দেশে লুঠ কৰিয়া অনেক ব্ৰহ্মহত্যা ও গো-হত্যা ও স্ত্ৰী-হত্যা কৰিয়াছে, এবং নানাপ্ৰকাৰ অৱক্তব্য দৌৰাত্ম্য ও কু-ব্যবহাৰ কৰিয়াছে তাহাতে তোমাৰদেৰ দেশীয় অনেক লোক ভাৱগ্ৰস্ত হইয়া আমাৰদেৰ শৰণাপন্ন হইয়া সেই সেই স্থান হইতে সৰ্ব্বদা আমাৰদেৰ সহায়তা অপেক্ষা কৰিতেছে। সে যে হউক যে দুখেতে তোমাৰ দুখিত ছিলা সে দুখ দেখিয়া আমৰা বৰ কাতৰ ছিলাম, কিন্তু ঐসময় আৱাৰ ৰাজাৰ সহিত আমাৰদেৰ মিত্ৰতা ছিল তৎপ্ৰযুক্ত আমৰা ঐবিষয়ে হাত দিতে পাৰি নাই। সম্প্ৰতি ব্ৰহ্মৰাজ্যেৰ অধ্যাক্ষৰা আমাৰদেৰ অধিকাৰস্থ কাছাৰ আক্ৰমণ কৰাতে ও ঐ স্থানে আৰ আৰ দৌৰাত্ম্য কৰাতে ও নানা প্ৰকাৰ অহঙ্কাৰ ও শত্ৰুবৎ বাক্য কথনেতে অৱশেষে আমৰা যুদ্ধে প্ৰবৃত্ত হইয়াছি।



এবং তোমাৰদেৰ অপেক্ষিত সময় অৰ্থাৎ যাহাতে তোমৰা আপনাৰদেৰ অন্যায় কাৰকেৰদেৰ হাত হইতে মুক্ত হইতে পাৰ এমত সময় এই উপস্থিত হইয়াছে। যেহেতুক আমাৰদেৰ ভূমি সৈন্য সিমা না উলংঘন কৰিয়াছে এবং ঐ অসভ্য সৈন্যেৰদিগকে ব্ৰহ্মকুণ্ডেৰ ওদিগে তাৰিয়া দিয়াছে, এবং যে পৰ্য্যন্ত তোমাৰদেৰ এই উপদ্ৰব দেশে শান্তি ও নিৰ্ভয়তা না হয়, সে পৰ্য্যন্ত আমৰা নিবৃত্ত হইব না। অতএব বৰ্ত্তমান ও ভবিষ্যৎ কালেৰ নিমিত্তে নিৰ্ভয় হইয়া তোমৰা অগ্ৰসৰ হও। এবং আমাৰদেৰ সৈন্যেৰ আহাৰীয় দ্ৰব্য যোগাও তাহাৰ মূল্য নগদ দেওয়া যাইবে। এবং যাহাৰা তোমাৰদিগকে এত ক্লেশ দিয়াছে তোমৰা সময় পাইলে তাহাৰদেৰ প্ৰতিহিংসা কৰিতে ছাৰিওনা. তোমাৰদেৰ ৰাজ্য জয়কৰণ পিপাসাতে আমৰা আইলাম না। কিন্তু আপনাৰদেৰ ৰক্ষাৰ্থে ভাৰাক্ৰান্ত হইয়া শত্ৰুৰদেৰ নাশাৰ্থ আসিয়াছি যাহাতে তাহাৰা আমাৰদেৰ উপৰ আৰ দৌৰাত্ম্য না কৰে। অতএৱ তোমৰা নিৰুদ্বেগে থাক। আমাৰদেৰ শত্ৰুৰদিগকে যে পৰ্য্যন্ত নিঃশেষৰূপে আসামদেশ হইতে দূৰ না কৰি সেপৰ্য্যন্ত আমৰা আসামদেশ ত্যাগ কৰিব না। এবং তোমাৰদেৰ ৰাজা এমত পুনঃ স্থাপন কৰিব ও এমত বন্দোবস্ত কৰিব যে তাহাতে তোমাৰদেৰ সুখ ৰাজাৰ মঙ্গল হইবে।"

* * *

ছাৰ সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়ে *A Nation in Making* বোলা কিতাপত আমাৰ আনন্দৰাম বৰুৱাৰ বিষয়ে লিখিছে:—

"Among the Indian candidates who competed with us for the Indian Civil Service in 1869, was another remarkable man whose early death deprived the world of a Sanskrit scholar of great promise — I mean Anandaram Barua. In regard to him also there was the difficulty about the age to which I have referred, but the point having been settled in my case, it was no longer raised in his. He came from Assam and distinguished himself at the examination of the Calcutta University. Having obtained a State scholarship he went to England to compete for the Indian Civil Service. He secured a place for himself among the successful candidates in 1870. As a member of the I. C. S., he confined the duties of an administrator with extraordinary devotion to literature and at the time of his, I understand, he was engaged in preparing a dictionary of the Sanskrit language, which, alas, never saw the light. His was a case of blighted promise which in its fruition would have enriched the world of letters."

"সুতুলি"

## হৰিবংশ

### কামৰূপ অনুসন্ধান সমিতিৰ পুৰণি অসমীয়া পুথি

এই পুথিখনি সংস্কৃত হৰিবংশ পুথিৰ অসমীয়া ভাঙনী আৰু শ্ৰীকবিশেখৰ ভট্টাচাৰ্য্য দ্বিজৰ দ্বাৰা পদবন্ধে নিৰ্বান্ধিত। উক্ত কবিশেখৰ ভট্টাচাৰ্য্যৰ বিষয়ে পুথিৰপৰা একো জানিবৰ সাধ্য নাই। কোনো কোনো অধ্যায় শেহত নিজক 'আগম আচাৰ্য্য' বুলিও পৰিচয় দিছে। পুথিৰ তলত দিয়া পদ কেইফাকিৰপৰা পুথি লিখোঁতাৰ কাল আৰু কবিৰ সম্বন্ধে যৎকিঞ্চিৎ আভাস পোৱা যায়—

কৌৰৱ ৰাজাৰ ভাৰ্য্যা পুৰন্দৰা নাম।
আৰাধিলা মাধৱক হৈয়া পুত্ৰ কাম ॥ ৪
তুষ্ট হৈয়া কৃষ্ণে তাক দিলা ইষ্টবৰ।
হৈবেক পুত্ৰেক তোৰ ইন্দ্ৰৰ বীৰ্য্যৰ।
কৃষ্ণৰ আদেশে ইন্দ্ৰে পুত্ৰ উপজিলা।
স্বৰ্গ নাৰায়ণ হেন তাননাম দিলা ॥ ৫
পূৰ্ব্বদেশে ৰাজা হৈলা সেহি দিনা ধৰি।
ইন্দ্ৰৰ প্ৰভাৱে পাইলা দেশ দেশান্তৰি।

সেহিবংশে ৰাজেশ্বৰ সিংহ নৰপতি।
শান্ত দান্ত শিষ্ট মিষ্ট অতি শুদ্ধমতি॥ ৬
প্ৰবল প্ৰতাপ কীৰ্ত্তি নীতি আতিশয়।
দানী মানী মহাজ্ঞানী সদয় হৃদয়॥
তাহান তনয় চাকসিংহ মহামতি।
গুণীগন মধ্যে শ্ৰেষ্ঠ বিপুল শকতি॥ ৭
পিতৃ মাতৃ গুৰু ইষ্টদেৱত ভকত।
আপনি চতুৰ সৰ্ব্ব শাস্ত্ৰৰ অৰ্থত।
তান পত্নী প্ৰেমদা নামত মনোনীতা।
সৰ্ব্ব গুনৱতী যেন দ্ৰুপদ দুহিতা॥ ৮
স্বামী চৰণত ভক্তি কৰে সৰ্ব্বক্ষণ।
সপত্নী গণৰ মধ্যে ৰোহিনী যেহেন॥
তাসম্বাৰ আজ্ঞা মুক্তামালা শিৰে ধৰি।
শ্ৰীকবিশেখৰ ভট্টাচাৰ্য্য দ্বিজ হৰি॥ ৯
ভাষা বন্ধে নিবন্ধিত হৰিবংশ পদ।
শুনা নিশবদে শুদ্ধ বুদ্ধ সভাসদ॥
সামান্যৰ কৃত্য বুলি নধৰিবা দোষ।
হৰিকথামৃতে কৰা চিত্তক সন্তোষ॥ ১০

পুথিৰ শেহত কবিয়ে ৰজাক এইদৰে আশীৰ্ব্বাদ কৰিছে:--

জয় জয় নৰপতি ৰাজ ৰাজেশ্বৰ।
শক্তি ভক্তি কীৰ্ত্তি নীতি বাঢ়োক বিস্তৰ॥
জগত পালক হৈয়া থাকা চিৰকাল।
চৰণে সেৱক হৌক বহু মহীপাল॥ ১০২৫

জয় চাকসিংহ নৰপতি মহামতি।
ব্ৰহ্মাৰ কৃপাত হৌক অচলা ভকতি॥
শত্ৰুকুলে যাউক তযু ব্যাপাৰ বিথিনি।
সমস্ততে জয় হৌক বিপক্ষক জিনি॥ ১০২৬

তযু প্ৰিয় পটেশ্বৰী প্ৰমদা সুন্দৰী।
কুশলে ৰহোক তযু পদ সেৱা কৰি।
কুমতি অজ্ঞান তাপ কোপ অপমান।
কৃষ্ণৰ প্ৰভাৱে যাউক বিপক্ষৰ থান॥ ১০২৭

যেন মতে কৃষ্ণ-ৰাধা ভৈল এক লীন।
সেহিমতে দুহন্তৰে চিত্ত নৌক ভিন॥
সজ্জনত মিত্ৰ নৌক দুৰ্জ্জন সংহৰি।
সৰ্ব্বকালে ৰাজ্যলক্ষ্মী থাকোক আবৰি॥ ১০২৮

ৰাজা হৈয়া বহুকাল পৃথিৱী পালিবা।
গীত নীতি চিত্তবৃত্তি সমস্তে জানিবা॥
সৰ্ব্বদা কল্যাণে থাকা কৃষ্ণৰ প্ৰসাদে।
একোকালে সমস্তক নোচোক আপদে॥ ১০২৯

এই পুথিখনি ১৭৩৮ শকত লিখা। এইটো পুথি নকলকৰাৰ শকহে, পুথি-লিখা শক নহয়। ১ হাত দীঘল আৰু ৮ আঙুল বহল; ১০০ টা সাঁচিপাতত এই পুথি সম্পূৰ্ণ কৰা হৈছে। একো পিঠিত প্ৰায় ১০ শাৰীকৈ পদ আছে। পুথিত পদৰ সংখ্যা ১০৩০। গুৱাহাটীৰ কামৰূপ অনুসন্ধান সমিতিৰ পুৰণি পুথিৰ ভঁৰালত এই পুথিখনি ৰক্ষিত হৈছিল; কিন্তু ইয়াৰ গৰাকীয়ে পুথিখনি ঘূৰাই খোজাত এটা নকল ৰাখি মূল পুথি গৰাকীক ঘূৰাই দিয়া হৈছে। এইখনি সম্পূৰ্ণ হৰিবংশ নহয়, এচোৱাহে। ইয়াত খাইকৈ ৰাধা-কৃষ্ণৰ লীলা-ৰহস্য বৰ্ণনা কৰিছে। লিখক যে এজন বৈষ্ণৱ কবি আছিল তাক পুথিখনৰ পৰা বুজিব পাৰি। পুথিৰ প্ৰত্যেক আধ্যাৰ শেহত ৰাধা-কৃষ্ণক স্মৰণ কৰি আধ্যা সামৰিছে।

এতিয়া পুথি-লিখাৰ কাল সম্বন্ধে আলোচনা কৰিলে জনা যায় যে ওপৰত তুলি দিয়া পদমতে এই পুথি মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ ৰাজত্বকালত তেওঁৰ পুত্ৰ চাকসিংহ আৰু পটেশ্বৰী প্ৰমদা সুন্দৰীৰ আদেশত শ্ৰীকবিশেখৰ ভট্টাচাৰ্য্য দ্বিজে ৰচনা কৰে। বুৰঞ্জীমতে ৰাজেশ্বৰ সিংহ মহাৰাজ ১৬৭৩ শকৰ পৰা ১৬৯১ শকলৈকে ১৭ বছৰ ৭ মাহ ৰাজত্ব কৰে। তেওঁৰ পিছত ৰাজপাটত বহে, তেওঁৰ ভায়েক মহাৰাজ লক্ষ্মীসিংহ। এইমতে আমি পুথিত উল্লেখ কৰা চাকসিংহক মহাৰাজ হিচাপে নাপাওঁ। কিন্তু বুৰঞ্জীৰপৰা জনা যায় যে মহাৰাজ ৰাজেশ্বৰসিংহৰ মৃত্যুৰ পিছত তেওঁৰ বৰপুতেকক ৰজা পাতিবলৈ ৰাজমন্ত্ৰী বৰগোহাঁই ডাঙৰীয়া প্ৰভৃতি কেতবিলাকে ইচ্ছা কৰিছিল; কিন্তু ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ মৃত্যুকালীন আদেশমতে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা প্ৰভৃতিৰ চেষ্টাত ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ ভায়েক লক্ষ্মীসিংহহে ৰাজ পাটত বহে। আমাৰ কবিয়ে হয়তো ভাবিছিল পিতৃৰজাৰ পিছত পুতেক চাকসিংহ ৰাজপাটত বহিব, আৰু সেইমতে আশীৰ্ব্বাদো কৰি



ছিল। "ৰাজা হৈয়া বহুকাল পৃথিৱী পালিবা," ইত্যাদি। কিন্তু তেওঁ ৰজা হবলৈ নাপালে। এইমতে পুথিলিখা কাল ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ ভোগৰ কালৰ ১৭ বছৰ ৭ মাহৰ ভিতৰত পৰে।

ইয়াৰ বাহিৰে এই পুথিৰপৰা কবিৰ বিষয়ে নাইবা পুথিলিখাৰ ঠিক সময়ৰ বিষয়ে একো জনা নাযায়। উক্ত কবিৰ লিখিত অন্য কিবা পুথিত তেওঁৰ বিষয়ে কোনোবাই কিবা পালে ৰাইজক জনাব বুলি আমি আশা কৰিলো।

শ্ৰীসুকাধৰ শৰ্ম্মা

## শ্ৰীচৈতন্য-প্ৰসঙ্গ

অসমীয়া প্ৰত্নতত্ত্ববিদ্ পণ্ডিত পূজ্যপাদ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই বহুদিনৰ আগেয়ে গুৱাহাটীৰ "বঙ্গীয় সাহিত্য পৰিষৎ"ৰ সভাৰ এক অধিবেশনত "আসামে শ্ৰীচৈতন্য" শীৰ্ষক বঙলা ভাষাত লিখা এটি ঐতিহাসিক প্ৰবন্ধ পাঠকৰা মনত পৰে। শ্ৰীচৈতন্যদেৱক আসামলৈ আনি দামোদৰদেৱক অসমীয়া শঙ্কৰৰ সঙ্গৰ পৰা আঁতৰাই শ্ৰীচৈতন্যৰ শিষ্যত্ব গ্ৰহণকৰাবৰ চেষ্টাৰে অনেক পুৰণি পুথি-পাঁজি ঘাটি, তাৰপৰা নানা বচন উদ্ধাৰকৰি গোস্বামী ডাঙৰীয়াই অতি দক্ষভাৱে সজোৱা পুৰাতত্ত্বপূৰ্ণ উক্ত প্ৰবন্ধটি ১৩২২ সালৰ বঙলা 'সাহিত্য-পৰিষৎ পত্ৰিকা'তো প্ৰকাশিত হৈছিল। বৰ্ত্তমান ১৩৩২ সালৰ ১ম সংখ্যা "মাসিক বসুমতী" কাকতত শ্ৰীযুত বিজয়ভূষণ ঘোষ চৌধুৰী নামেৰে এজন বঙালী লেখকে "অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ সংক্ষিপ্ত ইতিহাস" শীৰ্ষক প্ৰবন্ধৰ বুকত সংক্ষেপকৈ ডুফাকিমান কথা লিখি গোস্বামী ডাঙৰীয়াৰ উক্ত গৱেষণাপূৰ্ণ সুদীৰ্ঘ প্ৰবন্ধটি ফুঁতে উৰাই দিয়া যেন দেখা গল। গোস্বামী ডাঙৰীয়াই বিজয় বাবুৰ প্ৰশ্নৰ উত্তৰ কাটি তেখেতে বহু প্ৰয়ন্ধে 'উপনিত' হোৱা "ঐতিহাসিক তত্ত্ব"ৰ সত্যতা অক্ষুন্ন ৰাখি, ৰাইজৰ মনৰ খুকুৰি গুচাব বুলি আশা কৰি বিজয় বাবুৰ লিখাৰ সাৰাংশফেৰা মাথোন তলত দ'হিয়াই দেখুৱা হল।

"আসামে শ্ৰীচৈতন্য" প্ৰবন্ধ-লিখকে লিখিছিল—"এই দেশে বৈষ্ণৱ ধৰ্ম্মাৱলম্বীৰা কয়েকটি বিশিষ্ট সম্প্ৰদায়ে বিভক্ত যথা—দামোদৰী, মহাপুৰুষীয়া, হৰিদেৱী, এবং চৈতন্যপন্থী।" বিজয় বাবুৱে এই কথাৰ টানি প্ৰতিবাদকৰি কয় যে "হেম বাবু অসমীয়া বৈষ্ণৱ সম্প্ৰদায়েৰ যে ক্ৰমান্বয় উল্লেখ কৰিয়াছেন তাহা অগ্ৰাহ্য।" গোস্বামী ডাঙৰীয়াই যিবোৰ পুথি আৰু জনশ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰীচৈতন্যৰ আসাম-আগমন বাৰ্ত্তা প্ৰচাৰকৰিবলৈ গৈছে, আক্ষেপৰ বিষয়, বিজয় বাবুৱে তাক অপ্ৰমাণিত আৰু কল্পিত বুলি উৰাই দিছে।

গোস্বামী ডাঙৰীয়াই লিখিছিল— 'নীলকণ্ঠ ৰচিত দামোদৰ চৰিত্ৰত এইভাৱে উল্লেখ আছে;—

দামোদৰ পাছে কামৰূপক আসিলা॥
ৰত্নেশ্বৰ গ্ৰামে কতোদিন আছিলন্ত।
তথা হৈতে প্ৰতিদিনে মণিকুটে যান্ত॥
আসিলন্ত চৈতন্য নাৰদ বেশ ধৰি।
দামোদৰ আৰাধিলা ভক্তিভাব কৰি॥
সাক্ষাতে সে বিষ্ণুৰূপ ঋষিয়ে দেখিলা।
জীৱ উদ্ধাৰিতে তাওক তত্ত্বজ্ঞান দিলা॥
পৰম আনন্দে দুয়ো দুইকো আশ্বাসিলা।
তথা হন্তে চৈতন্য যে ওৰেষাক গৈলা॥'

বিজয় বাবুৰ মতে ওপৰত উদ্ধৃত পদ কেইফাকি কোনো নীলকণ্ঠৰ পুথিত নাই। তিনিখন পুৰণি হাতেলিখা পুথিত আৰু শ্ৰদ্ধেয় শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই তেখেতৰ "প্ৰদীপিকা"ত খণ্ড-খণ্ডকৈ প্ৰকাশকৰা নীলকণ্ঠ ৰচিত দামোদৰ চৰিত্ৰতো উক্ত পদ পোৱা নাযায়। *

* সম্প্ৰতি শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ সম্পাদিত আৰু কলিকাতা বিশ্ব-বিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত "অসমীয়া সাহিত্যৰ চানেকী" ওলাইছে। তাৰ ২য় খণ্ডৰ ৩য় ভাগত নীলকণ্ঠৰ দামোদৰ চৰিত্ৰৰ হাৰো লীলাখণ্ড উদ্ধৃত হৈছে। তাতো চৈতন্য-নাৰদ সম্পৰ্কীয় কথাৰ ঘূণাক্ষৰেও উল্লেখ নাই।

শ্রীচৈতন্যৰ আসাম-আগমন প্ৰমাণ কৰিবলৈ গোস্বামী ডাঙৰীয়াই যি "সংসম্প্ৰদায়" পুথিৰ উল্লেখ কৰিছে, সেই পুথি ভট্টদেৱৰ নামে কোনোবাই জালকৈ লিখা অস্বাভাৱিক ধৰণৰ পুথি বুলি প্ৰমাণিত হোৱাত তাৰ প্ৰকাশকক আদালতে দণ্ড বিহে আৰু সেই পুথি নষ্ট কৰিবলৈ হুকুম দিয়ে। "হেম বাবু জানিয়া শুনিয়াও যখন ইহাৰ উল্লেখ কৰিয়াছেন, তখন কি মনে হয়?"

গোস্বামী ডাঙৰীয়াই কৃষ্ণভাৰতীৰ অপ্ৰকাশিত পুথিৰ পৰা কিছুমান বচন আনি তুলি দিছে। এই কৃষ্ণভাৰতী নো কোন আৰু তেওঁৰ পুথি নো কি ধৰণৰ এই বিষয়ে তেখেতে অলপ বহলাই লিখা উচিত আছিল।

আসামলৈ অহা অন্যান্য ধৰ্ম্ম-প্ৰচাৰকসকলৰ কথা তেওঁলোকৰ চৰিতত পোৱা যায়। সুদূৰ দক্ষিণাপথৰ পৰা শঙ্কৰাচাৰ্য্য আহি কামৰূপৰ পণ্ডিতৰ লগত তৰ্ক-কৰা কথাও তেওঁৰ চৰিতত উল্লেখ আছে। শিখগুৰু নানক আৰু তেগ্‌বাহাদুৰ আসামলৈ অহাৰ বিৱৰণো শিখধৰ্ম্মৰ ইতিহাসত (Macauliffe's Sikh Religion Vol. VI) পোৱা যায়। এইবিলাকৰ যেতিয়া উল্লেখ আছে, শ্রীচৈতন্য আসামলৈ অহা হলে তেওঁৰ চৰিততো এই কথাৰ নিশ্চয় উল্লেখ থাকিলহেতেন। "আমৰা প্ৰভুপাদ অতুলচন্দ্ৰ গোস্বামীকে গৌড়ীয় বৈষ্ণৱ ইতিহাসেৰ authority বলিয়া শুনিয়াছি। তিনি বলেন 'শ্রীচৈতন্যেৰ কামৰূপ গমনেৰ কোন বিবৰণ আমি গৌড়ীয় বৈষ্ণৱ শাস্ত্ৰে পাই নাই।" *

শ্রীক্ষেত্ৰধৰ বৰগোহাঁই

---

# দীন-দুখী

বা

## লে-মিজাৰাবল্

পঞ্চদশ অধ্যায়

পাছদিনা জুন মাহৰ ৫ তাৰিখ।

এটা ক্ষীণ আশা লৈ মেৰিয়াছে ককাকৰ ওচৰ চাপিছিল; সলনিত হিয়া-ভগা নিৰাশা লৈ ককাকৰ কাষৰ পৰা উভটি আহিব লগাত পৰিল। তাৰ আশা-ভৰসা উদ্যম-অনুৰাগ সকলো শেষ হৈ অহা যেন লাগিল। জীৱন-মৰণৰ দোমোজাত ঠিয় হৈ ভগ্ন-প্ৰাণ যুৱকে পুৱাৰে পৰা দিনৰে দিনটো বাটে বাটে ঘূৰি ফুৰিলে। ৰাতি হলে কজেটক এবাৰ চাই লব পাৰিব— সেই এটি মাত্ৰ আশাকে সাৰোগত কৰি, ৰাতি হবলৈ বাটচাই ঘূৰি ফুৰিলে। মনে বুজনি নিদিয়ে—দিলেও প্ৰাণে বুজনি নেমানে। সি এবাৰ মাথোন কজেটক দেখিবলৈ পালেই যেন সকলো কৰ্ত্তব্যৰ হাতসাৰি ভৱিষ্যতৰ কাৰণে একাষৰীয়া হৈ ঠিয় দিব পাৰে।

চাওঁতে চাওঁতে নোযোৱা-নুপুৱা দিনটো পলক যুগ কৰি পাৰ হৈ গল। সন্ধিয়া আহিল; সন্ধিয়াৰ পাছত ৰাতি আহিল। মেৰিয়াছৰো মনলৈ অলপ শান্তি আহিল। এখুজি-দুখুজিকৈ আহি ৯ বজাৰ সময়ত মেৰিয়াছ কজেটৰ ফুলনি সোমাল।

এনেতে তাৰ কাণত পৰিল 'গুকম্ গুকম্ গ্ৰুম্'। হিলৈৰ শব্দ। তাৰ পাছতে পেৰীৰ বাটে বাটে প্ৰজাতন্ত্ৰ-বাদীৰ জয়ধ্বনি। মেৰিয়াছ থৰ হৈ পৰিল। গাৰ তেজৰ গতি নতুন হৈ অহা যেন পালে।

* কলিকতা বিশ্ব-বিদ্যালয়ৰ ভূতপূৰ্ব্ব ভাইচচেন্সেলাৰ মাননীয় ছাৰ দেৱপ্ৰসাদ সৰ্ব্বাধিকাৰী মহোদয়েও যোৱা আসাম ছাত্ৰ-সন্মিলনৰ সভাপতি হৈ যোৰহাটলৈ আহোঁতে কথাপ্ৰসঙ্গত কৈছিল বোলে, শ্রীচৈতন্যৰ আসাম-আগমন কথাটো ঐতিহাসিক তথ্য বুলি কোনো বৈষ্ণৱ সাহিত্য বা চৰিত্ৰ পুথিৰপৰা প্ৰমাণ কৰিব পৰা নেযায়।—লিখক



মেৰিয়াছে ফুলনিত সোমাই কজেটক নেদেখি ঘৰৰ কাষ চাপিল। ঘৰৰ দুৱাৰ বন্ধ। সি দুৱাৰত শব্দ কৰিলে। কোনো উত্তৰ নাই। মেৰিয়াছে মাতিলে 'কজেট কজেট!' ভিতৰত কতো সাৰ-সুৰ নাই, কোনো সমিধান নাই। বাটৰপৰা কোনোবাই বিৰিয়াই মাতিলে— "মচিঅ'ৰ মেৰিয়াছ! তুমি কি কৰিছা? এতিয়া আন কামৰ সময় নহয়, জন্মভূমিৰ ৰাক্ষসৰ গৰাহৰপৰা ৰক্ষাকৰা। শুনা নাইনে প্ৰজাতন্ত্ৰবাদীৰ জয়ধ্বনি? আহাঁ, তোমাৰ লগৰীয়াইতে তোমালৈ বাটচাই ৰৈ আছে।" মাতটো ইপনিনৰ যেন লাগিল। মেৰিয়াছ আহি একেলৰে বাট উঠিলহি। কিন্তু বাটত কাকো লগ নেপালে। এটা সৰু লৰা আগে আগে লৰি যোৱা যেন দেখিলে। আকৌ কাণত পৰিল - ফৎ-ফৎ-ফৎ-ফৰ্‌ৰ্‌ৰ্!

১৮৩২ খৃষ্টাব্দৰ ৫ জুন ফৰাছী ৰাষ্ট্ৰ-বিপ্লৱ কাহিনীৰ এটা স্মৰণীয় দিন। প্ৰজাতন্ত্ৰবাদীৰ ভিতৰি ভিতৰি উমাইথকা জুই সেই দিনা হঠাৎ জ্বলি উঠিল। ফিৰিঙতিৰ পৰা খাণ্ডৱ-দাহৰ উপক্ৰম হল। জেনেৰেল লামাৰ্কৰ শশ্মান-যাত্ৰাৰপৰাই এই ফিৰিঙতি উফৰি আহিল। আগদিনা আবেলি জেনেৰেল লামাৰ্কৰ মৃত্যু ঘটে। তেওঁ ৰাজ-তন্ত্ৰদলৰ এজন নামজ্বলা কৰ্ম্মচাৰী। দুদল অশ্বাৰোহী আৰু পদাতি সৈন্যই গাজনে-বাজনে তেওঁৰ শৱ শ্মশানলৈ আগবঢ়াই লৈ গৈছিল। বিৰদি বাট-পাবলৈ নোহোৱা মানুহৰ ভিৰৰ মাজত হঠাৎ প্ৰজা-তন্ত্ৰ-দলৰ লগত ৰাজকৰ্ম্মচাৰীইতৰ সামান্য সংঘৰ্ষণ হয়। তাতে দুয়ো দলৰ মাজত এখন তুমুল সংগ্ৰামৰ সৃষ্টি হল। জাকে জাকে লৰা-ডেকা আহি বিপ্লৱবাদীদলত যোগ দি অম্লানবদনে দেশৰ হকে, ন্যায্য অধিকাৰৰ কাৰণে, প্ৰাণ দিবলৈ ওলাল। নগৰত হুল-স্থুল লাগি গল। সেইহে জয়ধ্বনিৰ পাছত জয়ধ্বনি, হিলৈৰ গুকম্-গুকম্ গ্ৰুম্! বন্দুকৰ ফৎ-ফৎ-ফৎ ফৰ্‌ৰ্‌ৰ্!

ক্ৰমে ক্ৰমে জয়ধ্বনি ঘনাই আহিল। বন্দুক-হিলৈৰ শব্দই কাণ ফালো যেন কৰিলে। ঘোঁৰাৰ ডেঁডনি, মানুহৰ বিননিত গছৰ পাত সৰিবলগা হল। নগৰ জুৰি কোলাহল—কালৰ তাণ্ডৱ নৃত্য! এনেতে এটা সৰু লৰাই হাতত পিস্তল এটা লৈ দেওদি দেওদি গাই গল—

"শত্ৰুৰক কাটিবি
শত্ৰুকক মাৰিবি
শত্ৰুকক নিদিবি ঠাই;
শত্ৰুক থাকিলে
দুবেলা দুমুঠি
খাকিও পাবলৈ নাই।"

লৰাটোৰ কাপোৰ-কানি এটাইবোৰ ফটা-চিটা।

লৰাটো গেভৰক। সি ৰণ-যাত্ৰী।

গেভৰকে সেই আলহী লৰাহুটিক তাৰ ভায়েক বুলি সপোনতো ভবা নাছিল। বিধিৰ বিচিত্ৰ বিধান! ৰাতি তাৰ দুৰ্ব্বলনীয়া ভায়েকহুটিক সি আলহী পুহিলে; পুৱালৈ বাপেকক ফাটেকৰপৰা পলুৱাই আনিলে। বাপেকক ফাটেকৰ পৰা পলুৱাই আনিয়ে অলপ পাছতে সি হাঁতীটোৰ গুৰিলৈ গৈ লৰাকেটাক জগাই হাঁতীৰ পৰা নমুৱাই আনিলে। আগদিনাৰ দৰেই গুকান কটিৰে পুৱাৰ সাঁজ সমাধাকৰি লৰাহালক সিহঁতৰ মৰমিয়াল মাক পেৰী ছহৰৰ আলি-পদূলিৰ হাতত গতাই দি সি নিজৰ কামত গুচি গল। ৰাজআলিত সৰু লৰাহালক এৰি দিবলৈ গেভৰকৰ মনত অকণো সঙ্কোচ নহল। কাৰণ সি নিজেই আলিপদূলিৰ কোমল কোলাতেই ডাঙৰ-দীঘল হোৱা। যাবৰ সময়ত সিহঁতক কৈ গল— "লৰাইত, তহঁতে ভয় নকৰিবি। যদি মাৰ-বাপেৰক বিচাৰি নেপাব, ৰাতি হলে আকৌ ইয়াল'কে আহিবি। মই খুৱাই-বুৱাই তহঁতক শুৱাই থম। আহিবি দেই।" লৰাহাল সুভটিল। পুলিছে নি সিহঁতক কৰবাৰ অনাথ আশ্ৰমতে থলে নে কোনোবাই চুৰকৰিয়ে নিলে, কোনেও একো কব নোৱাৰে। যেই হক, সিহঁত অচিনতাৰ বুকত মিলি গল। এই অচিনতাৰ সন্তান-সন্ততিৰেই জগতৰ সমাজৰ নিম্নস্তৰবোৰ গঠিত হৈ আহিছে। গেভৰকে সিহঁতক আৰু নেদেখিলে। কেবাদিনো সি মূৰ খজুৱাই খজুৱাই নিজক নিজে সুধিছিল—"মোৰ লৰাহাল নো কলৈ গল?" গেভৰকে মহা উৎসাহেৰে

বিপ্লববাদীইঁতৰ দলত যোগ দিলে। তাৰ উলহ-মালহ দেখি মানুহে আচৰিত মানিলে।

*    •    •

বিপ্লববাদীদলৰ নেতা এঞ্জল্‌ৰাছ, কৰফেয়াক, কম্‌ফাৰ আদি এটাইকেজন ডেকাই মেৰিয়াছৰ সমনীয়া সহপাঠী আৰু বন্ধু। ডেকাকেজনেই যুদ্ধৰ গতি পৰিচালনা কৰিছে। ভৈৰৱ হুঙ্কাৰে যুদ্ধ চলিল। মৰা মৰিছে, পলোৱা পলাইছে। পুলিছ ইন্স্‌পেক্টৰ জাভেয়াৰে দূৰে দূৰে এদল সেনা লৈ এই নেতাবিলাকক বন্দী কৰিবলৈ ছল-বিচাৰি মদৰ দোকান এখনত সোমাই যুদ্ধৰ গতি-গোত্ৰ চাই আছিল। গেভৰকৰ চকুত জাভেয়াৰে ধূলি মাৰিব নোৱাৰিলে। দেখামাত্ৰকে গেভৰকে জাভেয়াৰক চিনি পেলালে আৰু এঞ্জল্‌ৰাছক লগাই দিলে। বাঘ জালত পৰিল। জাভেয়াৰ খন্তেকৰ ভিতৰতে বন্দী হল। হাত-ভৰি বান্ধি জাভেয়াৰক পেলাই থৈ এঞ্জল্‌ৰাছইঁত আকৌ ৰণত লাগিল। নিৰুপায় পুলিছ কৰ্ম্মচাৰী নিৰ্ভীকভাৱে মৰণলৈ বাটচাই পৰি থাকিল। ৰাজতন্ত্ৰদলৰ কোনেও এক গমকে ধৰিব নোৱাৰিলে।

*    •    •

সন্ধিয়াও চকামকাকৈ দেখা লৰাটোৰ কথাকেষাৰ মেৰিয়াছৰ মনত নিয়তিৰ আদেশ যেন লাগিল। মেৰিয়াছৰ জীৱনলৈ বিৰাগ হৈছিল, সি মৰিবলৈ বিচাৰিছিল, মৰণৰ সুযোগ উপস্থিত হল। সি কবৰৰ দুৱাৰত ঢকিয়াই দিলে, কবৰৰ ভিতৰৰপৰা কোনোবাই অদৃশ্যভাৱে তাৰ হাতত কবৰৰ চাবি দি গলহি। নিৰাশাৰ এন্ধাৰত এনে চকামকা পোহৰ বৰ লোভনীয়। মেৰিয়াছে বিপ্লব-বাদীদলত যোগ দিলেহি। তাক মৰণ লাগে।

গেভৰকে প্ৰহৰীৰ কাম কৰি ঘূৰি ফুৰিছে। দেৱালৰ ওপৰত উঠি ক'ত কেনি শত্ৰুৰ সেনাই খোপ লৈছে সি তাৰ খবৰ দিছে। একো-একোবাৰ সি উলাহত দেও দি নাচিছে, একো-একোবাৰ সুহৰি মাৰি মাৰি এঞ্জল্‌ৰাছইঁতক শত্ৰুৰ গতি-বিধিৰ খবৰ দিছে। মেৰিয়াছে থুজকৰি কৰি আহি থাকোঁতে এবাৰ শুনিবলৈ পালে— লৰা এটাই দেৱাল এখনৰ ওপৰত উঠি গাব লাগিছে—

"দূৰলৈ নেযাবি    ভালকৈ থাকিবি
কাষত পহমৰা জাল
ভৰিৰে খোপনি    ভালকৈ ৰাখিবি
মাজত বুৰি মৰা খাল।"

মেৰিয়াছে লৰাটোৰ ফালে চাই পঠিয়ালে। গেভৰকক চিনিপাই মেৰিয়াছ আচৰিত হল।

•    •    •

ৰাতি দহ বাজি গল। মেৰিয়াছ যুজত আপোন-পাহৰা। তেতিয়াও জয়-পৰাজয়ৰ একো নিৰ্ণয় হোৱা নাই। মৰাশৰ ওপৰত মৰাশ। মৰাশৰ ওপৰতেই মেৰিয়াছ ঘূৰি ফুৰিছে। এনেতে কোনোবাই শেহাই শেহাই 'মছিঅ'ৰ মেৰিয়াছ' বুলি মতা তাৰ কাণত পৰিল। মেৰিয়াছ চক্‌খাই উঠিল। এই একেটা মাতেই তাক এঘণ্টাৰ আগতে 'ৰুদি প্লুমে'ৰ ফুলনিৰপৰা অসীম উদগনি দি যুদ্ধক্ষেত্ৰত মৰণৰ কোলালৈ মাতি লৈ আহিছিল। মেৰিয়াছৰ বুকু কঁপি উঠিল।

"মছি অ'— ৰিয়াছ!" আকৌ ক্ষীণ অথচ স্পষ্ট কণ্ঠস্বৰ। মেৰিয়াছে ঘূৰাই-পকাই কেউফালে চাবলৈ ধৰিলে।

তলৰপৰা মাত আহিল—"মেৰিয়াছ! মই তোমাৰ ভৰিৰ তলত।"

মেৰিয়াছে কুঁজা হৈ তলৰ ফালে জুমিবলৈ ধৰিলে। দেখিলে— এখনি শেঁতা মুখ পৰি আছে। মেৰিয়াছক দেখি অলপকৈ মূৰটো দাঙি মুখখনিয়ে মাত দিলে— "মেৰিয়াছ, তুমি মোক চিনিপোৱা নাই।"

"উহোঁ! নাই পোৱা।"

"মই ইপনিন।"

মেৰিয়াছে বৰ হেপাহেৰে মুখখন জুমিবলৈ ধৰিলে। মটাৰ সাজ-কাপোৰ পিন্ধি হতভাগিনী ইপ্‌নিন মাটিত পৰি আছিল। তাই ৰণত আহত হৈছে। কিবা এটা নজনা ভয়ে মেৰিয়াছৰ বুকু কঁপাই পেলালে।

ইপ্‌নিন মেৰিয়াছৰ প্ৰেমমুগ্ধা। মেৰিয়াছক কজেটৰ প্ৰণয়াসক্ত দেখি ইপ্‌নিনৰ হিয়া ভাগি গল। তাই নিৰাশাৰ কঠোৰ আঘাত বুকুপাতি সহিব নোৱাৰিলে।



জীৱনৰ অতৃপ্ত বাসনাৰ পূৰ্ণ হোৱা আগন্তুক নেদেখি ইপ্‌নিনে প্ৰেমৰ যজ্ঞত প্ৰাণৰ আহুতি দিবলৈ ৰণ-ক্ষেত্ৰ সোমালহি। তাই জানিছিল—মেৰিয়াছো ৰণলৈ আহিব। জীৱনত নহলে মৰণতেই মেৰিয়াছৰ লগৰীয়া হোৱাৰ বিৰহিনী আশাই ইপ্‌নিনক ৰণক্ষেত্ৰলৈ লৈ আহিল। ইপনিনে আহিবৰ সময়ত মেৰিয়াছক কজেটৰ দুৱাৰমুখত দেখি ৰিঙিয়াই ৰণলৈ মাতি আহিছিল।

মেৰিয়াছে ইপ্‌নিনৰ মুখখনৰ ফালে একেৰাহে চাই মাত দিলে—"তুমি ইয়ালৈ কিয় আহিছিলা, ইপ্‌নিন! তুমি ইয়াত কি কৰিছা? তোমাৰ কি হৈছে?"

"মই মৰিছো।"

দুটা এটা এনেকুৱা কথা আছে যাৰ সঞ্জীৱনী-শক্তিত ভগাহিয়া জোৰাখাই আহে। মেৰিয়াছে ইপ্‌নিনৰ উত্তৰ শুনি চিয়ঁৰি উঠিল—"কি, তুমি আহত হৈছা! ৰবা, মই তোমাক সৌ মদৰ দোকানখনলৈ লৈ গৈ ঘাডোখৰ বান্ধি-ছাতি দিওঁগৈ। ক'ত দুখ পালা—?" এই বুলি মেৰিয়াছে ইপ্‌নিনৰ গাৰ তলেদি তাৰ হাত এখন সুমুৱাই দি তাইক দাঙিবলৈ বিচাৰিলে। তাই বিকটভাৱে চিয়ঁৰি উঠিল।

"দুখ—দুখ-পালা? মই তোমাক হাতখনত হে ধৰিছিলো!"

তাই হাতখন দাঙি মেৰিয়াছক দেখুৱালে। হাতখনত এটা প্ৰকাণ্ড বিন্ধা।

"হাতত কি হল?"

"বিন্ধিলে।"

"কিহে?"

"গুলিয়ে।"

"কেনেকৈ?"

"সিহঁতৰ মানুহ এটাই তোমাৰ বুকলৈ গুলি টোঁৱাইছিল। মই তোমাৰ বুকত গুলি লাগে বুলি হাতখনেৰে বন্দুকৰ নলাটো খাপমাৰি ধৰিলো; গুলি মোৰ হাতেদি সৰকি গল।"

"এনে বলিয়ালি কৰিবলৈ তোমাক কিহে পাইছিল? তুমি বলিয়া! ৰবা, এতিয়া তোমাক লৈ যাওঁ; দৰৱ-জাতি দি হাতখন বান্ধি দিওঁগৈ।"

"গুলি হাতেদি ওলাই বুকেদি সৰকি গৈছে। এতিয়া পতি কৰিলে কি হব? মোক ইয়াৰ পৰা নিনিবা। ডাক্তৰে যি কৰিব, ইচ্ছা কৰিলে তুমি মোক তাতকৈ বেছি সুখী কৰিব পাৰিবা। কৰিবানে তুমি? বহাঁ, বহাঁচোন মোৰ ওচৰতে।"

মেৰিয়াছ বহি পৰিল। তাই মেৰিয়াছৰ কোলাত মূৰটি তুলি দিলে। মেৰিয়াছৰ ফালে নোচোৱাকৈয়ে তাই কবলৈ ধৰিলে—"কেনে কোমল! কেনে ভাল! এতিয়া মই অকণো দুখ পোৱা নাই, কতো অকণো বিষোৱা নাই।"

তাই আবেগত মাজে মাজে বহিবলৈ বিচাৰিলে। কিন্তু মৰণে তাইক দুৰ্ব্বল কৰি আনিলে। কণ্ঠস্বৰ ক্ষীণ হৈ আহিল, মাজে মাজে একো-একোবাৰ হঠাৎ একেবাৰে বন্ধ হৈ পৰিছিল। এবেঁল তাই মেৰিয়াছৰ মুখৰ শুৱিলৈ মুখখন নি বৰ আস্তে-ব্যস্তে মাত দিলে— "মেৰিয়াছ, তোমাৰ চিঠি এখন কালিৰে পৰা মোৰ হাতত আছে। মোক কজেটে ডাকত দিবলৈ দিছিল। তুমি পোৱা বুলি মই ডাকত দিবলৈ নহল। আমি আকৌ যেতিয়া একেলগ হম তেতিয়া তুমি ইয়াৰ কাৰণে মোক খং নকৰিবা দেই! আমি অলপতে দুয়ো একেলগ হম, নহয়নে বাৰু? নিয়া, তোমাৰ চিঠিখন নিয়া।"

তাই চিঠিখন ব্লাউছৰ জেপত ভৰাই লৈ ফুৰিছিল। মেৰিয়াছৰ হাতখন নি তাই জেপত লগাই দিলে। মেৰিয়াছে চিঠিখন উলিয়াই আনিলে।

"এতিয়া মোক তোমাৰ চিঠি অনাৰ বাবে কি দিবা?"

"কি লাগে তোমাক?"

"দিবা সঁচাকৈয়ে?"

"দিম, কোৱাঁ।"

"শপত খোৱা!"

"খাইছো।"

"মেৰিয়াছ, মই মৰিলে তুমি মোৰ কপালত এটি চুমা দিবা; মই যেন মৰণৰ পাছতো তাৰ পৰশ অনুভৱ কৰিব পাৰো।"

ইপনিনৰ শৰীৰ অৱশ হৈ আহিল। তাইৰ চকু যেন মুদখাই আহিল। তাই বলেৰে চকু দুটা মেলি মেৰিয়াছলৈ একেৰাহে চাই কৈ গল—"মেৰিয়াছ—তেন্তে তুমি এতিয়া বুজিব পাৰিলা—মই তোমাৰ প্ৰেম-ভিখাৰিণী আছিলো!"

মেৰিয়াছৰ চকুৱে ইপনিনৰ কথাৰ সমিধান জনালে! ইপনিনৰ সৰু ওঁঠদুটিত এটি হাঁহিৰ ৰেখ ফুটি উঠিল। হাঁহিটি আধাফুটা হওঁতেই ওঁঠৰ হাঁহি ওঁঠতে মাৰ গল। মেৰিয়াছৰ কোলাত মূৰটি থৈ ইপনিন চকুমুদিলে—আৰু নেমেলিবলৈ। জীৱনৰ বন্তিগছি নুমাই থাকিল।

মেৰিয়াছে তাৰ শপতৰ কথা নেপাহৰিলে। মেৰিয়াছে বৰ সাদৰ আৰু ভক্তিৰে সেই ঘামৰ কণিকাৰে ফুলবছা শেঁতা চেচা কপালখনিত এটা শেষ বিদায়ৰ বিষাদভৰা চুমা থাপি দিলে। কব নোৱাৰি, সেই চুমাৰে মেৰিয়াছে কজেটৰ ওচৰত কিমান অবিশ্বাসিনী হল! কিন্তু জীৱনৰ অপূৰণ বাসনা পূৰ্ণকৰি সেই চুমাটিয়ে যে এটি সিপুৰীত থকা অশান্ত আত্মাক অকণি শান্তি-দিছিল, তাত তিলমানো সন্দেহ নাই। মেৰিয়াছ লাহেকৈ ইপনিনৰ মূৰটি কোলাৰ পৰা নমাই থৈ, চিঠিখন পঢ়িবলৈ আঁতৰি গল। ইপনিনৰ শৱৰ সম্মুখত কজেটৰ চিঠি পঢ়িবলৈ মেৰিয়াছৰ সাহ নহল।

৩ তাৰিখৰপৰাই ইপনিনে দুটা কামৰ কাৰণে নেৰা-নেপেৰাকৈ লাগি আছিল। প্ৰথমতে, বাপেকক কজেটৰ ঘৰত ডকাইতি কৰিবলৈ নিদিয়া; দ্বিতীয়তে কজেট-মেৰিয়াছক আঁতৰোৱা। প্ৰথমটো সাধনৰ কাৰণে তাই পুৱা-গধূলি বাপেকৰ গতি-বিধি লক্ষ্যকৰি কজেটৰ ঘৰৰ আগত পহৰা দিবলৈ ধৰিছিল আৰু দ্বিতীয়টোৰ কাৰণে তাই আকাৰে-ইঙ্গিতে ভেলজঁৰ মনত সন্দেহৰ ছাঁ পেলাবলৈ লাগিছিল। তাই দুয়োটাতে একপ্ৰকাৰ কৃতকাৰ্য্যও হৈছিল। টেনাৰ্ডিয়েই কজেটৰ ঘৰত সিন্ধিদিবলৈ সাহ নকৰিলে—ভেলজঁয়ো বিপদ আশঙ্কা কৰি ফ্ৰান্স এৰি ইংলণ্ডলৈ যাবলৈ ওলাল। ৪ তাৰিখৰ দিনা ভেলজঁই ফ্ৰান্স এৰিবাবলৈ ঠিক কৰিলে। কজেটে বাপেকৰ কথা শুনি তেতিয়াই মেৰিয়াছলৈ খবৰ দিবলৈ এখন চিঠি লেখিলে। কিন্তু চিঠি দিয়ে কেনেকৈ? চিঠি ডাকত দিব লাগিব। ডাকঘৰলৈ চিঠি কাৰ হাতত দিব? কেতিয়াও কজেটে অকলে ঘৰৰ বাহিৰ হোৱা নাই। লিগিৰীৰ হাতত দিবলৈকো তাই এনে আগে-পাছে নোহোৱা কথা হোৱা দেখি ভেলজঁৰ আগত লগাই দিব পাৰে। কজেট নিৰুপায় হল। ইপিনে সেইদিনাই সিহঁত ৰাওনা হব। এনে সময়তে ইপনিনক নঙলামুখত দেখাপাই কজেটে ৫ ফ্ৰাঁৰ মোহৰ এটাৰে সৈতে চিঠিখন ইপনিনৰ হাতত দি ডাকত দিবলৈ পঠিয়াই দিলে। ডাক-টিকটৰ খৰচবাদে বাকীখিনি ইপনিনৰ মজুৰি। ইপনিনে তেতিয়া মটাৰ সাজ পিন্ধি, ভেশচন কৰি তাত পহৰা দি ফুৰিছিল। চিঠি ডাকত দিয়া নহল। ঈৰ্ষাৰ অগ্নিত তেতিয়া তাই জ্বলি-পুৰি এধা-মৰা।

মেৰিয়াছে গছ-বন্তি এটাৰ কাষলৈ গৈ চিঠিখন উলিয়াই ললে। শিৰোনামাটো লেখিছিল—

"মছিঅ'ৰ, মছিঅ'ৰ পণ্টমাৰ্ছিলৈ

মছিঅ'ৰ কৰফেয়াকৰ ঘৰ। ১৬ নং ৰু দি লা ৰেৰেৰি।"

শিৰোনামাটো দেখিলেই মাইকী মানুহৰ লিখা চিঠি বুলি স্পষ্ট বুজিব পাৰি। মেৰিয়াছে চিঠিখন মোকোলাই পঢ়িবলৈ ললে—

"সাদৰি মোৰ—

কি কৰিম! দেউতা এতিয়াই যাবলৈ ওলাল। আজি গধূলিকৈ ৭নং ৰু দি হোম আৰ্ম্মত থাকিমগৈ। এসপ্তাহৰ ভিতৰতে লণ্ডন পামগৈ—কজেট। ৪ জুন।"

বিশুদ্ধ প্ৰেমতকৈ আৰু স্বৰ্গীয় বস্তু কি হব পাৰে! এই প্ৰাণীদুটিৰ প্ৰেম ইমান নিৰ্ম্মল আছিল যে, ইটিয়ে আনটিৰ হাতৰ আখৰকিটিও ইমানদিনে চিনিপোৱা নাছিল। মেৰিয়াছে চিঠিখনত লুটিয়াই-বগৰাই চুমা খালে। আনন্দত চকুদুটি চলচলীয়া হৈ আহিল। প্ৰেমৰ মহা দাবানলত নিজৰ ব্যৰ্থ জীৱন আহুতি দিবলৈ মেৰিয়াছ সাজু হৈ আহিছিল, জগতৰ ওচৰত এবাৰ শেষ বিদায় লৈ আহিছিল; কিন্তু চিঠিখন পাই জানো কি এক সুকোমল আকৰ্ষণৰ টান পৰিল—মেৰিয়াছে আকৌ এবাৰ সতৃষ্ণনয়নে পৃথিৱীৰ ফালে চাই পঠিয়ালে। কজেটৰ



করুণ নয়নদুটি মনত পৰিল। কজেটলৈ মনত পৰি মেৰিয়াছ কিজানি এখন্তেকলৈ হলেও মৰিবলৈ পিছহুঁহকি আছিল। কিন্তু এই আকৰ্ষণ বেছিপৰ তিষ্ঠিব নোৱাৰিলে। মেৰিয়াছৰ মন ক্ৰমশঃ আকৌ দৃঢ় হৈ আহিল। মেৰিয়াছ মৰিবই লাগিব। কিন্তু সি মৰাৰ আগতে দুটা কাম কৰি যাব। কজেটক—তাৰ জীৱনৰ জীৱন কজেটক—শেষ বিদায় জনাই যাব আৰু, পাৰে যদি, মৃত্যুৰ মুখত দেওদিফুৰা তাৰ পিতৃ-বন্ধু টেনাৰ্ডিয়েৰ পুতেক গেভৰকক আসন্ন বিপদৰ গৰাহৰপৰা একৱাই থৈ যাব। মেৰিয়াছে তাৰ জেপৰপৰা সৰু বহী এখন উলিয়ালে। তাৰে কাগজখন ফালি লৈ পেন্সিল এডালেৰে লেখিবলৈ ধৰিলে—

"আমাৰ বিয়া অসম্ভৱ। ককা-দেউতাই সম্মতি নিদিলে। মোৰো ধন-সম্পত্তি নাই—তোমাৰো নাই। মই তোমালোকৰ ঘৰলৈ গৈছিলো; তোমাক দেখা নেপালো। মোৰ প্ৰতিজ্ঞাৰ কথা মনত থাকিব পায়। মই প্ৰতিজ্ঞা ৰাখিলো—মৰিবলৈ ওলাইছো। মই তোমাক ভাল পাওঁ। যেতিয়া তুমি চিঠিখন পাবা—তেতিয়া অশৰীৰী মই তোমাৰ কাষত ঠিয় হৈ তোমাৰ আশীষ কামনা কৰিম।"

কাগজখন জাপি ওপৰৰ ঠিকনা লেখিছে—

"মেডমজেল কজেট ফকলভেণ্ট।

মছিঅ'ৰ ফকল-ভেণ্টৰ ঘৰ।

৭নং ৰু দি লা হোম আৰ্ম্ম।"

তাৰ পাছত তাৰ বহীটোৰ প্ৰথম পাতটোত লেখিলে—'মোৰ নাম মেৰিয়াছ পণ্টমাৰ্ছি। মোৰ শ' মোৰ ককা-দেউতা মছিঅ'ৰ জিল নৰমেণ্ডৰ ৬নং ৰু দি ফিলে কেল-ভেয়াৰলৈ লৈ যাব।'

মেছিয়াছে বহীটো জেপত সুমুৱাই থৈ গেভৰকক বিত্তিয়াবলৈ ধৰিলে। শুনা মাত্ৰকে গেভৰক ঢপলিয়াই আহিল। কজেটলৈ লেখা চিঠিখন গেভৰকৰ হাতত দি ঠিকনাৰ কথা বুজাই দিলে। গেভৰকৰ চিঠি দিবলৈ যাবলৈ মন নাছিল। গলে তাৰ কামখতি হয়। মেৰিয়াছে বুজুৱ'-বৰোৱাৰ পাছত সি মূৰ খজুৱাই খজুৱাই উত্তৰ দিলে—"কাইলৈ পুৱা দিলে নহবনে? এতিয়া পহৰা থাকিব কোন?"

"এতিয়া গলেও চিঠি আজি দিব নোৱাৰ। কাইলৈ পুৱাহে দিব পাৰিবি। ইমান ৰাতি চিঠি দিবলৈ কৰ মানুহ পাবি, কিন্তু পুৱা হলে তই ইয়াৰপৰা ওলাবি কেনেকৈ? শত্ৰুৱে কেউফালে বেৰি ধৰিব।"

গেভৰ'ক নিৰুপায় হৈ যাবলৈ ওলাল। মেৰিয়াছে ভাবিলে, সি কজেটকো বিদায় জনালে, গেভৰ'ককো লগে লগে ৰক্ষা কৰিলে। গেভৰ'কে ভাবিলে—"এতিয়াও মাজনিশা হোৱা নাই। বেছি দূৰো নহয়। মই এতিয়াই চিঠি দি আহি এতিয়াই কামত লাগিবহি পাৰিম।"

* * *

সেইদিনা গধূলি ভেলজঁই ৰু দি হোম আৰ্ম্মত সান্ধ্য-ভোজনৰ পাছত ঘৰৰ ভিতৰতে ঘূৰি ফুৰোতে এবাৰ হঠাৎ আৰ্ছিখনৰফালে চায়ে থমকি ৰৈ পৰিল। হেলনীয়াকৈ আঁৰি থোৱা আৰ্ছিখনত কিছুমান আখৰৰ প্ৰতিবিম্ব পৰিছে। আখৰবোৰ সুন্দৰকৈ পঢ়িব পাৰি। তেওঁ আৰ্ছিখনত পঢ়ি গল—

"সাদৰি মোৰ,

কি কৰিম! দেউতা এতিয়াই যাবলৈ ওলাল। আজি গধূলিকৈ ৭নং ৰু দি হোম আৰ্ম্মত থাকিমগৈ। এসপ্তাহৰ ভিতৰতে লণ্ডন পামগৈ—কজেট। ৪ জুন।"

ভেলজঁই কেউফালে ঘূৰাই-পকাই চাবলৈ ধৰিলে। এই প্ৰতিবিম্ব কৰপৰা আহিল? আৰ্ছিখনৰ কাষত থকা টেবুলখনৰপৰা আৰ্ছিখনত প্ৰতিবিম্ব উঠিছে। চিঠিখন টোকা কাগজখনত শুকুৱা হৈছিল। ভেলজঁৰ মূৰত সৰগ ভাগি পৰিল। তেওঁ হতাশ হৈ কাষৰ চকি এখনত বহি পৰিল। এটি জীৱন-সৰ্ব্বস্ব প্ৰিয়বস্তুৰ হানি মানুহৰ চৰম অগ্নিপৰীক্ষা। কজেট ভেলজঁৰ জীৱনৰ একমাত্ৰ সম্বল। কজেট যে ভেলজঁক এৰি যাবলৈ ওলাল!

গভীৰ চিন্তা-ভাবনাৰ মাজত মানুহৰ এনে কিছুমান শাৰীৰিক পৰিচালনা হয়, যিবোৰ কথা মানুহজনে একো তত ধৰিব নোৱাৰে। ভেলজঁই এই চিন্তা-ভাবনাৰ মাজতে কব নোৱৰাকৈয়ে যন্ত্ৰ-চালিতৰ দৰে ঘৰৰ

বাহিৰ হল আৰু অলপ সময়ৰ ভিতৰতে আহি তেওঁ জপনা-মুখত থকা বেঞ্চখনৰ ওপৰত বহি পৰিলহি।

ভেলজ্‌ইঁ তাত এইদৰে কিমানপৰ বহি আছিল কব নোৱাৰে। তেতিয়া বাট-পদূলিত এটি প্ৰাণীও দেখিবলৈ নাই। ভেলজ্‌ঁ বহি থকা অৱস্থাত কোনো মানুহে দেখা পোৱা হলেও কোনেও মানুহ বুলি চিনি নেপালেহেঁতেন। ভেলজ্‌ঁ অলৰ-অচৰ হৈ বেঞ্চখনৰ ওপৰত এটা প্ৰস্তৰ মূৰ্ত্তিৰ দৰে বহি আছিল। কাষৰৰ ছেণ্ট-পলৰ গীৰ্জ্জাৰ ঘৰিত টংটংকৰে ১১ বাজিল। দূৰতে থাকি থাকি যুদ্ধৰ কামানে গুরুম গুরুম্ শব্দ কৰি নৈশ নিস্তব্ধতা ভেদি টোপনিত অচেতন হৈ থকা মানুহকো চকখুৱাই তুলিলে। ভেলজ্‌ঁৰ হলে সাৰ-সুৰ নহল। এনেতে এটি লৰা আহি গছ-বন্তিত চিকিমিকি পোহৰত ঘৰৰ গাত থকা নম্বৰবোৰ জুমি-জামি চাবলৈ ধৰিলে। লৰাটো ফোপাই-জোপাই আহিছিল। লৰাটো ভেলজ্‌ঁৰ কাষেদি পাৰ হৈ যাওঁতে তাৰ ঘনাই ঘনাই লোৱা উশাহ-নিশাহত ভেলজ্‌ঁৰ চেতনা আহিল। তেওঁ লাহেকৈ মূৰ দাঙি লৰাটোৰ ফালে চাই পঠিয়ালে। লৰাটোক ঘৰৰ নম্বৰ বিচাৰি ফুৰা দেখি ভেলজ্‌ইঁ তাক 'কি বিচাৰিছা' বুলি সোধাৰ লোভ সামৰিব নোৱাৰিলে। কিহবাই তেওঁক বলেৰে কোৱাই দিলে—"তোমাক কি লাগে?" লৰাটো গেভৰ'ক।

"তোমাক কি লাগে?"

"একো নেলাগে—আপুনি এইফালেই থাকেনে কি?"

"থাকো। কেলেই?"

"সাত নম্বৰ ঘৰ কোনটো?"

"কি—সাত নম্বৰ ঘৰ?"

কথাষাৰ শুনি গেভৰ'কৰ খোতা-মোতা লাগিল—জানোচা সি কৰনলগা ভিতৰুৱা কথা সোপাকে কৈ দিলে। প্ৰত্যুৎপন্নমতি ভেলজ্‌ইঁ তৎক্ষণাৎ প্ৰশ্ন কৰিলে—"তুমি এখন চিঠি লৈ আহিছা নহয় নে? মই চিঠিখনলৈকে বৈ আছো।"

"তোমালৈ? তুমি মটা মানুহ হে!"

"চিঠিখন মেডমজেল কজেটলৈ নহয়নে?"

"কজেট? হব পায়।"

"তেনেহলে চিঠিখন মোৰ হাতত দিয়া।"

"তেনে তুমি মই যুদ্ধৰ পৰা আহিছো বুলি গম পাইছা?"

"কেলেই নাপাম!"

গেভৰ'কে চিঠিখন উলিয়াই ভেলজ্‌ঁৰ হাতত দি কলে—"তোমাক দেখোতে সাধুমানুহ যেন লাগিছে। বাৰু মই যাওঁহে।"

গেভৰ'ক নেদেখা হবলৈ পাওঁতে কি নোপাওঁতেই ভেলজ্‌ইঁ চিঠিখন পঢ়ি পেলালে। চিঠিখনৰ একাকি কথাই ভেলজ্‌ঁক এক অপূৰ্ব্ব শান্তি দান কৰিলে; ভেলজ্‌ইঁ যেন স্বস্তিৰ নিশ্বাস পেলালে।

"——মই মৰিবলৈ ওলাইছো। যেতিয়া তুমি চিঠিখন পাবা—" ঘনে ঘনে ভেলজ্‌ঁৰ চকুত স্পষ্টৰ পাছত আৰু স্পষ্ট হৈ জিলিকি উঠিল। ভেলজ্‌ঁৰ মনত কিবা এটা নজনাবিধৰ আনন্দই লুকা-ভুমুকা কৰিবলৈ ধৰিলে। যিটো মানুহে কজেটক তেওঁৰ বুকুৰ পৰা আজুৰি একৰাই নিবলৈ বিচাৰিছিল—সি মৰিবলৈ ওলাইছে। কজেট তেনেহলে তেওঁৰ একচেতীয়া সম্পত্তি হৈ থাকিব। ভেলজ্‌ঁৰ চকুৰ আগত আকৌ এখনি সুন্দৰ সুখৰ ভৱিষ্যত মুকলি হল। তাত আপদ নাই, বিপদ নাই, আছে কেৱল কজেটৰ হাঁহিভৰা মুখ আৰু ভেলজ্‌ঁৰ বিমল আনন্দৰ ঢুকুলডকা ঢৌ। ভেলজ্‌ইঁ ঘৰৰ ফালে খোজ ললে। ভেলজ্‌ঁ ভিতৰ সোমাইছে মাথোন, এনেতে কাণত পৰিল কামানৰ শব্দ—গুরুম্ গুরুম্ গুম! ভেলজ্‌ঁ ঠিয় হৈ বৈ থাকিল। কিবা এটা সুৰঁৰি তেওঁৰ শৰীৰ শিয়ঁৰি উঠিল।

এঘণ্টাৰ পাছতে এজন বয়সিয়াল মানুহক নেশ্যনেল গাৰ্ডৰ পোছাক পিন্ধি হাতত বন্দুক লৈ ক দি হোম আৰ্ম্মৰ পৰা ওলাই অহা দেখা গল। তেওঁৰ সাজ-কাপোৰ দেখি বুজিব পাৰি যে তেওঁ যুদ্ধক্ষেত্ৰলৈ ওলাইছে? মানুহজন ঘৰৰ বাহিৰ ওলায়ে বেগাবেগিকৈ যুদ্ধক্ষেত্ৰৰ ফালে খোজ ললে। মানুহজন জঁ ভেলজ্‌ঁ। এই মাজনিশা তেওঁ যুদ্ধক্ষেত্ৰলৈ গল কিয়? (আগলৈ)

শ্ৰীথানেশ্বৰ হাজৰিকা

---

# অসমীয়া ভাষাৰ আখৰ-যোটনি সম্পৰ্কে যৎকিঞ্চিৎ

আমাৰ ভাষাত আজিলৈকে আখৰ-যোটনিৰ বেমেজালি শেষ নহল বুলি অনেকে খেদ কৰে। মই কব খোজো যে আমাৰ এই অস্বাভাৱিক বৰ্ণবিন্যাসেই আমাৰ সকলো বেমেজালিৰ মূল। "সংস্কৃত ভাষাৰ বৰ্ণবিন্যাস ৰাখি অসমীয়া ভাষাত কথা লিখিবলৈ গলে কোনো কালেও অসমীয়া ভাষা লিখাত বেমেজালি নুগুচে।" আচলতে ব্যৱহাৰ নথকা আখৰবোৰে লিখাত সুমালে 'নানা ঋষিৰ নানা মত' হৈ যে সদায় আমাক বেমেজালিত পেলাই থাকিব ই নিশ্চয়। ইংৰাজী কথা Shillong শব্দটো কোনোৱে লেখে 'চিলং', কোনোৱে লেখে 'ছিলং', আকৌ কোনোৱে লেখে 'খিলং'; তেনেকৈ চেলি, ছেলি; চাহাব, ছাহাব; হুচেন, হুছেন; চাহজাহান, ছাহজাহান; চাৰ্টিফিকেট, ছাৰ্টিফিকেট; ইত্যাদি। দুটা চ, ছৰ ব্যৱহাৰ নাই; অথচ ব্যৱহাৰ কৰিব লাগে বুলি নিয়ম পাতি লৈ এই বেমেজালিত পৰা নাই নে? সিদিনা যোৰহাটত মুছলমান ছাত্ৰ সম্মিলনৰ 'প্ৰগ্ৰেম' কাকতত দেখিলো—'ৰছনা পাঠ।' "ৰছনা" নেলেখি যে 'ৰচনা' লেখিব লাগে তাক সংস্কৃতনপঢ়া মুছলমান ছাত্ৰই বি-এ বা এম্-এ পাছ কৰিও জানিবৰ কি সাধ্য আছে? আনৰ লেখা দেখি শিকিব পাৰিলেহেঁতেন হয়, কিন্তু সংস্কৃত পণ্ডিতে অসমীয়াত ব্যৱহাৰ কৰিব পৰা শব্দ আটাইবিলাকে লেখি আহি দেখুৱা সম্ভৱ নে?

বহুতে ভাবিব খোজে যে অসমীয়া ভাষাত ব্যৱহাৰ আৰু উচ্চাৰণ নথকা আখৰবিলাক লিখোতে সংস্কৃতীয়া নিয়মেৰে ব্যৱহাৰ নকৰিলে বড়ো, কছাৰীৰ ভাষা বুলি আমাৰ ভাষাক হাঁহিব। অসমীয়া ভাষা বড়ো-কছাৰীৰ ভাষা নে আৰ্য্যৰ সন্তান-সন্ততিৰ ভাষা, তাক ভাষাৰ বুৰঞ্জীয়েহে চিনাকী দিব পাৰিব। অসমীয়া জাতিটো জানো আজি নিখুত আৰ্য্যজাতি! অসমীয়া বুলিলে আমি আজি যি মানুহ বুজো, অসমীয়াৰ ভাষাও সেই সেই মানুহৰ বুলিহে বুজিব লাগিব। মোৰ আগৰ প্ৰবন্ধত মই দেখুৱাইছো যে আৰ্য্যসকলে পশ্চিম অঞ্চলৰ পৰা পূবমুৱা হৈ উজাই আহি অসম দেশত বসতিকৰি, অসমৰ আদিবাসীসকলৰ মাত-কথাৰ লগত তেওঁলোকৰ প্ৰাকৃত ভাষা সান-মিহলি হৈ কালত এই অসমীয়া ভাষা সৃষ্টি হল। গতিকে অসমৰ বৰ্ত্তমান মানুহে অসমীয়া ভাষাটো নিখুত সংস্কৃতীয়া বোলা যেনে ভুল, নিখুত বড়ো-কছাৰীৰ বোলাও তেনে ভুল। ভাষাতত্ত্ব আলোচনা কৰা পণ্ডিতসকলে স্থিৰ কৰিছে যে প্ৰাকৃত-ভাষা-কোৱা আৰ্য্যবিলাকে যেতিয়া ব্ৰহ্মবৰ্ত্ত এৰি ভাৰতৰ নানা ঠাইত বিস্তৃত হৈ বসতিকৰিবলৈ ধৰিছিল তেতিয়া তেওঁলোকৰ কোৱা ভাষা অনেকপৰিমাণে পৰিবৰ্ত্তিত হল, তাক তেওঁলোকে "অপভ্ৰংৰ stage" বুলি ধৰিছে। এই "অপভ্ৰংস"ৰ পৰাই পাছলৈ অসমীয়া, বঙালী, হিন্দী, উৰিয়া মৈথিলী আদি বেলেগ বেলেগ ঠাইত বেলেগ ভাষা হয়। "আমি" কথাটো অসমীয়া ভাষাত প্ৰথম পুৰুষৰ কৰ্ত্তাকাৰক বহুবচন; বঙলা ভাষাত প্ৰথম পুৰুষৰ কৰ্ত্তাকাৰকৰ একবচন; কিন্তু ই সংস্কৃতৰ কৰ্ত্তাকাৰকৰ প্ৰথম পুৰুষৰ "ৱয়ম্"ৰ ওলাইছে বুলি কোনোমতেই ধৰিব নোৱাৰি। কৰ্ম্মকাৰকৰ বহুবচন সংস্কৃতৰ "অস্মান্," প্ৰাকৃতত "অস্মান" হৈ অপভ্ৰংশৰ সময়ত "অহ্মে" আৰু "অস্মে" ৰূপে ৰূপান্তৰ হল আৰু কৰ্ত্তা আৰু কৰ্ম্ম উভয় কাৰকত ঠাইবিশেষে ব্যৱহৃত হবলৈ ধৰিলে। তেনেকৈয়ে সংস্কৃত কৰ্ম্মকাৰকৰ "মাম্" শব্দ, "মাই" বা "মুই" ৰূপে ব্যৱহাৰ হল। অহং বা ৱয়ম্ শব্দ বা তাহাঁতৰ কোনো প্ৰতিশব্দ তেতিয়া একেবাৰেই ব্যৱহাৰত নাইকিয়া হল। 'আমাক ভাত খাবলৈ লাগে' আৰু 'আমি ভাত খাবলৈ লাগে'—এই দুই বাক্যৰ ভিতৰত 'আমাক' আৰু 'আমি' ঠাই সলনা-সলনিকৈ ব্যৱহাৰ কৰিলে অৰ্থৰ বিশেষ ব্যাঘাত নজন্মে। 'আমাক' শব্দটো ইয়াত কৰ্ত্তাকাৰক। এনেকৈ অপভ্ৰংশৰ কালত 'অহ্মে' আৰু 'অসমে' কৰ্ত্তাকাৰকত ব্যৱহৃত হৈ পাছত 'আমি' অসমীয়া ভাষাত কৰ্ত্তাকাৰকৰ বহুবচনত নিগাজিকৈ বলগৈ।

প্ৰাকৃতৰ পৰা যেনেকৈ "অপভ্ৰংশ" অৱস্থা পাৰ হৈ অসমীয়ালৈ অনেক শব্দ আহিছিল, তেনেকৈ বড়ো-কছাৰীৰ পৰাও আমাৰ ভাষাত অপভ্ৰংশ হৈ বহুত শব্দ আৰু ভাষাৰ বৈয়াকৰণিক সূত্ৰ সোমাল। আমাৰ বহুবচনান্ত শব্দ "বিলাক" "বোৰ" আদি শব্দ তেনেকুৱা। "বিলাক" শব্দই গাৰো ভাষাত "সকলো" বা "সমস্ত" বুজায় আৰু তাৰপৰাই আমাৰ বহুবচন বুজাবলৈ শব্দত লগাই লৈ ব্যৱহাৰ কৰিবলৈ লওঁহক। এনেবিলাক উদাহৰণৰপৰা ভাষাতত্ত্ব আলোচনকৰা পণ্ডিতসকলে স্থিৰ কৰিছে যে অসমীয়া ভাষা যেনে সংস্কৃতমূলক, তেনে বড়ো-কছাৰীমূলক; ই সংস্কৃতৰপৰাও অহা নহয়, আৰু বড়ো-কছাৰীৰপৰা অহাও নাই, আৰু অসমীয়া ভাষা যেনেকৈ প্ৰাকৃতৰপৰা আহি অপভ্ৰংশ হৈ এটা ভাষা হল, তেনেকৈ বঙালী, উৰিয়া আদি প্ৰায় সকলো ভাৰতীয় ভাষা প্ৰাকৃতৰপৰা আহি অপভ্ৰংশ হৈ পাছত একো একো ভাষা হল।

আমাৰ মাজত জনদিয়েকে ভাবিব পাৰে যে আমি ইমানদিন যি বৰ্ণবিন্যাসেৰে কথা লেখি আহিছো, তাক সলালে ভাষাই বৰ দুখ পাব আৰু ভাষাত সৰু-সুৰা এটা বিপ্লৱ হোৱাৰ দৰে হব, অথবা revolutionঅৰ দৰে হৈ পৰিব। বৰ্তমান বৰ্ণবিন্যাসেৰে লিখা বাবে আমাৰ কি বেমেজালি ঘটিছে তাক অলপ আগতে উলিয়াই আহিছো আৰু সংস্কৃতৰ বৰ্ণবিন্যাসেৰে অসমীয়া ভাষা লিখা কিমান টান তাকো কৈ অহা হৈছে। এই সংস্কৃতীয়া বৰ্ণবিন্যাসেৰে অসমীয়া লেখিবলৈ হোৱা কাৰণে বহুত কৃতবিদ্য অথচ আন সকলোপোনে পৈণত অসমীয়াই অসমীয়া কিতাপ লেখিবলৈ আগনবঢ়া কথা মই নিজে জানো! অনেক কাৰণৰপৰা সংস্কৃত ভাষাৰে চিনাকীথকা হিন্দু লৰাই, বিশেষকৈ বামুণৰ লৰাই সংস্কৃতীয়া আখৰ-যোটনিৰে অসমীয়াত লেখিবলৈ কিছু কিছু কথাত বৰ আহুকাল নাপাব পাৰে, কিন্তু মুছলমান ছাত্ৰৰ অসমীয়া লেখাত এই বৰ্ণবিন্যাস বৰ ডাঙৰ জেওৰা। "ৰচনা," "প্ৰতিবাদী," "গোছৰ," 'ইংৰাজী,' 'বঙালী,' 'শাক,' 'ভাষা,' 'আশা,' 'শিৱ,' 'সীমা' আদি শব্দ সুন্দৰকৈ জানে, ব্যৱহাৰ কৰে আৰু সদায় কয়। কিন্তু 'ৰছনা', 'প্ৰতিবাদি', 'গোচৰ', 'ইংৰাজি,' 'বঙালি,' 'সাক', 'ভাসা,' 'আসা,' 'সিৱ,' 'সিমা' আদি যে ভুল, কি অসমীয়া ভাষাৰ সূত্ৰৰপৰা তেওঁ জানিব বা শিকিব পাৰে? এই অস্বাভাৱিক (arbitrary) নিয়ম গুচালে বাস্তৱিকতে অসমীয়া ভাষাৰ প্ৰকৃত উন্নতি কৰা হব। মানুহৰ বাট নিয়মিত উপায়েৰে সহজ বা মুকলি কৰি দিলে বিপ্লৱ বা revolution হবৰ আশঙ্কা কৰা নাযায়। প্ৰথমে প্ৰথমে দুই চাৰিদিন দেখোতে আমাৰ কেনেবা কেনেবা লাগিব পাৰে; পাছলৈ কিন্তু সেয়ে দেখনিয়াৰত পৰিব। বহুদিনৰ পূৰ্ব্বে আমাৰ মানুহৰ দীঘল চুলি চুটিকৈ কটা, চুৰিয়াৰ ঠাইত ঠেঙা কোট পিন্ধাও আপচু যেন দেখিছিলোঁহক। আমেৰিকাত labourৰ ঠাইত labor, honourৰ ঠাইত honor, connectionৰ ঠাইত connexion আদি অনেক শব্দৰ বৰ্ণবিন্যাস পোনাই লোৱাত একো বিপ্লৱ বা revolution হোৱা নাই। বৰঞ্চ এই আমেৰিকাৰ বৰ্ণবিন্যাস ইংলণ্ডতো লাহে লাহে গ্ৰহণ কৰিছে। ইংৰাজী বা অন্য ভাষাতো এনে বেমেজলীয়া বৰ্ণবিন্যাস থকাটো একো যুক্তি নহয় যে আমাৰ ভাষাতো থাকিব লাগে। ইংলণ্ডত কেম্‌ব্ৰিজ য়ুনিভাৰ্ছিটিৰ সাহিত্যৰ অধ্যাপকে এডুকেশ্যন মিনিষ্টাৰক অলপতে ইংৰাজী ভাষাৰ এক শ্ৰেণীৰ শব্দৰ বেমেজলীয়া বৰ্ণবিন্যাস গুচাবলৈ আবেদনকৰা বোধকৰো বহুতে গম পায়। ইংৰাজী আদি ভাষা বহুত পুৰণি হোৱাতো তাৰো বৰ্ণবিন্যাস লাহে লাহে পোনাবলৈ মানুহ যত্নপৰ হৈছে। অসমীয়া ভাষা বৰ্ত্তমান গঢ়ত তেনে পুৰণি হোৱা নাই; গতিকে, ভাষা বিস্তাৰ হবলৈ অনাহকত কৰা জটিলতাৰ দোষ গুচুৱা আমাৰ নিতান্ত উচিত আৰু আমাৰ একো আয়াস নালাগে। কাৰণ ই সম্পূৰ্ণ আমাৰ হাতত।

এতেকে আমাৰ স্বৰবৰ্ণৰ ভিতৰত দীৰ্ঘ ঈকাৰ আৰু দীৰ্ঘ উ-কাৰৰ আৱশ্যকতা নাই কাৰণে তাক আমাৰ বৰ্ণমালাৰ পৰা আঁতৰোৱাই ভাল, আৰু সংস্কৃতৰ আহি লৈ বৰ্ণমালাৰ আদি কিতাপত থকা ঋ, ৠ, ঌ ক ঠাই দিয়াৰে বা কি অৰ্থ? লৰাই শিকি মস্তিষ্ক পৰিচালনা কৰিবলৈ যোৱাৰ বাহিৰে এই তিনটা আখৰ শিকাৰ পাছত কেতিয়াবা কোনোবাই কৰবাত ব্যৱহাৰ কৰিবলৈ পাইছে নে? চ-ছৰ ভিতৰত এটা, জ-ঝৰ ভিতৰত এটা ৰাখিলে আমাৰ সকলো কাম চলিব। "য়"ৰে "অ"ৰে যে কিবা বিশেষ বিভিন্ন আছে ভাবিচালে ৰবকৈ পোৱা নাযায়। ধনীয়ে—ধনীএ, আয়ে—আইএ, বঢ়িয়া—বঢ়িআ আদি উভয় প্ৰকাৰে লেখাত কিবা উচ্চাৰণ ভিন হয় বুলি ধৰিব নোৱাৰি। গতিকে য় আখৰটো অনাৱশ্যক। শ ষ, স এই তিনটাৰ ভিতৰত কেৱল এটা ৰখা উচিত; ভাষা, আশা, আষাৰ উচ্চাৰণত একো বিভিন্নতা নাই। ক্ষ আখৰটোও অনাৱশ্যক—খ্যৰে লিখিব পৰা স্থলত, আৰু ক্ষ টো বোলে সংযুক্ত বৰ্ণহে।

আগৰ প্ৰবন্ধত মই গোটাদিয়েক উদাহৰণেৰে সৈতে দেখুৱাবলৈ চেষ্টা কৰিছিলো যে হনুমন্তই লঙ্কা জাপমাৰোতে সিপাৰৰ সাগৰত পৰা দৰে আমি বড়ো-কছাৰীৰ নামৰ পৰা আমাৰ ভাষা আঁতৰাবলৈ গৈ বহুত স্থলত হাস্যাস্পদ হৈছোঁহক। এতিয়াও বাস্তৱিকতে আমি আমাৰ ভাষা সম্পূৰ্ণ সংস্কৃতীয়া কৰিবলৈ গৈ সংস্কৃতৰ বৰ্ণ-বিন্যাস সংস্কৃত ব্যাকৰণৰ সূত্ৰ লৈ আমাৰ ভাষা অবাৰত জটিল কৰি তাৰ উন্নতিৰ বাটত কাঁইট দি ৰাখিছোঁহক। বড়ো কছাৰী বুলিলেই যে আমাৰ ভাষা অন্ত হব বা আমি অনাৰ্য্য হম আৰু সংস্কৃতৰ অন্তৰ্গত বুলিলেই যে আমি আৰ্য্য হৈ স্বৰ্গ পাম তাক ভাবি চলাটো আমাৰ উচিত নে? মই অলপতে কৈ অহা পৰ্ব্বতীয়া ভাষাৰ উপসৰ্গ "বিলাক" "বোৰ" আদি আমি এৰিব পাৰিম জানো—আমাৰ ভাষাৰ পৰ্ব্বতীয়া অনাৰ্য্যৰ চিন-মোকাম গুচাবলৈ?

আমাৰ ভাষাৰ ব্যাকৰণত অনেক নিয়ম-সূত্ৰাদি দেখো, সেইবিলাক বাস্তৱিকেত আমাৰ ভাষাতকৈ সংস্কৃত ভাষাত হে খাটে। অথচ তাক আমাৰ ব্যাকৰণত ৰাখিছে। আমাৰ প্ৰকৃততে সন্ধি আছেনে? সংস্কৃতত দুটা তিনটা বা সৰহকৈ শব্দ সমাস কৰি গোটাই সন্ধিপ্ৰকৰণত এটা যেন কৰে; ই লিখোতে বিশেষকৈ পদ্য লিখোতে সুবিধা। কিন্তু অসমীয়াত সন্ধিৰে শব্দ গোটোৱা প্ৰকৰণ মোৰ বোধেৰে নাই। স্বৰে স্বৰে মিলি দীৰ্ঘ হোৱাৰ উদাহৰণত ৺হেম চন্দ্ৰ বৰুৱাই তেওঁৰ ব্যাকৰণত লিখিছে, "ন+আছিল—নাছিল; ন+আহে=নাহে" ইত্যাদি। 'নাছিল,' 'নাহে' সংস্কৃতৰ সন্ধিৰ সূত্ৰত পৰি হোৱা শব্দ নে, নাইবা অসমীয়া ভাষাৰ এটা স্বকীয়া নিয়মত পৰি হোৱা শব্দ? ন (negative) শব্দ আন ক্ৰিয়াৰ লগত ব্যৱহাৰ কৰা শব্দৰ আগত আখৰটোৰ স্বৰটোত জোৰা খায়, ন+ যায়=নাযায়, ন+ নিয়া= নিনিয়া, ন+ধোৱা= নোধোৱা, ইত্যাদি। এই শব্দবিলাকৰ নিয়মঅনুসাৰে "নাছিল" "নাহে" হোৱা নহয় নে?

৺হেমচন্দ্ৰ বৰুৱাই তাৰ পাছত আৰু অন্য উদাহৰণ দিছে, যেনে প্ৰ+এষ= প্ৰৈষ, নৌ+ইক= নাবিক। তাৰ পাছত ব্যঞ্জনান্ত সন্ধিত দিছে, নিঃ+চয়= নিশ্চয় ইত্যাদি। অসমীয়া ভাষাৰ সন্ধি হবলৈ হলে, দুটা অসমীয়া শব্দ জোৰা দিব লাগিব। ওপৰত দিয়া উদাহৰণ কেইটাৰ শব্দ প্ৰ, এষ, নৌ, ইক এইবিলাক অসমীয়া শব্দ নে? নাইবা নি শব্দটো অসমীয়া নে ('নাই' অৰ্থত)?

'নাবিক' শব্দ সংস্কৃতৰপৰা গোটে গোটে অসমীয়া ভাষালৈ অহা শব্দ, কিন্তু তাক ভঙা বিধি আমাৰ নাই। নৌ শব্দ আমি ব্যৱহাৰ নকৰো, 'নাও' শব্দহে ব্যৱহাৰ কৰো। অন্তঃকৰণ আমি কওঁ, 'অন্তস্কৰণ' নকওঁ। 'সম্প্ৰতি' ব্যৱহাৰ কৰো, কিন্তু 'সম্' শব্দ কিংবা 'পত্তি' শব্দ ব্যৱহাৰ নকৰো; সম্ আৰু পত্তি লৈ সম্পত্তি হোৱাটো আমাৰ ভাষাত নাই। 'মহেশ্বৰ' শব্দৰ অৰ্থ আমি যি বুজো মহা-ঈশ্বৰ বুলিলে সেই অৰ্থ নুবুজো।

শঙ্কৰদেৱ মাধৱদেৱৰ লিখাতো সন্ধি দেখা পোৱা নাযায়। "দেৱঋষিনৰ, সিদ্ধ বিদ্যাধৰ"। "কুল উদ্ধাৰিল আপোন তৰিল।" "ঈৰষা অসূয়া তিৰস্কাৰ অহঙ্কাৰ।"—শঙ্কৰদেৱ। "ব্ৰহ্মা আদি দেৱগণে।" "আত্ম ঈশ্বৰক লাগ প্ৰত্যক্ষে সততে পায়।" "মায়া আদি কৰি যত।" ইত্যাদি, ইত্যাদি— মাধৱদেৱ।

শ্ৰীদেৱেশ্বৰ চলিহা

# শোণিতকুঁৱৰী

## নাট- শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱালা প্ৰণীত

গ্ৰন্থকাৰে নাট এখনি উপহাৰস্বৰূপে দি তেখেতৰ অন্তৰঙ্গ বন্ধু এজনৰ হতুৱাই কোৱাইছে যে নাটখনিৰ নিৰপেক্ষভাৱে দোষ-গুণ আলোচনাকৰি "বাঁহী" কাকতত প্ৰবন্ধ এটি দিব লাগে।

আমাৰ বৰ্ত্তমান সাহিত্যত কেতবোৰ নামজ্বলা মানুহৰ ভিতৰত উকণ্ডা প্ৰশংসা-পত্ৰেৰে ফাকুৱা খেলা ৰীতিৰ চলতি হব লাগিছে। চাৰিপাত পঢ়ি বা নপঢ়ি বা চাৰিশাৰি আখৰ জোটাই ইটিয়ে সিটিৰ গাত প্ৰশংসা চটিয়াই দিয়া নিয়মৰ প্ৰচলন হবলৈ ধৰাত আলেমান সাহিত্যসেৱী ডেকালৰাৰ ভিতৰত মানসিক আৰু নৈতিক দুৰ্ব্বলতা এটি সোমাব লাগিছে। আমাৰ সাহিত্যত ভালকৈ শিকি-বুজি তৈয়াৰ হোৱা গ্ৰন্থকাৰৰ আদৰ্শ নোহোৱা হল, আৰু সকলোৱে প্ৰশংসাৰ ধুৰঁলি-কুঁৱলী বও গাত সানি লবলৈ ব্যস্ত।

বৰ্ত্তমান গ্ৰন্থকাৰ কুমলীয়া লৰা আৰু বয়সত আমাৰ ছাত্ৰস্থানীয়। বৰমূৰীয়াসকলৰ ফাকুৱা খেলাৰ পৰা নিজ ইচ্ছাৰে আঁতৰি থাকিব খোজাত তেখেত আমাৰ আন্তৰিক শ্ৰদ্ধাৰ পাত্ৰ হৈছে। তেখেতে বুজিছে যে প্ৰশংসা কোনেও দিবপৰা বস্তু নহয়; আহিবৰ সময় হলে ই আপোনাআপুনি আহে। সেইকাৰণে আমাৰ আশা হৈছে যে তেখেতৰ বৰ্ত্তমান নাটখনিৰ মূল্য যিয়েই নহওক, আগলৈ তেখেতৰপৰা আমাৰ সাহিত্যৰ সম্পদ বঢ়োৱা বস্তু পাম। কিয়নো স্বাৰ্থৰ শিকলি নিপিন্ধা মনেৰে সত্যবস্তুৰ আগত মুখামুখিকৈ ঠিয়হৱপৰা ভাবৰ ভাষাত অভিব্যক্তিয়েই সাহিত্য। তাত বাজে আন সকলোবোৰ আত্মপ্ৰবঞ্চনা আৰু লোকপ্ৰতাৰণা।

'শোণিতকুঁৱৰী' নাটখনি পৌৰাণিক উষা-অনিৰুদ্ধৰ গুপ্ত-প্ৰেমলীলা বিষয় লৈ লিখা হৈছে। পুৰণি অসমীয়া সাহিত্যত গীতৰ আকাৰত পীতাম্বৰ কবিৰ 'উষা পৰিণয়' আৰু কাব্যৰ আকাৰত চন্দ্ৰভাৰতীৰ 'কুমাৰ হৰণ' পুথি পোৱা গৈছে। তাত বাজেও দশম ভাগৱতৰ শেষখণ্ডত উষা-অনিৰুদ্ধৰ উপাখ্যানৰ অসমীয়া ভাঙনী আছে। বৰ্ত্তমান গ্ৰন্থকাৰৰপৰা সেই চিৰপৰিচিত আখ্যাটো আজিকালিৰ ভাব আৰু ভাষাত নাটৰ সাজেৰে সজ্জিত হোৱা চাই সকলো সাহিত্যসেৱীয়েই ভাল পোৱা উচিত।

পৌৰাণিক কবিয়ে আখ্যানটোত বাণৰজাৰ আসুৰিক বলদৰ্পৰ শেষ সীমা দেখুৱাই শেষত গৈ সেই দৰ্প কেনেকৈ ভক্তিত পৰিণত হল সেইটো দেখুৱাইছে। বাণৰ আসুৰিক বলদৰ্প ইমান বাঢ়ি গল যে প্ৰকাৰান্তৰে সি নিজৰ উপাস্যদেৱতা শঙ্কৰকেই প্ৰতিযোদ্ধাস্বৰূপে কামনা কৰিলে। শঙ্কৰেও ৰুদ্ধ খণ্ডেৰে সোনকালে বাণে প্ৰতিযোদ্ধা পাব বুলি বৰ দিলে। কিন্তু এই উপযুক্ত প্ৰতিযোদ্ধা যে অৱৰুদ্ধ যুৱতী ছোৱালীৰ অন্তৰৰ সদৃশ পতি-কামনাৰ সফলতাস্বৰূপে আহিব—এইটোৱেই উপাখ্যানটোক প্ৰহেলিকা আৰু কবিত্বময় কৰি তুলিছে। বাণৰ সদৃশ বীৰ-কামনা আৰু উষাৰ সদৃশ্য বৰকামনা এই দুটা ভাবৰ অজ্ঞাত অথালি-পথালি গতিৰ দ্বাৰাই আখ্যানটো নিৰ্ম্মিত হৈছে।

নাট্যকাৰে ঘটনাৱলীৰ মূলভাব কল্পনাৰে ধৰিব পাৰিছে, যদিও সমানভাৱে সেইটো নাটত বিচিত্ৰ কৰি তুলিব পৰা নাই। ১৩ পৃঃ—"তোমাৰ সৰ্ব্বশক্তি দি এজন প্ৰতিযোদ্ধাৰ সৃষ্টি কৰা"— বাণৰ এই প্ৰাৰ্থনাত নিজৰ উপাস্যদেৱতা শঙ্কৰকেই আওপাকে যুজিবলৈ মতা যেন হল। শঙ্কৰ "গম্ভীৰ" হল, কিন্তু বৰ দিলে। বৰ পাই বাণ ৰঙত আপ্লুত হল, কিন্তু শঙ্কৰে মনত কি ভাবিলে গ্ৰন্থকাৰে নেদেখুৱালে। 'কুমৰ হৰণ' আখ্যানটিৰ আন এটি নাম হৰি-হৰ যুদ্ধলীলা। ভোলানাথ শঙ্কৰে সকলোপিনে নভবা-নিচিন্তাকৈ বৰ দি নিজেই বিপদত পৰে। বৰ দিয়াৰ পিছতেই মহাযোগী শঙ্কৰে যে বৰৰ পৰিণামস্বৰূপে নিজৰ অভিন্নমূৰ্ত্তি শ্ৰীকৃষ্ণৰ লগত নিজে যুজিব লাগিব—এই ভাবৰ কিবা কথা অলপ উমুকিয়াই তেওঁৰ মনৰ ভাব সূচনা কৰা হলে ভাল হলহেতেন যেন লাগে। পুৰণি কবিসকলে শঙ্কৰৰ বৰৰ লগত এইটোও কৈছে যে বাণৰজাৰ মৈৰাধ্বজ যেতিয়া খহি পৰিব তেতিয়াই যুদ্ধৰ সূত্ৰপাত হব বুলি ধৰিব লাগিব। গ্ৰন্থকাৰে মৈৰাধ্বজৰ কথাটো এৰিদিয়াত নাটখনিত পৌৰাণিক ভাব ৰক্ষিত হোৱা নাই আৰু এটি বৰ কল্পনাস্পৰ্শী দৃশ্য নষ্ট হৈছে। যেতিয়াই অনিৰুদ্ধ আহি অগ্নিগড়ত সোমাল, তেতিয়াই মৈৰাধ্বজ ভাগি পৰাৰ দৃশ্য এটিৰ সূচনা কৰা হলে উষাৰ অন্দৰ-মহলত যি গুপ্ত প্ৰেম-লীলা চলিব ধৰিছিল, বাপেকৰ ৰাজ্যত সিয়েই ভৱিষ্যৎ ৰাজ্যবিপ্লৱৰ আগে আগে অহা দীঘলীয়া ছাঁয়াৰ দৰে প্ৰতিভাত হলহেতেন।

নাটৰ দৃশ্যবোৰ আগা-পিছাকৈ সজোৱাত দোষ হৈছে। আগত কোৱা হৈছে যে বাপেকৰ সদৃশ্য প্ৰতিযোদ্ধা-কামনা আৰু জীয়েকৰ সদৃশ্য পতি-কামনা এই দুটি কথাৰ অঙ্গাঙ্গি ভাবৰ দ্বাৰাই নাটকীয় বিষয়বস্তু ৰচিত হৈছে। ওৰে নাটখনৰ ভিতৰতেই এই দুটি ভাব সমানেই সজীৱ কৰি ৰাখিব লাগিছিল। দৃশ্যবোৰ সজোৱাৰ দোষত নাটকৰ শেষছোৱাৰ নিস্তেজ হৈ পৰিছে। শঙ্কৰৰ বৰ লোৱাৰ পিচৰ পৰা উষা-অনিৰুদ্ধৰ প্ৰেম-লীলাৰ শেষলৈকে বাণৰজাক আৰু দেখা নগল। নাটকত কেৱল যুজৰ কথা পঢ়ি বা কৈ মানুহে সন্তোষ নেপায়। তৃতীয় অঙ্কৰ পিছত মানুহ ভাওনা ঘৰৰপৰা ওলাই যাবও পাৰে। উষা-অনিৰুদ্ধৰ লীলা সাং হবলৈ বৰ দি তাৰ মাজে মাজে অনিৰুদ্ধক বিচৰা, যুজৰ আয়োজন আদি কথা নিপুণভাৱে সুমাই দিব পৰা হলে ভাল হলহেতেন।

তলত পৃষ্ঠা অনুসাৰে একাদিক্ৰমে কিছুমান কথাৰ আলোচনা দিয়া হল:—

১২ পৃ:—"বাণে দেৱিত বহি শঙ্কৰক স্মৰণ কৰে" বুলি আছে। স্মৰণৰ ভাব স্বৰূপে এটি শিৱৰ স্তৱ দিব লাগিছিল। কাব্যত 'স্মৰণকৰে' বুলি কলেও হয়, কিন্তু নাটকত স্মৰণৰ ভাষা লাগে।

১৫ পৃ: -পত্ৰলেখা, চন্দ্ৰলেখা, মধুলেখা আদি নামবোৰ বৰ কবিত্বপূৰ্ণ উদ্ভাৱনা।

২০ পৃ:- মধুমতীক অগ্নিগড়লৈ অনাৰপৰা নাটৰ কোনো অঙ্গ পূৰ্ণ হোৱা নাই। এইটো সম্পূৰ্ণ নিৰৰ্থক। যি ঘটনাৰ লগত নাটৰ মুখ্যবস্তুৰ সাক্ষাৎভাৱে বা পৰোক্ষভাৱে সম্বন্ধ নাই, তেনে কথা নাটত ঠাই দিব নেলাগে। লেলেতীয়া কথা থাকিলে ঘটনাক্ৰমৰ চলনত বাধা জন্মে। বহুত কথা পঢ়োতা বা কওঁতাক কল্পনা কৰিবলৈ ইঙ্গিত দিব লাগে।

২৩ পৃঃ— খেমালিৰ পিছতেই হঠাৎ উষাই বেদিত বহি আৰাধনা কৰা কথাটো অস্বাভাৱিক হৈছে। তাত ভাবৰ পাৰম্পৰ্য্য নাই। পীতাম্বৰৰ গীতত আছে "বিষাদ-বিমনা উষা হে।" উষাক এনেভাৱে এটি স্বগত উক্তিত বা আন প্ৰকাৰে দেখুৱাব লাগিছিল যেন সখীয়েকসকলৰ লগত হেজাৰ খেমালি কৰিলেও তেওঁৰ মনটোক অইন কিবা ভাবে গুদা গুদা কৰি ৰাখিছিল। ১৫ পৃঃত সেই ভাবৰ অলপ ইঙ্গিত আছে যদিও চৰিত্ৰ দেখুৱা হিচাপে সেইটো যথেষ্ট হোৱা নাই। তাত বাজেও উষাক বিচলিত কৰা বুলি তেওঁৰ যৌৱনৰ লগে লগে বসন্ত কালকো দায়ী কৰিব লাগিছিল, নহলে উষাৰ চৰিত্ৰৰ মৰ্য্যাদাত অলপ আঘাত কৰে।— ইয়াতো ভগৱতীৰ স্তৱ এটি থাকিব লাগিছিল। নাটৰ ঘটনাৱলীৰ লগত ভগৱতীৰ কোনো সাক্ষাৎ সম্বন্ধ নাই। তেওঁক ভাৱৰীয়া হিচাপে "ষ্টেজ"ত সুলিয়াই, তেওঁৰ মূৰ্ত্তি এখনিৰ আগত উষাক স্তৱ কৰা দেখুৱাই ভগৱতীৰ কথাখিনি আকাশীবাণী-ৰূপে দিয়া হলে ভাল হলহেতেন—উষাৰ মনৰ তীব্ৰ আকাঙ্ক্ষাই শূন্যত খুন্দাখাই আকাশীবাণী-ৰূপে প্ৰতিধ্বনিত হোৱা যেন লাগিলহেতেন।

২৪-২৫ পৃঃ— উষাই বৰ লোৱাৰপৰা অনিৰুদ্ধৰ লগত মিলন হোৱালৈকে দৃশ্যবোৰ কাব্য হিচাপে বৰ নিৰুপম হৈছে। গ্ৰন্থকাৰৰ এটাইখিনি কল্পনা আৰু সৌন্দৰ্য্যবোধ এই দৃশ্যবোৰৰ ওপৰতেই খৰচ হৈছে। কিন্তু ঘটনাবোৰ একেলাগিয়ে ইটোৰ পিছত সিটো ঘটা যেন দেখুৱাত, সেইবোৰৰ নাটকীয় কল্পনাস্পৰ্শী গুণ কমি গৈছে। এইবোৰৰ ভিতৰত সৰু-সুৰা অইন দৃশ্য দুই এখন দিব লাগিছিল। সৌন্দৰ্য্যৰ ঢৌত কুমলীয়া গ্ৰন্থকাৰ উটি গৈছে।

২৪ পৃঃ— ৰতি আৰু মদনৰ মুখত মিত্ৰাক্ষৰ পদ্য দিয়াত ভাল হৈছে। মদন আৰু স্বপ্নদেৱীৰ কথাতো পদ্য দিব লাগিছিল। গদ্য বাস্তৱ ৰাজ্যৰ ভাষা। ছায়া-মূৰ্ত্তিৰ মুখত মিত্ৰাক্ষৰ পদ্য দিয়াই ভাল। পদ্যৰ ভাষাই মূৰ্ত্তি-বোৰক বাস্তৱিক জীৱনৰপৰা আঁতৰাই নিয়ে।

২৫ পৃঃ— স্বপ্নদেৱীৰ স্বগত উক্তি বৰ গধূৰ আৰু দাৰ্শনিকভাবাপন্ন। সপোনৰ কথাত সপোনৰ ভাব আৰু ভাষাৰ তৰলতা থকা উচিত। স্বাধীন কথা হিচাপে স্বপ্ন-দেৱীৰ উক্তি বৰ কবিত্বময়।

২৮-২৯ পৃঃ— সপোন ভঙাৰ পিছত উষাৰ কথাত পদ্য দিয়া হলে সপোনৰ অবাস্তৱতা আৰু মাদকতা বেছি থাকিলহেঁতেন যেন লাগে।

৩২ পৃঃ— চিত্ৰলেখাই অদ্ভুত চিত্ৰ-বিদ্যা ক'ত পালে উদ্ভুকিয়াৰ লাগিছিল।

৩৪ পৃঃ— চিত্ৰলেখাৰ চিত্ৰিত মূৰ্ত্তিবোৰৰ বৰ্ণনাত "আছে নে প্ৰাণৰ প্ৰিয়, ইয়াৰ মাজত"— এই কথাষাৰ প্ৰত্যেক বৰ্ণনাৰ অন্তত পুনৰুক্ত হব লাগিছিল। প্ৰশ্নৰ স্বাভাৱিকতাৰ লগত পুনৰুক্তিৰ সৌন্দৰ্য্য মিলি গলহেঁতেন।

৪০ পৃঃ— চিত্ৰলেখাৰ দীঘলীয়া স্বগত বচনৰ লগত নাটকীয় কোনো ঘটনাৰ সম্বন্ধ নাই। ইয়াত চিত্ৰলেখাৰ অন্তৰৰ বুভুক্ষা দেখুৱা হৈছে, কিন্তু নাটকৰ কোনো কথাৰ লগত তাৰ সম্বন্ধ নাই। নিজৰ অন্তৰৰ হাহাকাৰ চেপি ৰাখিও সখীয়েকৰ কামনা সফল কৰিবলৈ ওলাইছে—এনে কিবা ধৰণৰ কোনোবা কথাৰে এই স্বগত বচনক নাটৰ লগত যোগ দিব লাগিছিল। স্বাধীন কথা হিছাপে ইয়ো মধুৰ আৰু কবিত্বময় হৈছে।

৪৪ পৃঃ— অনিৰুদ্ধৰ আপোন মতলীয়া উক্তিবোৰ স্বাভাৱিক হোৱা নাই। ঘটনাৰ উল্লেখ বা পাৰম্পৰ্য্যৰ লক্ষ্য নকৰাত তাত হঠাৎকাৰিতাৰ দোষ পৰিছে। নাটত সাক্ষাৎ বা পৰোক্ষ ঘটনাৰ উল্লেখ বা সংশ্লেষ লাগিবই। ঘটনাৰ চেপা-খুন্দাৰেহে চৰিত্ৰ দেখুৱাব লাগে; নহলে নাট আৰু কবিতাৰ প্ৰভেদ নথাকে।

৫৪ পৃঃ—অনিৰুদ্ধৰ "চিনি পাওঁ চিনি পাওঁ" কথাৰ— নাটকীয় কৈফিয়ৎ নাই।

৬০ পৃঃ— "কি তুমিয়েই চিত্ৰলেখা ?"— কথাষাৰৰ অৰ্থ নাই। অনিৰুদ্ধই চিত্ৰলেখাৰ কথা কেতিয়া আৰু কেনেকৈ জানিলে ?— এনে এবিধ কথা থাকিব লাগিছিল যে চিত্ৰলেখা মায়াবিনী বা অপেস্বৰী বা অইন কিবা আৰু অনিৰুদ্ধই তাইৰ কথা শুনি আছে, ইত্যাদি। কুমৰ আচৰিত হব লাগিছিল যে সেই বিখ্যাত চিত্ৰলেখাই আহি তেওঁৰ আগত সে-শৰীৰে ঠিয় হৈছেহি।

৬১ পৃঃ—পৌৰাণিক মায়াবিদ্যাৰ ঠাইত আধুনিক ( hypnotism ) ভেল্কীৰ সহায়েৰে কুমৰক হৰণকৰা কথাটো গ্ৰন্থকাৰৰ পক্ষে বৰ নিপুণ উদ্ভাৱনা। ভাব আৰু ভাষা বৰ মনোৰম।

৬৫ পৃঃ—অনিৰুদ্ধ আৰু চিত্ৰলেখাৰ কথাবোৰ পদ্যত হোৱা হলে ভাল আছিল। মুগ্ধ অৱস্থাৰ কথাত পদ্যৰ ঝঙ্কাৰ থাকিলে চাৰিওপিনে মোহৰ ভাব চটিয়াই দিয়া যেন লাগে। বৰ্ত্তমান যি ভাৱে আছে তাতো অতুল সৌন্দৰ্য্য আছে।

৮৭ পৃঃ—এইখিনিৰপৰা নাটখন নিস্তেজ হৈ পৰিছে। উষা-অনিৰুদ্ধৰ প্ৰেম-অভিনয় শেষ হোৱাৰ পিছত হে অনিৰুদ্ধক বিচৰা আদি কথাৰ সূত্ৰপাত হল। ইফালে অনিৰুদ্ধই আহি প্ৰেমত 'হাবুডুবু' খাব লাগিছে, আৰু আন-ফালে ঘৰৰ মানুহে তেওঁক বিচাৰি 'হায়ৰাণ' হব লাগিছে, ইত্যাদি কথা একে সময়তে ঘটাবদৰে দৃশ্যৰ সালসলনি কৰি দেখুৱা হলে ভাল আছিল। কৃষ্ণ-চৰিত্ৰ আৰু অলপ বেছিকৈ ফুটি ওলাব লাগিছিল। অনিৰুদ্ধ ক'লৈ গৈছে তেওঁ জানে। গ্ৰন্থকাৰে শ্ৰীকৃষ্ণই "অলপ হাঁহে" ইত্যাদি কথাৰে বুজাবৰ চেষ্টা কৰিছে, কিন্তু কৃষ্ণ-চৰিত্ৰ সম্পূৰ্ণৰূপে ফুটি নোলাল। উষা-অনিৰুদ্ধৰ প্ৰেমলীলা উপলব্ধি কৰোতেই কুমলীয়া গ্ৰন্থকাৰৰ কল্পনা ভাগৰি পৰিছে।

৯৩ পৃঃ— হঠাৎ বাণক জীয়েকৰ অন্দৰ-মহললৈ অনাটো ঠিক হোৱা নাই। দূত পঠিয়াই কুজীৰ কথাৰ সত্যাসত্য বিচাৰকৰাব লাগিছিল বা অইন যোদ্ধাৰ দ্বাৰাই প্ৰথমে অনিৰুদ্ধক ধৰাবলৈ দিব লাগিছিল।

১১৬ পৃঃ—শঙ্কৰৰ "হাঃ হাঃ তুমি বুজিব নোৱাৰা"— এই বুজিবনোৱৰা কথাখিনি পঢ়োতাক লক্ষ্যকৰি ইঙ্গি-



তেৰে বুজাব লাগিছিল। শঙ্কৰে যে নিজৰ ভক্তৰ ভক্তিৰ প্ৰিকলিত মেৰপাক খাই নিজৰ বিৰুদ্ধেই নিজে যুজিবলৈ ওলাইছে—এই ৰহস্যটো ১১৭ পৃঃত শঙ্কৰ অন্তৰ্দ্ধান হোৱাৰ আগতেই স্বগত বচন বা আন কিবা প্ৰকাৰে বুজাবৰ ইঙ্গিত কৰিব লাগিছিল।

১১৯ পৃঃ— ব্ৰহ্মাৰ কথা আৰু কিছু পৰিস্ফুট হব লাগিছিল। হৰি-হৰ যে অভেদ আৰু দুয়ো আত্মঘাতী ৰণত প্ৰবৃত্ত হৈ সৃষ্টি নষ্ট কৰিবলৈ ওলাইছে এনে কথাৰ অৱতাৰণা অলপ থাকিব লাগিছিল। হৰিবংশত ব্ৰহ্মাৰ স্তৱ আছে; আমাৰ পুৰণি কবি পীতাম্বৰেও গাইছে -

"ব্ৰহ্মাৰ বচন শিৱ দৃঢ় কৈল চিত্তে ॥
গোবিন্দৰ শৰীৰ নিৰখে উমাপতি।
এবমাদি সকলে দেখিলা পশুপতি ॥
অৰ্দ্ধেক শৰীৰ নীল অৰ্দ্ধেক ধৱল।
অৰ্দ্ধেক অমৃত পীয়ে অৰ্দ্ধেক গৰল ॥
অৰ্দ্ধেক বাঘৰ ছাল অৰ্দ্ধে পীতবাস।
অৰ্দ্ধেক চন্দন অৰ্দ্ধে ভস্মৰ বিলাস ॥" ইত্যাদি ॥

গীতাত অৰ্জ্জুনে কৃষ্ণৰ মুখত বিশ্বমূৰ্ত্তি দেখিছিল। কিন্তু ইয়াত শঙ্কৰে আত্মস্থ হৈ গঙ্গা-যমুনা সঙ্গমৰ দৰে নিজকেই কৃষ্ণৰ লগত আধা-আধিভাৱে দেখিলে। এয়ে হৰি-হৰৰ যুদ্ধৰ তাৎপৰ্য্য। গ্ৰন্থকাৰে বিষয়বস্তুৰ তাৎপৰ্য্য ধৰিব পাৰিছে, কিন্তু সম্পূৰ্ণভাৱে অবিচলিত চিত্তেৰে উপলব্ধি কৰি ঘটনা আৰু চৰিত্ৰৰ সহায়েৰে তাক ফুটাই তুলিব পৰা নাই। উষা-অনিৰুদ্ধৰ কল্পনাই মনক বেছিকৈ হেঁচি ধৰাত ই আন আনফালে সহজ শক্তিৰে খেলা কৰিব পৰা নাই। অপৰিণত বয়সেই ইয়াৰ কাৰণ। কাব্য হিছাপে পুথিখনি বৰ উপাদেয় হৈছে। বৰ্ত্তমান কালৰ ভাব আৰু ভাষাৰে পৌৰাণিক আখ্যানৰ সৌন্দৰ্য্য আৰু তত্ত্ব উলিয়াই অনাত লেখক কৃতকাৰ্য্য হৈছে। পুথিৰ অন্তৰ্গত গীতবোৰত হৃদয়ৰ স্বাভাৱিক স্পন্দনৰ খেলা আছে আৰু সেইবোৰত স্নিগ্ধ অভিনৱতাৰ ছটা এটি পৰিছে। ভাৱৰীয়াবোৰৰ ভালেমান কথা স্বাভাৱিক নহলেও, বা অৱস্থাবিশেষৰ লগত খাপ নেখালেও, গ্ৰন্থকাৰে যে সুদূৰ সৌন্দৰ্য্যৰ পোহৰ এটি দেখিছে, এইটো সহজে বুজিব পাৰি।

সেইদেখি গ্ৰন্থকাৰৰ প্ৰতি আমাৰ অনুৰোধ যেন তেখেতে আমাৰ দেশৰ ৰীতি অনুসাৰে তেতিয়াকে সাহিত্য-ৰথী আদি হবলৈ আকাঙ্ক্ষা নকৰি নিৰলভাৱে সাহিত্য-সেৱাত মন দি দেশ-বিদেশৰ "অপ্ৰমাদী পূৰ্ব্বকবি" আৰু গ্ৰন্থকাৰসকলৰ ভাল ভাল গ্ৰন্থবোৰ পঢ়ি মনটো গঠনকৰি লয়। সাহিত্যৰ ক্ষেত্ৰত নতুনকৈ কৰিব লগীয়া কাম একো নাই। সাহিত্য ধ্বনি আৰু প্ৰতিধ্বনি মাথোন। পূৰ্ব্ব পুৰুষসকলৰ ভাবৰ ধ্বনি যাৰ হৃদয়ত পূৰাকৈ প্ৰতিধ্বনিত হয় সিয়েই সফলতা লাভকৰে।

শ্ৰীবাণীকান্ত কাকতি

---

# নাটঘৰ

## বাণ থিয়েটাৰ—দুৰ্গাপূজা উপলক্ষৰ অভিনয়

( আগৰ সংখ্যাৰ পিছৰপৰা )

গোটেই অভিনয়ৰ ভিতৰত অনিৰুদ্ধৰ বচন ভঙ্গিমা আদিৰ বিশেষ একো সালসলনি (variety) দেখিবলৈ পোৱা নহল; ২য় অঙ্কৰ তৃতীয় দৰ্শনৰ সপোনৰ দৃশ্যটিৰ নিচিনা এটি দৃশ্যতো উষাৰ অভিনয়ে আমাক বিশেষভাৱে একো মোহিত ( impressed ) কৰিব নোৱাৰিলে।

তিকতাৰ ভাওৰ ভিতৰত কুঁজীৰ বচন আৰু ভঙ্গিমা আদি তাৰ সজ্জাৰ দৰেই অলপ আপচু যেন হৈছিল। বাণী মধুমতীৰ কথা-বাৰ্ত্তা, চলন-ফুৰণ, দেখন (appearance) একোতে স্ত্ৰীভাবৰ ধাৰণা দৰ্শকৰ মনলৈ আহিবলৈ সুবিধা নেপালে।

আমি আশাকৰো, বাণ-থিয়েটাৰৰ ওঁৱিয়ালসকলৰ ভিতৰত অন্ততঃ থিয়েটাৰক এটা বিশেষ কলাবিদ্যা (art) বুলি শ্ৰদ্ধাৰ চকুৰে চোৱা আৰু সাধনাকৰা লোক, নাই নাই বুলিও দুই-চাৰিজন ওলাব; তেওঁলোকেই, ভাৱৰীয়াসকলৰ ভিতৰত অনভিজ্ঞতাৰ কাৰণে, সাধাৰণ দৰ্শকৰ হাতচাপৰিৰ লোভ সামৰিব নোৱাৰি বিচিত্ৰতাতকৈও বাস্তৱতাৰ ফালে গৈ অভিনয়ৰ মূল্য কমোৱাসকলক বুজাই-বুজাই লৈ, সমূহ অসমীয়া নাট্যকলাৰ উন্নতিৰ কাৰণে চেষ্টা কৰিব বুলিয়ে এই খুতবোৰলৈ বিশেষকৈ আঙুলিয়াই দিয়া হল।

অষ্টমী আৰু নৱমীৰ দিনা ক্ৰমে মৌলবী পজিৰুদ্দিন আহমদ আৰু শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাৰ গুলেনাৰ আৰু অপ্ৰকাশিত চন্দ্ৰকান্তসিংহ নাটকৰ অভিনয়।

দ্বিতীয় দিনাৰ নাটৰ এটি প্ৰধান ভাও "ছেলিম"ৰ ভূমিকাত ওলাইছিল তেজপুৰৰ উকীল শ্ৰীযুত অন্নদাকুমাৰ পদ্মপতি এম,এ, বি,এল, দেৱ। এই ভাওটিত পদ্মপতি-দেৱৰ, আৰু এটি ধেমেলীয়া ভাও "উলফৎখাৰ" ভূমিকাত শ্ৰীযুত ৰজনীকান্ত শৰ্ম্মা নামৰ এটি ডেকাৰ অভিনয়েই সেইদিনা আমাৰ মনত বৰ তৃপ্তিদায়ক আৰু উৎকৃষ্ট যেন লাগিল। এই দুজন ভাৱৰীয়াৰ, বিশেষকৈ নাটৰ মনোবৈজ্ঞানিক অৱস্থাবোৰ (psychological situations) ভালকৈ হৃদয়ঙ্গম (realise) কৰা আৰু ফহিয়াই (analysing) দেখুৱাবপৰা শক্তি থকাৰ পৰিচয় পাই সুখী হলো। পদ্মপতিদেৱে যত্নকৰিলে ভাল অসমীয়া ভাৱৰীয়া স্বৰূপে বাট দেখুৱাব পাৰিব বুলি আমাৰ মনে ধৰিছে। শ্ৰীযুত শৰ্ম্মাদেৱক সেইদিনাৰ অভিনয়ৰ অভিবাদন (congratulation) স্বৰূপে উপস্থিত দৰ্শকবৃন্দৰ একজনে এটি মূল্যবান বঁটা দিব বুলি তাতে ঘোষণা কৰিছিল। আমি আশাকৰো তেওঁ এই প্ৰশংসাৰ আৰু বেছি উপযুক্ত হবলৈ ক্ৰমে যত্ন আৰু সাধনা কৰিব।

ইয়াত বাজেও সেইদিনা আকবৰ, অমৰসিংহ, গুলেনাৰ, যোধবাই, পিয়াৰা আদি ভাও প্ৰসংশনীয় হৈছিল। শেষত মৰিশালিৰ দৃশ্যত নৰ্ত্তকীসকলৰ গীত সঁচাকৈয়ে বৰ অস্বাভাৱিক হৈছিল। নাটকখনৰ শেষলৈ অলপ নীতিশিক্ষাৰ (moralisation) গোন্ধ থকা যেন লাগিল। যদি ই ইচ্ছাকৃত, তেন্তে সাহিত্য হিচাপে ই অলপ মোল কমায়; আমাৰ মনেৰে, শেষৰ দৃশ্যত ছেলিম আৰু তমৰৰ পৰস্পৰৰ স্নেহ-আলিঙ্গনৰ মাজতে নাটকৰ সমাপ্তি হলেও, তাৰ dramatic effect একো নকমে।

নৰ্ত্তকীসকলৰ নাচৰ প্ৰকাৰ অনেক দৰ্শকৰ কাৰণে অতি কদৰ্য্য যেন বোধ হৈছিল, গোৱালপৰীয়া ষ্টেজ ভাওে যেন কৰা rustic dance আন নেলাগে চতুৰ্থ অঙ্কৰ প্ৰথম দৃশ্যৰ পানৱালা আৰু পানৱালীৰ পালতো justify কৰিব নোৱাৰি হবলা। কৰ্ত্তাসকলে এনে নাচ গুচাবৰ এটা দিহা নকৰিলে, সুকুমাৰ কলাৰ লগত ই নিমিলি সদায় বেঙায়ে থাকিব।

তৃতীয় দিনাৰ অভিনয়ত "চন্দ্ৰকান্তসিংহ" নামটো too vague হল যেন লাগিল। কাৰণ চন্দ্ৰকান্ত সিংহৰ জীৱনৰ প্ৰথমৰ ঘাই এছোৱাৰ কথাকে ইয়াত ধৰা হোৱা নাই। ইয়াত বাজেও নাটকখনৰ কিছুমান দৃশ্যৰ সমূলি effect নাই; কেৱল ষ্টেজৰ সুবিধাৰ কাৰণেহে সুমাই দিয়া যেন লাগিল। নাটকখনত বিহু-নাম আদি দি ভাল কৰিছে, কিন্তু কিছুমান ঠাইত বিহু-নামৰ ঠাই উলিয়াবলৈকে কিছুমান কথাৰ অনাহক সৃষ্টি হৈছে,— আমাৰ মনেৰে "সৰ্ব্বং অত্যন্তং গৰ্হিতম্।" ইয়াৰ উপৰি, অথথাত কিছুমান বিদেশী শব্দই নাটকখনত ঠাই পাইছে, সেইবোৰো গুচাটো বাঞ্ছনীয়। মিৰিছোৱালী 'ৰহিলা'লৈ আমাৰো স্নেহ-পুতৌ জনাইছো; পিছে চক্ৰধৰৰ পৰিণয় দৃশ্যটোত ৰহিলাৰ মনোবৈজ্ঞানিক অৱস্থা আৰু পৰিবৰ্ত্তনটো আৰু অলপ স্বাভাৱিকভাৱে নিব লাগিছিল যেন পাওঁ। নাটকৰ খুতৰ বিষয়ে অভিনয় চাই আমি আৰু সৰহ একো পোৱা মনত পৰা নাই; গুণৰ বিষয়ে বৰ্ত্তমান বহলাই কবৰ ইচ্ছা নাই,—ভাল লাগিল দেখিয়েই হে এই চকুতপৰা খুতকেইটাৰ বিষয়ে ওপৰে ওপৰে উনুকিয়া হল।

চন্দ্ৰকান্তসিংহ আৰু মিভিমাহা তিলোৱা—এই দুটি প্ৰধান ভাওৰ ভূমিকাত ওলাইছিল ক্ৰমে শ্ৰীযুত কামিনীকান্ত দাস আৰু শ্ৰীযুত ললিতমোহন চৌধাৰী। দুইৰো ভাও চাই আমি তেওঁলোকক অভিবাদন জনাই প্ৰথম



দিনাৰ ভাওৰ লগত উল্লেখকৰা খুতখিনিলৈ এইখিনিতে কেৱল আকৌ আঙুলিয়াওঁ। এওঁলোকৰপৰাও আমি নাট্যকলা বিষয়ত বহুত আশা কৰো।

এইদিনা যোগেশ্বৰ সিংহ, পুৰন্দৰ সিংহ, পতাল বৰুৱা আদি আন কেবাটি ভাৱো ভালেই হৈছিল। কিন্তু জয়ি আদি কেইটিমান প্ৰধান ভাও সেইদৰে সন্তোষজনক বুলি কব নোৱাৰি। ৰহিলাৰ ভাওত শ্ৰীযুত জীৱেশ্বৰ গোস্বামীৰ নাচ-গান আদি দৰ্শকৰ কাৰণে অতি তৃপ্তিদায়ক যেন বোধ হৈছিল।

সেইদিনা অভিনয়ৰ প্ৰথম অংশ পোনতে প্ৰায় নিৰাশজনক হৈছিল যদিও পিছত প্ৰায়ে "মধুৰেন সমাপয়েৎ" হৈছিল বুলি কব পাৰি।

## যোৰহাট থিয়েটাৰ—আসাম ছাত্ৰ সম্মিলনৰ উপলক্ষৰ অভিনয়

যোৱা ৩০ ছেপ্টেম্বৰৰ ৰাতি যোৰহাটৰ অসমীয়া নাটমন্দিৰত, ঘাইকৈ আসাম ছাত্ৰ সম্মিলনৰ দৰ্শক, প্ৰতিনিধি আদিক দেখুৱাবলৈ বুলি শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ বি, এ, দেৱে লিখা "সিংহাসন" নামৰ অপ্ৰকাশিত পৌৰাণিক নাটৰ অভিনয় হৈছিল। তাৰ লগতে 'মহৰি' নামৰ ধেমেলীয়া অসমীয়া নাটখনিৰো ভাও দেখুৱা হয়। ভাৱনাঘৰত কিছুসময়ৰ কাৰণে ছাত্ৰ সম্মিলনৰ সভাপতি ছাৰ দেৱপ্ৰসাদ সৰ্ব্বাধিকাৰী দেৱো উপস্থিত থাকি দৰ্শকমণ্ডলীৰ শোভা বঢ়াইছিল। যোৰহাটৰ অসমীয়া থিয়েটাৰ ঘৰটি বেছ আহল-বহল—বোধকৰো আসামৰ আন সকলো নাটঘৰতকৈ ডাঙৰ; এই ঘৰটিও সেইদিনা প্ৰায় মানুহে নধৰা হৈ পৰিছিল।

দেৱতাৰ অযোগ্য কাম কৰি শেহত অনুতাপ হোৱাত ইন্দ্ৰই স্বৰ্গৰ সিংহাসন এৰি সন্তাপ-সৰোবৰত বহুত দিন লুকাই থাকে, আৰু তেওঁৰ অবিহনে নহুষ আহি স্বৰ্গৰ ৰজা হয়হি। নিজৰ দম্ভ আদি দোষৰ কাৰণে শেষত তেওঁৰো পতন হয়, আৰু সন্তাপ-সলিলত নিজৰ চেকা ধুই পবিত্ৰ হৈ আহি ইন্দ্ৰ পুনৰ এই স্বৰ্গ-সিংহাসনত বহেহি। চমুকৈ এয়ে নাটখনৰ বিষয়। নাটখন তিনি অঙ্কীয়া।

নাটখনৰ তিনটি প্ৰধান ভাও—ইন্দ্ৰ, শচী, আৰু নহুষ; গ্ৰন্থকাৰে স্বয়ং এই ইন্দ্ৰৰ ভাও দিছিল। আন সৰু-সুৰা ভাওবোৰৰ বিশেষ বিৱৰণৰ কথা এৰি দি, এই ঘাই ভাও তিনটি সকলোৰে চকুতলগা হৈছিল বুলি কব পাৰি। বৰঠাকুৰ ডাঙৰীয়াৰ ভাও আসামত বিশেষ প্ৰসিদ্ধ। তেখেতৰ ভাও চাই আমি আগেয়েও মোহিত হৈছো, এতিয়াও হলো। কিন্তু দৰ্শকসকলৰ বহুতে তেখেতৰ পৰা ইয়াতকৈ বেছি আৰু কিবা এটা আশা কৰিছিল, আৰু সেই 'কিবা এটা' যেন তেখেতে দিব নোৱাৰি তেওঁলোকক নিৰাশ কৰিলে! সাহিত্যত 'ক্লাছিছিজম'ৰ পৰা 'ৰমাণ্টিছিজম'ৰ ফালে পাঠক-সমাজ কাষৰিকাটি অহা যি এটা নতুন বাপ, অভিনয়তো সেইদৰে জীৱনৰ পুঙ্খানুপুঙ্খ আলোচনা (criticism of life) আদি অভিব্যক্তিৰ কাল্পনিক আভাস এটি চাবলৈ আশা-কৰা দৰ্শকৰ এটি নতুন ৰুচি। বৰঠাকুৰ দেৱৰ ভাৱত চৰিত্ৰৰ মাহাত্ম্য ফুটাই তোলাৰ চেষ্টা প্ৰশংসনীয়—তেখেতৰ শৰীৰৰ দেখন, চলন, আৰু সাজসজ্জা আদি সকলোৱে এই বিষয়ত তেখেতক যোগান ধৰে—কিন্তু সেই একে সময়তে চৰিত্ৰৰ জটিলতা, আৰু মানসিক সংগ্ৰামৰ উজ্জ্বল পৰিষ্কাৰ চিত্ৰ এখনি ৰবকৈ দৰ্শকৰ চকুৰ আগলৈ উঠি অহা যেন নেলাগে। বোধকৰো তেখেতে ভালেমান দিন বৰ্ত্তমান নাট্যকলা চৰ্চ্চাৰ গঢ়-গতি আদিলৈ ভালকৈ মন দিবলৈ সময় নোপোৱাই তাৰ কাৰণ। নহুষৰ বচন-কথন আৰু ভঙ্গিমাত নৃপতিসুলভ গাম্ভীৰ্য্য আছিল, কিন্তু তাৰ গঢ়ৰ বিচিত্ৰতাৰ (variety) অলপ অভাৱ অনুভৱ হৈছিল। শচীৰ সজ্জা (make-up) আৰু চলন-ফুৰণ (grace) অতি মনোৰম হৈছিল, আৰু সেই অনুপাতে বচন-কথনো আৰু অলপ ভাল হোৱা হলে এই ভাওটি দৰ্শকৰ চকুত নিখুত যেন লাগিলহেঁতেন। আন আন ভাৱৰ ভিতৰত নহুষৰ সুমলীয়া ভায়েক অনেনাৰ ভাওৰ বিষয়ে এটি কথা কব লাগিব—এই ভাওটি সঁচাকৈয়ে দৰ্শকৰ চকুত বৰ অস্বাভাৱিক যেন লাগিছিল।

আন ভাওৰ ভিতৰত বিশেষকৈ যেয়া হোৱা ভাওৰ কথা মনত নপৰে। হয়, বিদূষক আদি সক-সুৰা ভাওবোৰ প্ৰায় ভাল্‌েই হৈছিল বুলিব পাৰি। সক হলেও, এটা দোষৰ কথা কব লাগিব। সৰহভাগ ভাৱৰীয়াৰ বচন মুখত নহাত আৰু আংশিকভাৱে নিজৰ দোষতো, নাটমেলোতাৰ ( prompter ) কথা গৈ ভাৱৰীয়াৰ কাণত পৰাৰ আগতে বা একেলগে দৰ্শকৰ কাণত পৰিছিলগৈ; এনে হলে দৰ্শকৰ কাৰণে নাট্যকলাৰ মোহ (charm) সমানে একাল উৰি যোৱা যেন লাগে।

যোৰহাট থিয়েটাৰ এটা বিষয়ত বিশেষভাৱে নিপুণ যেন লাগিল সেইটো হৈছে সজ্জা ( make-up )। নাচ-গান আদিও সাধাৰণ দৰ্শকৰ সুন্দৰকৈ মন যোগাবপৰা হৈছিল; অন্ততঃ, কলাশিল্প হিচাপে নতুনত্ব একো নাছিল যদিও অসভ্য-নাচৰ শাৰীলৈ নমা নাই বুলি ডাঠি কব পৰা যায়। নাচৰ বিষয়ত বাহিৰৰ শক্তকৈ শৰীৰৰ নীৰৱ ভঙ্গিমাতো ভাব প্ৰকাশ কৰালৈ বিশেষ চকুৰাখি চলিলে নাট্যকলা বিষয়ত অলপ উন্নতি হব পাৰে বুলি আশা কৰিব পাৰি।

এই অপ্ৰকাশিত নাটকখনিৰ গুণাগুণৰ বিষয়ে বৰ্ত্তমান একো কব পৰা নেযায়, কিন্তু নাটশালত উঠা ৰূপে, ই যেনে নিখুত হব বুলি ভবা যায়, তেনে হোৱা নাই যেন লাগিল। নাটক হিচাপে ৩য় অঙ্ক ৩য় দৃশ্যটিৰ শচী আৰু বনদেৱতাৰ দৃশ্যটিৰ নিচিনা দৃশ্যটিও একো মনভুলগা ( inspiring ) নহল; এইদৰে হয়তো আন কেবাটাও দৃশ্য নাটকখনত প্ৰভাৱহীন হৈ পৰিছে। ইয়াত বাজেও নাটকখনত কিবা বিজাতীয়া প্ৰভাৱ থাকিলে গ্ৰন্থকাৰে এতিয়াও তাক খিমান পৰা যায় গুচাবলৈ চোৱা উচিত। ভাৱৰীয়া সকলৰ মুখত <u>'পাগল</u> কৰিলা মোক,' <u>'সিও কি হয় ?</u> ইত্যাদি আওৰঙলুৱা কথা শুনা গৈছিল; শৰঠাকুৰ দেৱৰ নিচিনা লিখকৰ লিপাত ই সঁচাকৈয়ে অতি অশোভন আৰু অকীৰ্ত্তিকৰ বুলি নোৱাৰি।

"মহৰি" নাটৰ অভিনয় সৰ্ব্বাঙ্গসুন্দৰ হৈছিল বুলিয়ে কব পাৰি। তাৰ ভিতৰত কমলা হাহাৰৰ ভাওত শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ দেৱ, 'মাকৰী মেম'ৰ ভাৱত শ্ৰীযুত মিত্ৰদেৱ মহন্ত (?), আৰু মহৰি হবলৈ যোৱা ডেকাৰ ভাও আদি বিশেষভাৱে বিতোপন হৈছিল। তথাপি ডেকোনাৰ ভাওৰ দুই-এঠাইত ( নাটকৰ কথা ) বৰ্ত্তমান দৰ্শকে অৰুচিকৰ বুলিবলৈ বাধ্য।

সামৰণি

আমাৰ সামৰণিত কবলগীয়া কথা চমুকৈ এয়ে যে অসমীয়া নাটঘৰত অসমীয়া জাতীয়তাৰ ভিতৰ সোমাই বিকীৰ্ণ হৈ অহা ( reflected ) জীৱনৰ কাল্পনিক অভিব্যক্তি (artistic expression of life) চাবলৈহে আমি সদায় হেপাহকৰো আৰু কৰিম। অভিনয়ৰ শিক্ষাপ্ৰদ ভাগ ( educative value ) বাদ দি আনন্দদিয়াই ইয়াৰ মুখ্য উদ্দেশ্য, আৰু এই উদ্দেশ্য সিদ্ধি কৰিবলৈ জাতীয়তাৰ আশ্ৰয় লবলৈ সকলো বাধ্য। জাতীয়তা নিজে কেতিয়াও সঙ্কীৰ্ণভাসূচক নহয় আৰু বিশ্বজনীনতাৰ লগত ইয়াৰ নিশ্চয় মিল আছে, কেতিয়াও বিৰোধ নাই। সৰ্ব্বসাধাৰণে এই জাতীয়তাৰ খালটো হনুমন্তৰ দৰে জাপ মাৰি দেই যাবলৈ আশাকৰা ভুল; বিশ্বজনীনতাৰ সীতাশান্তিক উদ্ধাৰ কৰিবলৈ হলে ইয়াত সেতুবন্ধ হব লাগিবই লাগিব। অসমীয়া জাতীয়তাৰ ভিতৰ সোমাব নোৱাৰিলে অসমীয়া নাটঘৰৰ অভিনয় জীৱন্ত হব নোৱাৰিব, এয়ে আমাৰ ধাৰণা।

জাতীয় উত্থান হবলৈ হলে এটা জাতিৰ সকলো বিভাগতে জাগৰণ লাগে, কিয়নো এই সকলো বিভাগ গোটখাই এটা আধিভৌতিক দেহা (organic whole)। জাতীয় জাগৰণৰ লগত অভিনয়ৰ কি নলে-গলে লগা সম্বন্ধ আছে ইংলণ্ডৰ বুৰঞ্জীৰ গৰিমাময় এলিজাবেথ যুগলৈ ( Elizabethan era ) মনকৰিলেই এই বিষয়ে কোনো পুকুৰি থাকিব নোৱাৰে। আজি অলপ দিনৰপৰা আমাৰ অনেকৰ অসমীয়া নাট্যকলাৰ বিষয়লৈ যে চকু গজিছে, ই মঙ্গলৰ লক্ষণ নহৈ নোৱাৰে। "থিয়েটাৰ" বৰ্ত্তমান পছিমৰ আমদানি, ইয়াৰ প্ৰভাৱ সম্প্ৰতি সভ্য-সমাজত পৰিব্যাপ্ত; ইয়াত আমি লোকৰ গতি-বিধি চাই শিকিবই লাগিব। কিন্তু আমাৰ ইচ্ছা, এই বিষয়ৰ পৰিলক্ষ্য ( angle of vision ) যেন সঙ্কীৰ্ণ নহয়; 'সভ্য'ত পোৱা বস্তু আমি সন্দেহৰ চকুৰে চাই লব লাগে। গতিকে 'কলিকতা'কে আমাৰ নাট্যতীৰ্থৰ কেন্দ্ৰ নকৰি, কেউফালে আমাৰ দৃষ্টি বহলাই দিব লাগে। ইয়াৰ ভিতৰত চাই-চিন্তি বৰ্ত্তমান আমাৰ জাতীয়তাৰ লগত খাপখোৱাকৈ তাৰ সকুলি গোটাই ললে, লাহে লাহে এই বিষয়ত উন্নতি হৈ থাকিব বুলি আশা কৰা যায়। কিন্তু অভিনয়ৰ গীত মাত, বচন-ভঙ্গিমা সকলো জাতীয়ভাৱে নহলে তাৰ স্বাভাৱিকতাই ৰক্ষা নহব, ফলত সি ভাৱনা নহৈ ভেকোভাৱনা হয়গৈ। অসমীয়া 'ভাৱনা' অসমীয়াৰ আদৰৰ পুৰণি বস্তু, বৰ্ত্তমান ই অনাদৰত প্ৰায় অপ্ৰচলিত হৈ পৰিছে; সময়োপযোগী কৰি ইয়াৰ কিছু অংশ ৰক্ষাকৰিবলৈ চালে বিশেষ কাম হয়।

আৰু মুঠেই এটা কথা—আদৰ্শ (ideal) আৰু বাস্তৱতা (reality); বাস্তৱতাতকৈ আদৰ্শৰ মূল্য হেজাৰগুণে বেছি; সেইদেখি আমি বাস্তৱতাৰ কাৰণে আদৰ্শক যাতে আম্বুৰি নমাই আনি অন্যায় আচৰণ নকৰো তালৈ চাব লাগিব। মানিব লাগিব, বৰ্ত্তমান অসমীয়া নাটঘৰৰ অৱস্থা তেনেই ভগাছিগা, জুৰুলা; কিন্তু এই কথাই আমাক ভৱিষ্যৰ কীৰ্ত্তিমন্দিৰ গঢ়াত নিৰাশাতকৈ আশা-উদগনি দিয়ে বুলি আমি কামত উঠি-পৰি লাগিব লাগিব।

জিঃ নেঃ

# প্ৰেমিক সন্ন্যাসী

( ২১ )

## পত্ৰবাহক ডেনিজ

এদিন দুপৰীয়া এলি ছাহাব কোনো বিশেষ কাৰণত বাহিৰলৈ ওলাই গৈছে; কেথেৰিণকে প্ৰমুখ্য কৰি বাকীবোৰ খাবলৈ বহিছে। এনেতে ডেনিজে এখন চিঠি কেথেৰিণৰ মেজৰ ওপৰতে দিলেহি। কেথেৰিণে চিঠিখন হাতত লৈ ডেনিজক বাহিৰলৈ কলে আৰু চিঠিখন অনাৰ বাবে কিবাকিবি অলপ দিব খোজোতেই ডেনিজ কোনো পুৰস্কাৰ নলৈ ভোঁ-ভোঁ-কৰে ওলাই গ'ল আৰু মাৰ্গেৰেটক বিচাৰি ছেভেনবাৰ্গেনলৈ বুলি যাত্ৰা কৰিলে।

কেথেৰিণে লৰালৰিকৈ চিঠিখন মেলি মেজৰ ওচৰত থলে; কিন্তু দুখৰ বিষয় তেওঁলোকৰ কোনো এজনেও পঢ়িব নোৱাৰে। কি পঢ়িব! কি বুজিব! কিন্তু তাত বুজিবলগীয়া বহুত কথা আছিল। চিঠিখনৰ মাজতে জেৰাৰ্ডে বিদায়ৰ সময়ত দুখন ধৰাধৰিকৈ থকা হাতৰ ছবি এখন আঁকি দিছে। কেথেৰিণে বুজিলে, ই জেৰাৰ্ডৰ লিখা, কোনো ভুল নাই। কেথেৰিণৰ হৃদয় আনন্দেৰে পূৰ হল, ছবিখন একমনে চাবলৈ ধৰিলে। জেৰাৰ্ডে— প্ৰাণপুত্ৰ জেৰাৰ্ডে—চিৰকালৰ নিমিত্তে তেওঁলোকৰ ওচৰত বিদায় মাগিছে। আহা! বুকু ফাটি যায়! চিঠিখন যিমানেই চায়, সিমানেই তাক পঢ়িবৰ নিমিত্তে কেথেৰিণৰ আগ্ৰহ জন্মিল। কিছু সময় ভাবি-চিন্তি চিঠিখন হাতত লৈ মাৰ্গেৰেট ভান আইকৰ ঘৰলৈ লৰ দিলে। ভাবিলে, ভান আইকে জেৰাৰ্ডক পুত্ৰৰ নিচিনাকৈ মৰম-চেনেহ কৰে; জেৰাৰ্ডৰ চিঠিখন তেওঁক দেখুৱালে তেওঁ নিশ্চয় পঢ়ি শুনাব আৰু তেওঁৰো পৰম সন্তোষ লভিব। কেথেৰিণে ভান্ আইকৰ ঘৰ সোমাই দেখে যে ভান আইক ঘৰত নাই; এখন মেজৰ ওচৰত এখন চকিৰ ওপৰত এজনী গাভৰু ছোৱালী কিবাকিবি ভাবি বহি আছে। কেথেৰিণৰ ভৰিৰ শব্দ পাই গাভৰুজনীয়ে উলটি চাই সুধিলে— "আপোনাক কি লাগে?" আৰু লাহে লাহে 'বহা' বুলি চকিখন এৰি দি একলীয়াকৈ থিয় হলগৈ।

কেথেৰিণে গাভৰুজনীৰ নম্ৰ আচাৰ-ব্যৱহাৰ দেখি বৰ সন্তুষ্ট হৈ কলে,—'বহা, আইটি বহা। মই ভান আইকৰ ওচৰলৈ আহিছো। তেওঁনো কলৈ গৈছে?'

'তেওঁ বাহিৰলৈ ফুৰিবলৈ গৈছে।'

'তেওঁ কেতিয়াকৈ আহিব কব পাৰানে ?'

'কিমান পলম হয় কব নোৱাৰো। কিয় ?'

কেথেৰিণে থতমত খাই একো নকলে। কিন্তু চিঠি-খনত কি লিখা আছে তাক জানিবৰ নিমিত্তে তেওঁ ইমান ব্যগ্ৰ হৈছিল যে এক মিনিটৰ পলমেই তেওঁৰ মনত এঘণ্টা যেন লাগিল। অৱশেষত গাভৰুক নিজ উদ্দেশ্য ভাঙি কলে, "আইটি! সেচেৰা জেৰাৰ্ডে এখন চিঠি লিখিছে।" গাভৰুৰ অন্তৰত বিজুলী খেলিবলৈ ধৰিলে। কেথেৰিণৰ হাতত থকা চিঠিখনৰ ফালে তেওঁ একেথৰে চাই ৰল। "কিন্তু, দুখৰ বিষয়; লাজ কৰিলে কি হ'ব? আমি কোনেও তাক পঢ়িব নেজানো। তুমি পঢ়িব জানানে ?"

'এৰা পাৰো।'

'দীৰ্ঘজীৱী হোৱা, বাছা! এইখন পঢ়ি শুনোৱাচোন।'

কেথেৰিণে চিঠিখন নৌদিওঁতেই গাভৰুৱে শেন চৰায়ে কপৌ ধৰাৰ দৰে চিঠিখন থাপমাৰি নিলে আৰু হাত দুখনো কঁপাই কঁপাই চিঠিখন মেলি সেইপিনে তবধ মানিলে। তাকে দেখি কেথেৰিণে মাত লগালে—"আইটি, মনে মনে থাকিলা দেখোন ?"

গাভৰু—"অ, শুনা তেনেহলে—

পিতৃ-মাতৃৰ শ্ৰীচৰণেষু"—

কেথেৰিণ—আহা! বোপায়ে এতিয়াও আমাক পাহ-ৰিব পৰা নাই। এতিয়াও তাৰ আমাৰ প্ৰতি অচল অটল ভক্তি! পঢ়া, আইটি পঢ়া।

গাভৰুৱে আকৌ পঢ়িবলৈ ধৰিলে—

"আশাকৰো ঈশ্বৰে আপোনালোকক মঙ্গলে ৰাখিছে। মই যে আপোনালোকক বুঢ়াকালত এৰি আহিছো, সেইবাবে মই বৰ বেজাৰ পাইছো; ক্ষমা কৰিব। আপোনালোকৰ মই চিৰধৰুৱা। সেই মৰম, সেই চেনেহ কেনেকৈ পাহৰিম ?"

কেথেৰিণে বুকুত হাতখন দি হুমুনিয়াহ কাঢ়িবলৈ ধৰিলে।

গাভৰু—"মেডেম, তাৰ পিছত এই ছবিখন। ইয়াৰ পৰা বুজিব পাৰি যে তেওঁ আপোনালোকৰ পৰা বিদায় মাগিছে।"

কেথেৰিণে চকুলো টুকিব লৈ ধৰিলে। তাৰ পিছত লিখিছে—

'ছিব্ৰাও আৰু কৰ্ণেলিছ! তইত সুখেৰে থাক—কিন্তু তইতে আৰু এই দুৰ্ভগীয়া জেৰাৰ্ডক দেখা নাপাবি।"

কেথেৰিণ—"হঁা, কি লেখিছে, আইটি!"

তাৰ পিছত লিখিছে—

"মৰমৰ আইটি, কেট! তুমি মোৰ জীৱনৰ চাকি! তুমি তেওঁৰ প্ৰতি—অৰ্থাৎ মাৰ্গেৰেটৰ প্ৰতি মৰম-চেনেহ নেৰিবা। মই নিষ্ঠুৰ, নিৰ্ম্মম, নিৰ্দ্দয়; নহলে তেওঁক এৰি আহোনে? আহা কেট! তুমি তেওঁক নেৰিবা, তেওঁক কোনো মনোকষ্ট নিদিবা। মোৰে শপত, কেট! তেওঁক দুখ দিয়া মানে মোৰ মনত আঘাত দিয়া; তেওঁৰ কষ্টই মোৰ মৃত্যু।"

গাভৰু সেইপিনে মূৰ্চ্ছিত হৈ পৰিল আৰু পঢ়িব নোৱাৰিলে। কেথেৰিণ আচৰিত। আথে বেথে উঠি গাভৰুৰ মূৰটো কোলাত সুমুৱাই লৈ বিছিবলৈ ধৰিলে। এই গাভৰু কোন? বোধহয় পাঠকৰ বুজিবলৈ বাকী নাই; এবেঁই জেৰাৰ্ডৰ প্ৰণয়িনী অৰ্দ্ধাঙ্গিনী মাৰ্গেৰেট ব্ৰাও।

মাৰ্গেৰেটে চেতনা পোৱাৰ পাছত কেথেৰিণ ঘৰলৈ গল। ঘৰ সোমায়েই দেখে, সেই সিদিনা দেখা সৈনিক-জন এখন চকিত বহি আছে। কেথেৰিণ ঘৰত সোমোৱা-মাত্ৰকে ডেনিজে ঠিয় দি নমস্কাৰ জনালে। তেওঁ ডেনিজৰ মুখৰপৰা ভৰিলৈ চোৱাৰ পাছত আচৰিত হৈ সুধিলে—

"তুমি ইয়াত কিয় ?"

"মাৰ্গেৰেট ব্ৰাওক বিচাৰি আহিছো, মেডেম!"

"মাৰ্গেৰেট ব্ৰাও! কোন মাৰ্গেৰেট-চাৰ্গেৰেট আমি একো নাজানো।"

ডেনিজৰ খং উঠিল; কলে, "মেডেম! আপুনি নিশ্চয় মাৰ্গেৰেটক জানে—মিছা কয় কিয় ?"

"জানো নামটো। তায়ে মোৰ জীৱনৰ সৰ্ব্বস্ব জেৰাৰ্ডক হেৰুৱাইছে।" ডেনিজে কোমল মাতেৰে সুধিলে,—"মেডেম! অনুগ্ৰহকৈ তেওঁ কত থাকে অন্ততঃ তাকে কওক।" কেথেৰিণৰ আকৌ সেই মূৰ্ত্তি—গম্ভীৰভাৱে কলে, "সেইবোৰ মই নাজানো আৰু জানিবৰ চেষ্টাও নকৰো।"



"আপোনালোক এনেকুৱা নিৰ্দ্দয়! মই মাৰ্গেৰেটক বিচাৰি হাবাথুৰি খাই ফুৰিছো, তথাপি তেওঁ ক'ত থাকে সেই সামান্য কথাটোকে আপোনালোকে নকয়? ছি, ছি! কি দেশত পৰিলোহি!"

"আমি সকলো জানো, কিন্তু নকওঁ।"

এনেতে এলি ছাহাব ভিতৰ সোমালহি। ডেনিজে আকৌ সুধিলে, "কি মেডেম! মিষ্টাৰ জেৰাৰ্ডে একো লিখা নাই ?"

এলিয়ে সকলোকে বাধা দি সুধিলে, "বোপাই! তুমিনো কোন? কৰপৰা আহিলা? থাকা কত? আমাৰ সেই জেৰাৰ্ডৰ কথানো কেনেকৈ জানা? কোৱাচোন?"

ডেনিজ এলিৰ কাতৰ আৰু আগ্ৰহপূৰ্ণ প্ৰশ্নবোৰ শুনি অলপ নম্ৰ হল। এলিক সুধিলে, "ফাডাৰ! মিষ্টাৰ জেৰাৰ্ডে মোৰ কথা একো লিখা নাইনে? মই বাৰ্গেণ্ডি ৰজাৰ এজন সৈনিক—নাম ডেনিজ।"

এলি—"নাই, বোপাই! তোমাৰ কথা একো লিখা নাই।"

ডেনিজে দুখেৰে কবলৈ ধৰিলে, "বোধহয় সেই দোষণীয়া চিঠিখন মাৰ্গেৰেটৰহে হব পায়।" এই বুলি কৈয়ে ডেনিজৰ খং উঠিল আৰু গদ্‌গদ্‌কৈ কবলৈ ধৰিলে, "মৰোক বেটী অভাগী! তাইক ইমানদিনে বিচাৰি হাবাথুৰি খালো, তথাপি তাইৰ কোনো সুংসূত্ৰকে নাপালো।"

ডেনিজে আৰু কিবা কব খুজিছিল, কিন্তু কেথেৰিণে টপৰাই মাত দিলে, "কিয় বোপা, জেৰাৰ্ডৰ প্ৰণয়িনী হলে তোমাৰো প্ৰণয়িনী নহয় নে?"

ডেনিজৰ খণ্ডে মূৰৰ চুলি পালেগৈ। "কেনেকৈ মিষ্টাৰ জেৰাৰ্ডৰ সহধৰ্ম্মিনী মোৰ হব পাৰে?" বুলি খঙৰ কোবতে দুষাৰমান কৈ গপ্‌গপাই বাহিৰ ওলাই গুচি গল।

(২২)

## গৰাকী ওলাল

পিটাৰৰ লাহে লাহে মৃত্যুৰ ওচৰ চাপিলহি। এনেয়ে নগৰ ছোৱালীবোৰে, সখীসকলে, ওচৰ-চুবুৰীয়াসকলে ঠাট্টা-বিদ্ৰূপ কৰে, কাৰণ জেৰাৰ্ডে গুপ্তভাৱে বিয়া কৰাই তেওঁক এৰি থৈ গৈছে। দ্বিতীয়তে প্ৰচলিত নীতি-নিয়মানুসাৰে যি বিবাহ-পত্ৰ (marriage bonds) লিখা হয়, সেইখন ছোৱালীৰ লগত থকা উচিত; কিন্তু সেই বিবাহ-খণ্ডখন মাৰ্গেৰেটৰ লগত নাই, সেইখন, জেৰাৰ্ডে বুকুত সাৱটি লৈ গৈছে। তদুপৰি মাৰ্গেৰেট গৰ্ভৱতী। গতিকে তেওঁৰে পক্ষে ছেভেনবাৰ্গেনত বাসকৰা অসহনীয় হৈ উঠিল। একো উপায় নেদেখি তেওঁ বুঢ়া বাপেকক লগত লৈ ৰটাৰ্ডমত থাকিলগৈ। তাত কিছুমান দিন তেওঁ বাপেকৰ সহায়ত কবিৰাজী কৰি জীৱিকা উলিয়ালে। কিন্তু আজিকালিৰ দৰে তেতিয়াও কোনো ডিগ্ৰী বা লাইছেন্স নোপোৱা ডাক্তৰ কবিৰাজে ব্যৱসায় চলাব নোৱাৰিছিল; সেইদেখি মাৰ্গেৰেটৰ সেই কামো বন্ধ হয়। জীৱিকা-নিৰ্ব্বাহত টান পৰাত শেষত তেওঁ খোবাৰ কামত ধৰিলেগৈ। তেওঁ খোবাৰ কামত বৰ পৈণত আছিল। বৃদ্ধ সৈনিক মাৰ্টিনেও তেওঁক এই কামত যথেষ্ট সহায় কৰিছিল। এইদৰে তিনিও সুখেৰে দিন নিয়াবলৈ ধৰিলে।

ডেনিজে ছেভেনবাৰ্গেন আৰু অন্যান্য ঠাইত বিচাৰি বিচাৰি হাবাথুৰি খালে, কতো একো খবৰ নাপালে। অৱশেষত হতাশ হৈ তেওঁ ৰটাৰ্ডমলৈ গল। মনে মনে ঠিক কৰিলে 'এয়ে শেষ।' এই বুলি তেওঁ ৰটাৰ্ডম নগৰৰ হাটে-বাটে, নৈৰ ঘাটত, নাদৰ পাৰত, পুখুৰী পাৰত, সকলোতে খাপ ললে।

দিনৰ পাছত দিন গল, মাহৰ পাছত মাহত মাহ গল; তথাপি মাৰ্গেৰেটৰ কোনো সন্ধান পোৱা নগল। এদিন এটা নিজৰাৰ ওচৰত কিছুমান ডেকা-গাভৰু লগ-লাগি ধেমালি কৰি আছে; এনেতে আমাৰ সৈনিক-ৰাজ ডেনিজ তাত উপস্থিত হলগৈ। সিহঁতৰ লগত তেওঁ এটি-দুটিকৈ কথা পাতিলে। কিছুসময় কথা-বাৰ্ত্তা হোৱাৰ পাছত তেৰোঁ সিহঁতৰ মেলত যোগ দিলেগৈ। এজনী গাভৰু ডেনিজৰ ওচৰলৈ আহি হাঁহি এটি মাৰি সুধিলে, "বাৰু, মোৰ নাম কি কোৱাচোন ?"

ডেনিজে টপৰাই উত্তৰ দিলে, "মাৰ্গেৰেট!"

মাৰ্গেৰেটে আচৰিত হৈ কলে, "কি! মোৰ নাম তুমি কেনেকৈ জানা? তুমি কোন? তোমাৰ নাম কি? কৰপৰা আহিছানো?"

"মোৰ নাম ডেনিজ! মই জেবাৰ্ডৰ———।"

"জেৰাৰ্ড!" মাৰ্গেৰেটে হাততে স্বৰগ পালে। ডেনিজক কথা কব নিদি তেওঁ একে উশাহতে ডেনিজক সুধিলে, "কিয় জেৰাৰ্ড! তেওঁ জীয়াই আছেনে? তেওঁ ক'ত আছে? কি কৰিছে?"

ডেনিজে গতি বিষম দেখি কিছু সময় মনে মনে থাকিল। মাৰ্গেৰেটে আকৌ সুধিলে, 'বন্ধু, তুমি মোৰ পৰমহিতৈষী বন্ধু। কোৱাচোন, সঁচাকৈয়ে জেৰাৰ্ড জীয়াই আছেনে?"

ডেনিজে যুৱ জোকাৰি উত্তৰ দি নগৰৰফালে খোজ ললে। মাৰ্গেৰেটেও মন্ত্ৰমুগ্ধ সৰ্পৰ দৰে ডেনিজৰ পিছে পিছে খোজ ললে।

গাভৰুদলৰ মাজত উকলি উঠিল। কোনোৱে "এতিয়াহে বেটীয়ে পালে।" কোনোৱে বা "বেছ মিলিছে—একেবাৰেই মনে-খোৱা" বুলি নানা ঠাট্টা-বিদ্ৰূপ কৰিবলৈ ধৰিলে।

ডেনিজ প্ৰাণতকৈও অধিকপ্ৰিয় জেৰাৰ্ডৰপৰা আহিছে, গতিকে ডেনিজ আৰু মাৰ্গেৰেটৰ ভিতৰত কত কথা আছে! দুয়ো দিনে-ৰাতি বহি বহি যেন তাকেই আলোচনা কৰিব! ডেনিজে মাৰ্গেৰেটৰ মনৰ ভাবৰ গম পাই লাহেকৈ জেৰাৰ্ডৰ সেই চিঠিখন তেওঁৰ হাতত দিলে। মাৰ্গেৰেটে চিঠি পায়েই মনৰ হেপাহত পাৰেমানে চিঠিখনত চুমা খালে; এবাৰ, দুবাৰ, দহবাৰ, কুৰিবাৰ পঢ়িলে; তথাপি হেপাহ নপলাল।

ডেনিজৰ লগত মাৰ্গেৰেটৰ সকলো কথা-বতৰা হল, তেওঁলোকৰ মাজত সম্পূৰ্ণ চিনা-পৰিচয় আদি হল; ক্ৰমে বন্ধুত্ব স্থাপিত হল। ডেনিজ আৰু কলৈকো নগৈ তাতেই ৰৈ গল।

ডেনিজেও মাৰ্গেৰেটক কাপোৰ-ধোৱা ধোবাৰ কামত সহায় কৰিবলৈ ধৰিলে। এদিন মাৰ্গেৰেটে ডেনিজক কলে, "ডেনিজ! তেওঁ মোৰ কেথেৰিণ শাহুহঁতৰ ঘৰলৈ গৈ চিঠিখন পঢ়ি শুনাব দিছে। সেইদেখি মই টাৰ্গোলৈ অলপতে যাম। তুমি তেওঁলোকক খবৰ দি আহাগৈ।"

ডেনিজে ততালিকে টাৰ্গোলৈ গৈ কেথেৰিণহঁতক সকলো খবৰ জনালেগৈ। দুদিনমান পাছতে মাৰ্গেৰেটে ধুনীয়া সাজ-পাৰ পিন্ধি সৈনিকৰাজ ডেনিজক লগত লৈ কেথেৰিণহঁতৰ ঘৰত উপস্থিত হ'লগৈ। মাৰ্গেৰেট ঘৰ সোমোৱা মাত্ৰকে সকলো থিৰ হ'ল। মাৰ্গেৰেটে ৰাজহংস-গমনেৰে লয়লাসকৰি ঘৰৰ মজিয়াখন কোনোমতে পাৰ হৈ এখন চকিত বহিলগৈ। কিন্তু মজিয়াখন পাৰহওঁতে মাৰ্গেৰেটৰ শৰীৰৰ দুৰ্ব্বলতা ধৰা পৰিল। সেইদেখি সেই দৃশ্য এলি আদি যটা মানুহ কেজনৰ চকুত ভাল নেলাগিল; কিন্তু কেথেৰিণ আৰু কেটৰ মনত অপাৰ আনন্দ— অলপতে তেওঁলোকে জেৰাৰ্ডৰ সন্তানৰ মুখ দেখা পাব।

## (২৩)

## চিঠি

কেথেৰিণ আৰু মিছ্‌ কেটে ডেনিজ আৰু মাৰ্গেৰেটক যথোচিত অভ্যৰ্থনা কৰিলে। দুই-চাৰিষাৰ কথাৰ পিছত মাৰ্গেৰেটে লাহেকৈ ভিতৰ জেপৰপৰা চিঠি এখনি উলিয়াই সকলোৰে ফালে চাই মিনতিভাৱে কবলৈ ধৰিলে "আপোনালোকৰ জেৰাৰ্ডৰপৰা চিঠি এখন পাইছো; যদি অনুমতি দিয়ে তেন্তে পঢ়িব পাৰো।"

সকলো মান্তি হল, কাৰণ জেৰাৰ্ডৰ চিঠি শুনিবৰ নিমিত্তে আগৰেপৰা তেওঁলোকৰ আগ্ৰহ জন্মিছিল। অনুমতি পাই মাৰ্গেৰেটে কোমল সুৰেৰে আৰম্ভ কৰিলে— "প্ৰাণৰ প্ৰতিমা মাৰ্গেৰেট!

"কি লিখিম? লিখিবৰ শক্তি যে লোপ পালে! কাকত কলম হাতত লৈ যিদিনাই তোমালৈ লিখিম বুলি ওলাও, অন্তৰ ফাটি যায়; চকু-লোৰে কাকত তিতি যায়—সিদিনা আৰু লিখা নহয়। কতদিন লিখিবৰ চেষ্টা কৰিলো, কত দিন লিখিব নোৱাৰি নিৰাশ হলো! তথাপি আজি প্ৰাণবন্ধু ডেনিজক লগপাই দুষাৰ লিখিলো—বেজাৰ নাপাবা দেই। মৰমৰ মাৰ্গেৰেট! আহা! তোমাক কোন সত্তেৰে যে মই এৰি আহিছো—কোন



সত্তেৰে তোমাৰপৰা যেলানি মাগিছো সেই কথা মনত পৰিলে হিয়া দেই-পুৰি যাৰে, বুকু ফাটি চিটাচিট হয়, জ্বালা-যন্ত্ৰনাত তৎ নাপাই ৰাতিদিন টোপনি নাহে। আহা! মাৰ্গেৰেট, তুমিও মোৰে নিচিনা কষ্ট ভুগিব লাগিছানেকি? মাৰ্গেৰেট! ঘোৰ নিষ্ঠুৰ মই, ঘোৰ নিৰ্দ্দয়, নিৰ্ম্মম মই—মোৰ সমান পাপী নৰাধম পৃথিবীত নাই। এই নিষ্ঠুৰ কৃতঘ্নৰ নিমিত্তে পৃথিবীত ঠাই আছেনে নাই কব নোৱাৰো। সেইবাবে মাৰ্গেৰেট! তোমাৰ ওচৰত মই ক্ষমা খুজিছো—নহয়, ক্ষমা নোৱাৰা কৰিব তুমি—এনুৱা নিৰ্দ্দয়, নিৰ্ম্মম, নিষ্ঠুৰ পুৰুষ ক্ষমাৰ যোগ্য নহয়—তেনেহলে জগতে হাঁহিব। তুমি মোৰ ছবি মনৰপৰা মচি পেলোৱা—মোৰ নিচিনা কঠুৱা নিৰ্দ্দয় পুৰুষৰ কথা মনলৈ নানিবা—আজিৰপৰা তোমাৰ ওচৰত চিৰবিদায়। কিন্তু মাৰ্গেৰেট! ডেনিজ মোৰ প্ৰাণতকৈও অধিক প্ৰিয় বন্ধু। তোমাৰ পিছতে সংসাৰত দ্বিতীয় প্ৰিয় বস্তু—সৈনিকৰাজ ডেনিজ। তুমি তেওঁক মৰম কৰিবা—আদৰ কৰিবা—চেনেহ কৰিবা। ডেনিজ আৰু মোৰ মাজত পাৰ্থক্য নাই—অভিন্ন হৃদয়—দুইৰো একেটা প্ৰাণ, একেটা মন—আৰু কি কম! ডেনিজৰ ওপৰত তোমাৰ সকলো ভাৰ দিলো, তুমি তেওঁক নেৰিবা।

• • •

"মাৰ্গেৰেট! মনৰ কথা কিমান লিখিম—লিখি ওৰ পেলাব নোৱাৰো। সকলো কথা বন্ধুবৰ ডেনিজৰপৰা জানিবা। তোমাৰ বিয়াৰ খতখন বুকত বান্ধি লৈ আজি বাটে-ঘাটে ভিক্ষা খুজি খাই ৰোমলৈ বুলি যাত্ৰা কৰিলো এয়ে শেষ বিদায়। ইতি

তোমাৰ দুৰ্ভগীয়া

জেৰাৰ্ড"

চিঠি পঢ়ি শেষ কৰিয়েই মাৰ্গেৰেট নিমাত; দীঘল-দীঘলকৈ হুমুনিয়াহ পেলাবলৈ ধৰিলে। চকুলোৰে বডা গাল দুখনি উপচি পৰিল, ডেনিজৰ গাত লাহেকৈ ঢলি গল।

শাহুৱেক কেথেৰিণে আথে-বেথে উঠি আহি বিছিবলৈ ধৰিলে। ঘটনা দেখি বুঢ়া এলিৰ মনতো দুখ লাগিল। তেওঁ ততালিকে 'ছৰবত' তৈয়াৰ কৰি এগিলাছ ভাই মাৰ্গেৰেটক খুৱালে আৰু মাৰ্গেৰেটে পুনৰ জ্ঞান নাপালেমানে তাতেই পৰ দি বহি থাকিল।

মাৰ্গেৰেট দুটামান হুমুনিয়াহ কাঢ়ি পোন হৈ বহিল। কেথেৰিণে সুধিলে—'আইটি, কি হৈছে তোমাৰ?'

'আই, একো হোৱা নাই; বৰ ভাগৰ লাগিছে।'

মাৰ্গেৰেটে কেথেৰিণৰ লগত আৰু এদিন মাৰ্গেৰেট ভান আইকৰ ঘৰত কথা পাতিছিল; কিন্তু সিদিনাও তেওঁ শাহুৱেকক 'আই' বুলি সম্বোধন কৰা নাছিল। আজি প্ৰথম তেওঁক 'আই' বুলি সম্বোধন কৰিলে। কেথেৰিণৰ অন্তৰ গলি-পমি গল। কেথেৰিণে মাৰ্গেৰেটৰ মনৰ ভাব বুজিছে—তেওঁ কিয় ইমান দুৰ্ব্বল, কিয় অলপ দূৰতে ভাগৰ বোধকৰে। তিৰোতাৰ কথা তিৰোতাইহে বুজে। তাতে আকৌ মাৰ্গেৰেটৰ কোমল সুৰৰ 'আই' সম্বোধনে কেথেৰিণক ক্ৰমে নিজৰ ফালে টানি আনিলে, কেথেৰিণক নিজৰ কৰি ললে। কেথেৰিণেও যেন নিজৰ সৰ্ব্বান্তঃকৰণ মাৰ্গেৰেটৰ আগত খুলি দিব, এনেভাৱে কথা কবলৈ ধৰিলে। কেথেৰিণৰ মনত মাৰ্গেৰেট নিজৰ বোৱাৰী যেন লাগিল। দুয়ো হাঁহি-মেলি নানাৰকম কথা পাতিবলৈ ধৰিলে। বুঢ়া এলিয়ে তেওঁলোকৰ কথা-বতৰাকে শুনি তবধ লাগি তলমূৰকৈ আছে, এনেতে চাহ-ৰুটিৰে জলপানৰ মিহা মেজৰ ওপৰত উঠিলহি। জলপান আদি খোৱাৰ পিছত কেথেৰিণ আৰু মাৰ্গেৰেটৰ আকৌ কথা আৰম্ভ হল। এইবেলি কেথেৰিণ মাৰ্গেৰেটৰ গাতে হেলন দিয়াকৈ বহিলগৈ আৰু দুয়ো হালি হালি মুৰ দুটা লগ লগাই কথা পাতিবলৈ ধৰিলে। লাহে লাহে মাতৰ শব্দ নোহোৱা হল; দুয়ো ফুচফুচাই মেল পাতিলে। কেথেৰিণে কিছু সময় কথা কয়, আকৌ এবাৰ মাজতে বুঢ়া এলিৰ ফালে কেৰাহিকৈ চায়। বুঢ়া এলিৰ আৰু সহ্য নহল; লাহেকৈ মাত দিলে,—

"কেট, আজিয়েই শেষ কৰিবানে? কালিলৈকো অলপ বাকী এৰাচোন। কথাতেই দেখোন একেবাৰে বলিয়া, তুমিয়ে কৈ থাকিলেই হয়নে? ময়ো এবাৰ কওঁচোন।"

মাৰ্গেৰেট আৰু কেথেৰিণৰ কথা বন্ধ হল; দুয়ো হমুনিয়াহ কাঢ়িবলৈ ধৰিলে। বুঢ়াদেৱে সুধিলে, "মাৰ্গেৰেট, জেৰাৰ্ডে যে চিঠিখনত কিবা বিয়াৰ খতৰ (marriage bond) কথা লিখিছে, সেইবোৰ কি?"

মাৰ্গেৰেট নিমাত—উত্তৰ দিব নোৱাৰিলে। তিকতা মানুহ লাজুকীলতা, লাজে বাধা দিলে। কিন্তু এই বিষয় সকলো কথা অলপ আগেয়ে শাহুৱেকৰ আগত ভাঙি-পাতি কৈছে।

কোনো উত্তৰ নাপাই বুঢ়াদেৱে আকৌ সুধিলে—"উত্তৰ নিদিয়া কেলেই? সেইবোৰ নো কি কথা লিখিছে, কোৱাচোন ভাঙি; একো লাজ নাই।"

মাৰ্গেৰেটৰ অৱস্থা দেখি কেথেৰিণে উত্তৰ দিলে, 'সেইবোৰনো কিহৰ!—জেৰাৰ্ড আৰু মাৰ্গেৰেটৰ মাজত কোনোবা দিনাই বিয়া হৈ গৈছে নহয়!'

'হাঁ! সচাকৈয়ে নে কি? কেতিয়া ক'ত বিয়া হৈ গল?'

'যেতিয়া তুমি কাপোৰৰ বেপাৰত ফুৰিবলৈ গোৱা, তেতিয়াই টাৰ্গোৰ গিৰ্জ্জাঘৰত সিহঁতৰ বিয়া হৈ গৈছে।'

'তেতিয়া তাত কোন কোন সাক্ষী আছিল?'

'তুমি সেই বিষয়ে অলপো চিন্তা নকৰিবা। গিৰ্জ্জাঘৰত ধৰ্ম্মপুৰোহিত নিজে উপস্থিত থাকি ব্ৰেণ্ড ছাহাব আৰু বৃদ্ধ সৈনিক মাৰ্টিন আদিক প্ৰামুখ্য কৰি জেৰাৰ্ড আৰু মাৰ্গেৰেটক বিয়া দিছে।'

'অ, মই কিবাটো হে ভাবিছিলো। (বুঢ়াই ইমানদিনে ভাবিছিল যে জেৰাৰ্ড মহা দুষ্ট, লম্পট। তেওঁ ডেকা—গাভৰু মাৰ্গেৰেটক উপপত্নী কৰি লয় আৰু তেওঁৰ বাবেই তেওঁ তেওঁৰ পবিত্ৰ নামত কলঙ্ক সানি নিজ ধৰ্ম্ম পৰিত্যাগ কৰি পলাই যায়। সেইবাবেই বুঢ়া এনিয়ে জেৰাৰ্ডক দিনে-ৰাতিয়ে অভিশাপ দিয়ে। আজি আচল ঘটনা ওলাই পৰাত তেওঁৰ মনৰ সকলো ধুৰঁলি-কুঁৱলী, সন্দেহ, মনৰ খুকুৰি অন্ত পৰিল।)

এনেদৰে মনত আনন্দ লাগিল। অলপবেলি ভাবি-চিন্তি হাঁহি এটা মাৰি ক'লে, "কেট, তেনেহলে তুমি টকাৰ যোগাৰ কৰা; আজিয়েই মই জেৰাৰ্ডলৈ চিঠি লিখো, সি অতি সোনকালে ঘৰলৈ আহক। মাৰ্গেৰেট আইটি! তুমি এতিয়া যোৱা।" এই বুলি কৈ এলি ওলাই গল।

কেথেৰিণে মাৰ্গেৰেটৰ লগত আকৌ কিছুপৰ কথা পাতি বিদায় দিলে আৰু "মাজে সময়ে আহি থাকিবা আইটি" বুলি চিৰনিমন্ত্ৰণ জনাই থলে। (আগলৈ)

শ্ৰীশান্তিৰাম দাস

---

## দৰশন

ভাবৰ মাটিৰে গঢ়ি চকুৰ আগত
দাঙিধৰো পুতলাটি কল্পেকৰ হেতু,
মেঘৰ মাজত যেন বিজুলীৰ বেশে
এন্ধাৰৰপৰা গঢ়ে পোহৰলৈ সেতু।
এন্ধাৰ পোহৰ দেখো চাই থাকোতেই
সেতু যায় পমি খহি ভাব-সাগৰত,
ধৰো ধৰো বোলোতেই মানসৰ পুতলাটি
পমিযায় কৰবাৰ ঘোৰ এন্ধাৰত।
মানস পুতলা আহি ৰূপৰাশি লই
কণ্ঠতে চৰণ আঁকি দিয়ে দৰশন,
খিলঞ্জীয়া সুখ বুলি ধৰো বোলোতেই
সকগোটি অন্তৰ্দ্ধান, নোহে পৰশন।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

---



## মুকুতা

[ ইংৰাজী কবিতাৰপৰা ]

( ১ )

সি দুটি চকুৰে পিয়া মাৰোঁ তুমি,
পিম মই বুকু ভৰি;
অমৃত নেলাগে,— বাটিটিতে যদি
চুমা এটি যোৱা এৰি।
বুকুত লাগিছে প্ৰেমৰ পিয়াহ,
আৰু একো নিবিচাৰো;
তোমাৰ ওঁঠৰ ৰহকণি পালে
সকলো এৰিব পাৰো।

তোমাৰ হাতত দিছিলো সিদিনা
কেতেকী পাহিটি তুলি;
স্নেহত নহয়, —তোমাৰ হাতত
মৰহি নেযাব বুলি;
তুমি তাক সুঙি এবাৰ মাথোন,
দিলা মোক ওলোটাই;
কেতেকীৰ গোন্ধ নহয় এতিয়া,
প্ৰিয়াহে মলেমলায়।

( ২ )

আৰু সুসুধিবা, বসন্তত ফুলা
ফুলবোৰ কিনো হয়,—
তোমাৰ দেখোন দেহ-ফুলনিতে
বাৰমাহ ফুলি ৰয়!

কিয় সোধা বাৰু, কলইনো যায়
সুকমৰ চিকিমিকি,—
তোমাৰ দেখোন নেঘেৰী খোপাতে
জ্বলে সিও জিকিমিকি!

কেলেই বুলিছা, বসন্ত গলেই
নেথাকে কেতেকী কুলি,—
তোমাৰ কণ্ঠেৰে নিতউ সিহঁতে
গায় পঞ্চমত তুলি!

সুধিছা, কলই গতি কৰে নিশা
খহিপৰা তৰাবোৰে,—
লাগি আছে দেখোঁ তোমাৰ চকুতে
সৌৰজগতৰ দৰে!

আৰু সুসুধিবা, ক'ত বাহ লয়
ফীনিক্স* চৰাইটিয়ে,—
তোমাতে যে সিও থাকে চিৰকাল,
তাতে মৰি মৰি জীয়ে!

---

## "আসাম হিতৈষী"ৰপৰা টোকা

( বৰো-কছাৰী জাতিৰ বুৰঞ্জীৰ আভাস আৰু অসমীয়া ভাষা )

"এতিয়া আমি গুৱালপাৰা জিলাবাসী বৰো সকলক সুধিবৰ ইচ্ছা কৰো, এটি নামে যেনেকৈ গোটেই জাতিটিক বুজায়, তেখেতসকলে নামৰ বিশৃঙ্খল আনি তাক ভাগ ভাগ কৰিবৰ চেষ্টা কৰাহেন মনে ধৰে। যি কোনো জাতিয়ে শক্তিশালী হব খুজিলে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিয়তা বিলাক পৰিহাৰ কৰি সমষ্টি অৰ্থাৎ সকলো বিলাক একমুঠ কৰি ডাঙৰ জাতীয়তাক সাৱত মাৰি ধৰে, এইয়েই যি কোনো জাতিৰ সুবুদ্ধিৰ চিন। যি কোনো জাতি গোট এক হলেই

* পছিমীয়া পুৰাণৰ মতে এটা চৰাই। ই সতকাই নমৰে, আৰু মৰিলেও হেনো ই তাৰ ছাইৰ পৰা আকৌ নতুন ফীনিক্স হৈ জন্মে।

যিখন দেশত পূৰ্ব্বৰে পৰা বাস কৰি আছিছে তাৰ নামেই জাতিটোৰো নাম হৈ পৰে। ইউৰূপৰ ফালেও আদিতে প্ৰত্যেক খন দেশত নানা ভাষা—দোৱানেৰে কথা কোৱা বহু বেলেগ বেলেগ জাতি আছিল, কিন্তু সৌভাগ্যগুণে সেই বিলাক মানুহৰ সুবুদ্ধি জন্মি ক্ৰমে এটাই ভাষা এবি এটা ভাষা পাতি এক হৈ পৰিল।

বৰ্ত্তমান গ্ৰেট ব্ৰিটন—ইংলণ্ডৰ যি বিলাক জিলা আছে পূৰ্ব্বে একো একো খন জিলাৰ একো একোটা বেলেগ ভাষা আছিল। এতিয়াও ওৱেলছ, স্কটলেণ্ড আৰু আয়াৰ লণ্ডৰ ভাষা বেলেগ বেলেগ। হাইলণ্ডৰ আৰু ওৱেলছৰ মানুহ আমাৰ কছাৰী জাতিতকৈ ঘোৰ অসভ্য আছিল, বৰ্ত্তমান এটা ভাষা ৰাষ্ট্ৰপাতি সকলো বিলাক জাতি এক হৈ এখন সভ্য আৰু শক্তিশালী দেশ হৈ পৰিল। যি ঠাইৰ ভাষাটো শুনিবলৈ সুৱলা, কৰ্কৰীয়া নহয়, তাকেই দেশে গ্ৰহণ কৰা স্বাভাৱিক। বৰ্ত্তমান যিটো বঙ্গভাষা সেইটো নদীয়া শান্তিপুৰৰ ফালৰ ভাষা, ই শুনিবলৈ সুৱলা, বেকা বেকী, হেটা-মেছা কথা নথকা গতিকে বঙ্গালী জাতিৰ ভাষা হৈ পৰিছে। বিশেষকৈ যি ঠাইত ৰাজধানী থাকে সেই ঠাইৰ ভাষাই গোটেই জাতিটোৰ ৰাষ্ট্ৰীয় ভাষা হৈ পৰে। গৌড় ৰাজধানী আৰু নৱদ্বীপৰ কৃষ্ণনগৰত ৰজা থকা কাৰণেই পশ্চিম বঙ্গৰ ভাষাই বৰ্ত্তমান ভাষা হৈ পৰিল।

এই দৰে আগেয়ে কোচবেহাৰ ৰাজধানীত আসামৰ বৈষ্ণৱ পণ্ডিত সকলে মিলি যিটো ভাষাৰে বৈষ্ণৱ ধৰ্ম্ম গ্ৰন্থ বিলাক লেখি সেই ধৰ্ম্ম প্ৰচাৰ কৰিছিল সেই কালত সেয়ে কামৰূপীয়া ভাষা হৈ পৰিছিল। এই বৈষ্ণৱ গ্ৰন্থ বিলাক উজনি আসাম খণ্ডতো প্ৰচাৰ হৈ পৰিল। ইয়াৰ পিছত আহোমৰ প্ৰতাপ বাঢ়ি যেতিয়া কৰতোৱা নদী পৰ্য্যন্ত এ সময় আসামৰ সীমা পতা হৈছিল সেই সময় আহোম ৰজাৰ ৰাজধানী শিৱসাগৰৰ ভাষাকে ক্ৰমে ৰাষ্ট্ৰীয় ভাষা পতা হৈ পৰে। এই শিৱসাগৰৰ ভাষাই বৰ্ত্তমান অসমীয়া ভাষা। একে কামৰূপীয়া ভাষায়েই উজনী খণ্ডত কঠিন উচ্চাৰণ এৰি কোমল আকাৰ ধাৰণ কৰি সুৱলা ভাষা হৈ পৰিল, এই নিমিত্তে বৰ্ত্তমান নৱদ্বীপ বা শান্তিপুৰীয়া ভাষা বঙ্গভাষা হোৱাৰ দৰে উজনীয়া ভাষাই এতিয়া অসমীয়া ভাষা হল। প্ৰাক্ ঐতিহাসীক যুগৰে পৰা প্ৰমাণ হয় গুৱালপাৰ আসামৰ এটি অংশ, মৌলবী আবদুল হামিদ মিঞাই জমাদাৰ হাটত বহা গুৱালপাৰ জিলাৰ অধিবেশনৰ সভাপতি আসনত গ্ৰহণ কৰি বুকু পোৱণিত চটফটাই যিটো বক্তৃতা দিছিল, তাত তেওঁ গুৱালপাৰক বঙ্গদেশৰ অংশ বুলি কবলৈ কোন যুৰুজীত পালে আমি কব নোৱাৰো। তেওঁৰ পাণ্ডিত্যৰ বেগ দেখি আমাৰ হাঁহি উঠে। তেখেতে গুৱালপাৰত লাহে লাহে অসমীয়া ভাষা প্ৰচলন হোৱা দেখি মনৰ দুখ বেজাৰেৰে এনে কথা প্ৰকাশ কৰিছে যে, "আমালোক বঙ্গ জননীৰ সন্তান হৈও বৰ্ত্তমান আসাম মাতাৰ কোলাত পৰিছো," "গুৱালপাৰ মাতৃ হেৰুৱা সন্তান" এনে বিলাক কথা মৌলবী চাহাবে বঙ্গ ভাষাৰে প্ৰকাশ কৰি গুৱালপাৰৰ নিমিত্তে যি খিনি ধৃতৰাষ্ট্ৰ কান্দোন ধৰি বিলাপ সুৰেৰে সভাত অভিভাষণ কৰিলে, তাৰ প্ৰতিবাদ নকৰাকৈ আমি থাকিব নোৱাৰিলো। তেওঁ কোৱা সকলোবিলাক অসাৰুৱা কথাৰ ভিতৰত মাতৃ অৰ্থাৎ মাকক হেৰুৱা সন্তান বুলি যে গুৱালপাৰক কৈছে এইটো কথা হলে সঁচা।

গুৱালপাৰক মাতৃ হেৰুৱা সন্তান কৰি তোলা ৰাজবংশী জমীদাৰ সকলৰ বঙ্গদেশী দেৱানসকলে বলেৰে বঙ্গ ভাষা চলাই ভাই ভাই সকলৰ পৰা বেলেগ কৰি বহু দিন ধৰা হেতুকে অসমৰ যে কি অসহ অনিষ্ট সাধন কৰিছিল তাক আগেয়ে গুৱালপাৰৰ অসমীয়াসকলে বুজিব পৰা নাছিল, এতিয়া তেখেতসকলে নিজক বঙ্গ জননীৰ সন্তান নহয় বুলি বুজি পাই আসাম জননীহে নিজা জননী বুলি জানি সাৱত মাৰি ধৰিবলৈ আগ বাঢ়িব খোজাত বঙ্গদেশৰ কেলেহুৱা ( Interloper ) হিন্দু মুছলমানসকলৰ ধঁৎফৰণি লাগে কেলৈ যে ই অতি আচৰিত কথা! ইয়াৰ আগৰ সংখ্যা সম্পাদকৰ বুলনিতে দেখাই আছিছো যে বাপেকৰ নাম কব নোৱৰা সন্তানক জহৰা বোলে, মাক বাপেক কাৰো নাম কব নোৱৰা সন্তানক গহৰা বোলে। কোনো জাতি বা মানুহৰ পক্ষে গহৰা বুজুৱা বৰ লাজ অপমানৰ কথা।



গুৱালপাৰে "অসমীয়া" নাম লোৱা যেনে গৌৰৱ জনক, যদি বঙ্গালী বুলি গহৰা পৰিচয় দিয়ে তাতকৈ অপমান জনক কথা একো নাই। প্ৰায় ৩০০।৪০০ বছৰ আয়াৰ লণ্ডৰ ছিনফিন সকলে, ইংৰাজে বলেৰে মাতৃভাষা একৰাই ইংৰাজী ভাষা প্ৰচলন কৰা হেতুকে মাতৃভাষা পাহৰি নিজক গহৰা বুজাবলৈ অপমান জ্ঞান কৰি এতিয়া উলটি ছিনফিন ভাষা দেশত চলাব ধৰিছে। আমাৰ গুৱালপাৰবাসী শিৰফুটা অসমীয়া সকলৰ পক্ষে নিজা ভাষা এৰি গহৰা বুজুৱা বৰ অপমানৰ কথা। ইংৰাজ শাসনৰ দিনৰ পৰা ধৰিবলৈ গলে প্ৰায় ৫০।৬০ বছৰ মানতে গুৱালপাৰত বঙ্গলা ভাষা স্কুল পঢ়াশালীত পঢ়োৱা হয়। সেই কালত গোটেই আসামত বঙ্গলা ভাষাহে চলিছিল। ইংৰাজ শাসনৰ ওপৰ তোপৰ সাধাৰণ শিক্ষা নাছিল, কেৱল ব্ৰাহ্মণ কায়স্থসকলে আৰু উচ্চ পদস্থ অভিজাত সন্ততিসকলে সংস্কৃত পঢ়াশালীত পঢ়িছিল।

যোধে ধৰে ইংৰাজী ১৬ শতিকাৰ পৰা যেতিয়া বৈষ্ণৱ যুগ আৰম্ভ হয় তেতিয়া দেশী ভাষাৰে পদ্য লেখা আৰম্ভ হয়। ভাৰতৰ গোটেই প্ৰদেশ বিলাকৰ বৈষ্ণৱ ধৰ্ম্ম গ্ৰন্থ বিলাক সেইকালৰ ভাৰতৰ কবি সকলে নিজা নিজা প্ৰাদেশীক মাতৃ ভাষাৰে প্ৰচাৰ কৰে। অসম দেশতো সেই যুগতেই কামৰূপী বা অসমীয়া ভাষাত গদ্য পদ্যৰে লেখা বৈষ্ণৱ ধৰ্ম্ম পুথি প্ৰকাশ হয়। সেই যুগত গদ্যৰে লেখা প্ৰথা ভাৰতৰ কোনো প্ৰদেশতেই চলা প্ৰমাণ পোৱা নাযায়, কিন্তু হলে গদ্যৰে বুৰঞ্জী আৰু ধৰ্ম্ম গ্ৰন্থ লেখা প্ৰথা সেই যুগত গোনতে ভাৰতৰ ভিতৰত অসম দেশতেইহে প্ৰচলিত আছিল। শ্ৰীযুত আচাৰ্য্য ছাৰ প্ৰফুল্ল ৰায়ে ইং ষোল শতাব্দিত ভটদেৱে গদ্যৰে লেখা 'কথা ভাগৱত' আৰু 'কথা গীতা' পুথি দেখা পাই আচৰিত হৈ এনে কথা প্ৰকাশ কৰিছিল যে, সেই যুগত ইংলণ্ডতো গদ্যৰে লেখা প্ৰচলিত নাছিল। ইয়াৰ বাহিৰেও কোচবেহাৰৰ ৰজালৈ অসম ৰজাই লেখা লেখি কৰা যিবিলাক ঐতিহাসিক চিঠি শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীয়ে সংগ্ৰহ কৰি সময় সময় অসমীয়া কাকতত প্ৰকাশ কৰিছে তাৰ দ্বাৰাই এনে প্ৰমাণ হোৱা পোৱা যায় যে, কোচবেহাৰত যি কামৰূপী ভাষা প্ৰচলিত আছিল ওপৰ আসাম বা সৌমাৰ খণ্ডতো সেয়ে আছিল। মহাবিজ্ঞ মৌলবী চাহাবে গুৱালপাৰ ৪০০ বছৰ বঙ্গদেশৰ চামিল থকা বুলি যিটো প্ৰমাণ দেখায় আসাম বুৰঞ্জীয়ে তেনেকৈ নকয়। গুৱালপাৰ সময় সময় মুছলমানে অধিকাৰ কৰি তাত থানিকা পাতিছিল হয়, কিন্তু আসামৰ মহাৰাজা জয়ধ্বজ সিংহৰ দিনত কোচ আৰু অসম দুয়ো মিলি মুছলমানক যুদ্ধত পৰাস্ত কৰি খেদি নি কৰতোৱা নদীত অসম ৰাজ্যৰ সীমা পাতিছিল, এইদৰে গুৱালপাৰ এবাৰ মুছলমানৰ হাতত পৰে, আনবাৰ অসমদেশৰ ৰজাসকলৰ হাতত পৰে, এনেকৈ খেদা খেদি কৰোতেই দিন গৈছিল, শেহত লাচিত বৰফুকনে শৰাই ঘাটৰ যুদ্ধত মুছলমানক নিস্পত্তিকৈ পৰাস্ত কৰি মানাহ ( মানস ) নদীকে সীমা পাতে, আৰু গুৱালপাৰ মহকুমাৰ হাদিৰা চকীত ডাঙৰ কোঠ ( দুৰ্গ ) প্ৰস্তুত কৰি সৈন্য ৰাখে। এই সময় মানস নৈৰপৰা সোনকোষ পৰ্য্যন্ত বেজিনী ৰজাৰ নিষ্কণ্টক ৰাজ্য হয়, গুৱালপাৰৰ জমীদাৰসকল বেজিনী ৰজাৰেই অধীন। ৰকা, মুছলমানৰ অধীন গুৱালপাৰ ৪০০ বছৰ বঙ্গদেশৰ চামিলত আছিল তাতেই বা হানি কি, আসাম দেশো ১৮৭২ ইং চন পৰ্য্যন্ত ইংৰাজৰ অধীনত বঙ্গদেশৰ চামিল আছিল, এই দৰে উৰিষ্যা বেহাৰো বঙ্গদেশৰ চামিলৰ পৰা হাত এৰোৱা আজি অলপমান বছৰ হে হৈছে, তেওঁবুলি সেই সেই প্ৰদেশক বঙ্গভাষাই নিজা মাতৃভাষা পৰিত্যাগ কৰাব পাৰিছে জানো? মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ বৈষ্ণৱ ধৰ্ম্ম-ৰাজ্য কোচবেহাৰৰ পৰা শদিয়া লৈকে। এতিয়াও কোচবেহাৰত মধুপুৰ মহাপুৰুষীয়া সত্ৰ আছে, সেই তীৰ্থ স্থান দৰ্শন কৰিবলৈ অদ্য পৰ্য্যন্ত আসামৰ নানা জিলাৰ মানুহ বছৰি বছৰি গৈ থাকে। আগতে দেখাই আহিছো যি দেশত যি মহাপুৰুষে জন্ম গ্ৰহণ কৰে তেওঁৰ ধৰ্ম্মতত্ত্ব সেই দেশৰ মাতৃ ভাষাৰে প্ৰচাৰ হোৱা স্বাভাৱিক। বৰ্ত্তমান কোচবেহাৰে বঙ্গদেশী কৰ্ম্মচাৰী সকলৰ অবুজন কথা আৰু স্বাৰ্থপৰতা স্বভাৱৰ দ্বাৰাই চালিত হৈ নিজ মাতৃ ভাষা হেৰুৱাই মহাপুৰুষীয়া ধৰ্ম্মগ্ৰন্থবিলাক দুবুজাত প্ৰায় সকলোৱে মহাপুৰুষীয়া শুদ্ধ বৈষ্ণৱ ধৰ্ম্ম পাহৰি আৰু এৰি পেলাইছে, মৌলবী আবদুল হামিদ মিয়া চাহাবে গুৱাল-

পাৰৰ মহাপুৰুষীয়া ধৰ্ম্মী ৰাজবংশী, কলিতা, যোগী প্ৰভৃতি মানুহবিলাকক নিজা মাতৃভাষা পাহৰাই তেনে কৰিব খোজে সে কি? বাহ বাহ! মিঞা ছাহাব আপোনাৰ যুক্তিৰ ধন্যবাদ দিওঁ।

বৰ্ত্তমান মৈমনছিঙীয়া দুৰ্দ্দান্ত মুছলমানেৰে গুৱালপাৰ ভৰিপৰা কথাতেই দাবি বাধি আপুনি গুৱালপাৰত অসমীয়া ভাষা প্ৰচলন বন্ধ কৰিব খোজে! গুৱালপাৰ মহকুমা কি ধুবড়ীৰ দুল্লা পৰগণা পৰ্য্যন্ত লোক গণনাত তাৰ শিৱকুটাবাসীসকলে অসমীয়া বুলি পৰিচয় দিলে তাত তেওঁবিলাকৰ বৰ গৌৰৱৰ বিষয় হে। এই আসাম দেশৰ ৰাজবংশী আৰু কছাৰীসকলেহে মূল বাজন্ত পতা জাতি, তেওঁবিলাকেই হে কামৰূপী আৰু বৰ্ত্তমান অসমীয়া জাতি! মৌলবী মিঞা ছাহাব যদি অসমীয়া নহয় এতিয়া অহা অনেক লোক কেলেহুৱাহে। ১৯২১ চনৰ লোক গণনাত ধুবড়ীবাসী লোকসকলৰ ভিতৰত কিছুমানে লোক গণনাত বঙালী কৈ অসমীয়া বুলি কোৱাত মৌলবী মিঞাছাহাবে বৰ মনোবেদনা, জমাদাৰ হাটৰ গুৱালপাৰ ডিষ্ট্ৰীক্ট কনফেৰেন্সৰ সভাপতি আসনত ৰহি প্ৰকাশ কৰিছে, আৰু এনে কথা তেখেতে আচৰিত হৈ কৈছে যে, কিছুমান গুপৰ আসামৰ কৰ্ম্মচাৰীসকলৰ চেষ্টাত ১৯২১ চনৰ চেন্সচ লোক গণনাত কিছুমান মানুহে বঙলা ভাষা ভাষী হৈও অসমীয়া ভাষী বুলি কলে “লক্ষীপুৰৰ চৌধুৰী জমিদাৰ সকল আৰু চক্ৰৱৰ্ত্তী ব্ৰাহ্মণসকল ইয়াৰ দৃষ্টান্ত।” মৌলবী ছাহাব, আপুনি অবিবেচনা কৰি কোৱা কথাবিলাক মুৰ্খে কোৱাদৰে হৈছে। ভাবি দেখক ১০০ মান বঙালী যুৱকে যদি বিলাতত কেছুৱা অৱস্থাৰপৰা থাকি তাত পঢ়ি শুনি অকল ইংৰাজী ভাষা কৈহে কব পৰা হয় সিহঁতে মাতৃভাষা সমূলি পাহৰিলে বুলি চেন্সচ পিয়ল হলে সিহঁতে ইংৰাজ বুলি কবনে বঙালী বুলি কব? যদি সিহঁতে ইংৰাজ বুলি কয় তেন্তে আচল মাকক লগনা গহৰা হৈ পৰিব। মৌলবী মিঞা ছাহাবে শিৱকুটা গোৱালপাৰবাসীক নিজা ভাষা পাহৰাই বঙভাষা শিক্ষা দাবাই গহৰা বোলাব খোজে নে কি? লক্ষীপুৰৰ জমীদাৰ চৌধুৰী আৰু চক্ৰৱৰ্ত্তী ব্ৰাহ্মণসকলক ধন্যবাদ দিওঁ, তেখেতসকলে যে গত লোকগণনাত হিচাপত নিজক অসমীয়া বুলি পৰিচয় দিলে আৰু কেলেহুৱা সকলৰ কথাত মোহ গৈ বঙালী বুলি পৰিচয় নিদিলে অতি ধন্যবাদৰ পাত্ৰ। শিৱকুটা কামৰূপী উত্তম ব্ৰাহ্মণৰ গৌৰৱ আসামে যদি কৰিব পাৰে শাগকোছা, হাকমা, খুদিমাৰি আৰু লক্ষীপুৰৰ ব্ৰাহ্মণ সকলক লৈহে। এই বিলাক ব্ৰাহ্মণেই আমাৰ দেশত মান্যবন্ত পণ্ডিত ভট্টাচাৰ্য্য ব্ৰাহ্মণ, এই সকলেই অতি পুৰণি কালৰে পৰা থকা কামৰূপী বা অসমীয়া ব্ৰাহ্মণ, এই ব্ৰাহ্মণ শ্ৰেণী আসামত যেনে সম্মানী ব্ৰাহ্মণ, বঙ্গদেশৰ পিনে এই সকল তলপাপৰ ব্ৰাহ্মণ হে, এখেত সকলে যদি বঙালী বোলাব খোজে ইয়াতকৈ লাজ অপমানৰ কথা একো নাই, কাৰণ অসমীয়া বা কামৰূপী ব্ৰাহ্মণ আজিকালিৰ নহয়, এওঁবিলাকক খৃষ্টপূৰ্ব্ব ২০০ বছৰৰ আগেও শঙ্কৰাচাৰ্য্যে কামৰূপত দেখা পাইছিলহি। দুখৰ বিষয়, শুনা যায় এতিয়া এঘৰ দুঘৰ ব্ৰাহ্মণে বঙ্গদেশত পঢ়িবলৈ গৈ তাৰ তলখাপৰ ব্ৰাহ্মণৰ কন্যা বিয়া কৰি আনি হেনো ঘৰ গৃহস্থি কৰাৰ দ্বাৰাই-যিবিলাক সন্তান হৈছে সেই সকলে হেনো বঙালী বুলি পৰিচয় দিব খোজে আৰু তাৰেই এজন কি দুজন শিক্ষিত যুৱকে হেনো শুনা যায় গুৱালপাৰত অসমীয়া ভাষা চলোৱাৰ বিৰুদ্ধে ঠিয় হৈছে, আৰু গুৱালপাৰ ডিষ্ট্ৰীক্ট এছোছিয়েচনো হেনো এই অভিপ্ৰায়ে আৰু আন আন কাৰণেও গুৱালপাৰৰ উন্নতি সধা অৰ্থে বুলি পতা হৈছে। গুৱালপাৰত বৰ্ত্তমান স্থাপিত হোৱা দৰে আসামৰ জিলায় জিলায়, একো একোখন ( District Association ) জিলা সভা স্থাপিত হোৱা বাঞ্ছনীয়, কিন্তু গুৱালপাৰে ওপৰ আসামৰ অসমীয়া ভাষা চলা বন্ধ কৰিবৰ উদ্দেশ্যে পৰদেশী কেলেহুৱা সকলৰ ফুচুলনি শুনিহে যেন এই সভা স্থাপিত কৰা হৈছে এনে ভাব প্ৰকাশ কৰা দ্বাৰাই নিজৰ ভৰিত নিজে কুঠাৰ মাৰিব খোজাতহে মনত বৰ দুখ লাগিছে। গুৱালপাৰে গধুৰকৈ চিন্তা কৰি দেখক তাত অসমীয়া ভাষা চলিলে কেলেহুৱা সকলৰ যে অন্ন মৰা পৰে। এই কেলেহুৱা সকলেই নিজ স্বাৰ্থ ৰক্ষা কৰা অৰ্থে গুৱালপাৰৰ বজা জমীদাৰ সকলক নানা কথা দেখাই, খোচামুদী কৰি ফুচুলাই গুৱিৰে পৰা তাত বঙালী



ভাষা চলাবলৈ ঢাল খুৱাই নিজৰ সুবিধা কৰি ললে। আৰু গুৱালপাৰ গাই জনীৰ গাখিৰ, নিজা সন্তান বিলাকক বঞ্চিত কৰি খীৱাই খীৱাই খাৰ ধৰিলে। গোটেই আসামত অসমীয়া ভাষা চলা দিনৰে পৰা কি জমীদাৰী অফিছ কি ছৰকাৰী আদালত সকলোতে যদি গুৱালপাৰত অসমীয়া ভাষা চলিলহেতেন তেনেহলে চুকত থাই বুকত কুঠাৰ মৰা ইমান কেলেহুৱা পৰদেশী মানুহৰে আজি গুৱালপাৰ খন ভৰি নপৰিল হেতেন, কাৰণ এই দেশী মাতৃভাষা শিক্ষা কৰিহে কেলেহুৱাবিলাকে জমীদাৰী আৰু ছৰকাৰী চাকৰী পালেহেতেন। এতিয়া গুৱালপাৰত, গুৱালপাৰবাসী অসমীয়াসকলৰ সুবুদ্ধি হোৱা বাবে অসমীয়া ভাষা প্ৰচলিত হৈ নিজ সম্মান ৰক্ষাৰ চেষ্টা কৰা হেতুকে কেনেবাকৈ ভাত মৰে বুলি আজি কালি কেলেহুৱাসকলে বিলত বিহদিয়া মাছৰদৰে ভাত কমনি লগাইছে। হে কেলেহুৱাসকল, দেশত ভাত নাপাই তোমালোক এই দেশলৈ আহিছা আৰু ইয়াতে মাটি বাৰি কৰি এই দেশবাসী হৈছা, তাত আমাৰ আপত্তি নাই কাৰণ সুজলা সুফলা এই গোটেই ভাৰতবৰ্ষখন আমাৰেই দেশ, কিন্তু তোমালোক যি প্ৰদেশলৈ যোৱা সেই প্ৰদেশৰ ভাষা, ইতিহাস আৰু সাহিত্য শিক্ষা নকৰি তোমাৰ নিজা প্ৰদেশৰ সাহিত্য তাত চলাবৰ চেষ্টা কৰা আৰু আন প্ৰদেশৰ ভাষা, সাহিত্য ধ্বংস কৰিব খোজা যে এই নিমিত্তে ভাৰতৰ কোনো প্ৰদেশেই তোমালোকক দেখিব নোৱাৰে।

মৌলবী মিঞা ছাহাবে, গুৱালপাৰত ১৯১৮ চনত যি আসাম সাহিত্য সভা আৰু আসাম এছোছিয়েছন বহিছিল তাৰ বাবেও তেখেতে সভাপতি আসনৰ পৰা মনৰ বিষ উদ্গিৰণ কৰি যি দুখ প্ৰকাশ কৰিছে তাৰ দ্বাৰাই এনেহে বুজা যায়, যেন গুৱালপাৰখন অকল কেলেহুৱাৰহে বাজ্য, কেলেহুৱা সকলেই যেন তাৰ গুৰু, গুৱালপাৰবাসী শিৱকুটা অসমীয়াসকলৰ লৈতে ওপৰ অসমৰ একো সম্পৰ্ক নাই। ওপৰ আসামৰ পৰা গৱৰ্ণমেণ্ট কৰ্ম্মচাৰী অসমীয়া হাকিম আৰু স্কুল পৰিদৰ্শনকাৰীসকলে গুৱালপাৰত নিজা মাতৃভাষা চলাবলৈ কৰা আৰু ৰাইজক উপদেশ দিয়া কথাবিলাক ৰৰজগৰৰ কামহে যেন, মৌলবী ছাহাবৰ বক্তৃতাই এনেটিহে বুজাইছে। হে মৌলবী ছাহাব, বঙালী ভাষা গুৱালপাৰৰ মাতৃভাষা নহয় যে এই কথা আগতে দেখাই আহিছোঁ, এই মাতৃভাষা পহৰা দেশখনক উলটি মাতৃভাষা সোঁৱৰাই দি তাক শিক্ষা দিবলৈ চেষ্টা কৰা অসমীয়া শিক্ষিত ভাওৰীয়াসকলৰ পক্ষেই পাপজনক কি কোনো জগৰৰ কাম নহয়, বৰঞ্চ প্ৰত্যেক শিক্ষিত অসমীয়াৰ পক্ষে গোটেই অসম দেশখনক একতা সূত্ৰত বন্ধন কৰিবলৈ, পৰস্পৰৰে আদান প্ৰদান চলাবলৈ একে ভাষী কৰা অৰ্থে চেষ্টা কৰা অতি কৰ্ত্তব্য কাম, তাক যি নকৰে সি অসমীয়াই নহয়।

আমাৰ এতিয়া শক্তি নাই গতিকে কোচবেহাৰত অসমীয়া ভাষা চলাবলৈ চেষ্টা কৰিব পৰা নাই, কিন্তু এনে দিনো অহা অসম্ভৱ নহয়, যি দিন ৰাজবংশীয়সকলে বুজিব কামৰূপী ভাষাইহে তেওঁবিলাকৰ আচল মাতৃভাষা, সেইদিনা কোচবেহাৰে লুপ্তধন উদ্ধাৰ কৰি ললে গোটেই অসমীয়া জাতিটো এক হৈ পৰিব। একভাষী হব নোৱাৰিলে কোনো জাতিয়েই শক্তিৰূপিনী একতা দেৱীক লাভ কৰিব নোৱাৰে যে ই অভ্ৰান্ত সত্য! বৰ্ত্তমান আসাম খন তুলনাত সৰু দেশ হলেও ইয়াক এক কৰিব পাৰিলে এখন মহা শক্তিশালী দেশ হৈ পৰে। গুৰিত যদি কোনো এটা জাতিয়ে নিজভাষা পাহৰে, নিজ দেশৰ প্ৰাকৃতিক গুণ অনুসাৰে স্বধৰ্ম্ম, স্বসুচৰিত্ৰ আচাৰ ব্যৱহাৰ হেৰুৱাই পৰদেশীৰ অনুকৰণ ধৰে, তেনে জাতিক পৰদেশী কেলেহুৱা সকলে তলত পেলাই লোৱা একেবাৰে ভুল নথকা কথা।

কোনো এখন দেশত মানুহৰ দৰে মানুহ দহহেজাৰেই থাকক গোন তাক পৃথিবীৰ কোনো বিদেশী জাতিয়েই পৰাধীন কৰাৰ সাধ্য নাই। এই অসমীয়া জাতিটো এসময়ত এনে শক্তিশালী আছিল যে তাক ১২ বাৰ মুছলমানে আক্ৰমণ কৰিও পৰাধীন কৰিব নোৱাৰিছিল, কাৰণ আসাম দেশত তেতিয়া একে ধৰ্ম্ম একে ভাষা আছিল, বৰ্ত্তমান ইংৰাজৰ দিনত কালৰ প্ৰভাৱে নানা প্ৰদেশৰ মানুহ এই দেশত সুমুৱাই অসমৰ ধৰ্ম্ম আৰু ভাষা লৰচৰ কৰি একতা নষ্ট কৰি পেলাইছে, এতেকে এতিয়া আমি

সাৱধান হোৱা কৰ্ত্তব্য যাতে অসমীয়া জাতিটো এক হৈ পৰিব পাৰোঁ। এই দেশ প্ৰকৃত পক্ষে বৰো কছাৰী কিৰাত জাতিৰ দেশ, এই জাতিৰ নানা শাখাৰ পৰা একো একোটা নতুন জাতি ওলাই যেনেকৈ আৰ্য্য হৈ পৰিছিল এতিয়াও আমি গোসাই, মহন্ত, ব্ৰাহ্মণ, কায়স্থ, কলিতা সকলোৱে মূল কছাৰী জাতিটোৰ উন্নতি সাধন কৰিবলৈ ধৰোঁহক আৰু অস্পৃশ্যতা, জাতিভেদ একেবাৰে এৰি আমাৰ ভিতৰত সুমাই লওঁহক। গোটেই কছাৰী জাতিটোক শাখা প্ৰশাখা সহ আমি যদি তলৰ পৰা ওপৰলৈ তুলি উঠাব পাৰোঁহক তেনে হলে আসামক পাতে কোনে? সদৌ কছাৰী জাতিটোৱেই অসমীয়া জাতিৰ বাঙ্গহাড়, এই জাতিটক অসমীয়া জাতিৰ সদৌকুলৰ মানুহে নিজৰ কোলাত তুলাই লৈ ধৰ্ম্ম, জ্ঞান, সুআচাৰ, সুনিয়ম শিক্ষা দিবলৈ যত্ন আৰু সহায় কৰক। অসমীয়া ভাষা শিক্ষা দিয়া গুৱালপাৰাৰ বৰো কাছাৰী সকলৰ গাঁৱে গাঁৱে অতিশয় কৰ্ত্তব্য কাম হৈ পৰিছে, শিক্ষা বিভাগৰ কৰ্ত্তৃপক্ষ সকলে যেন এই বিষয়ে অহো পুৰুষাৰ্থ কৰে। আমাৰ অসমীয়া জাতিৰ উন্নতিৰ আৰু উদ্ধাৰৰ উপায় যাইকৈ হৈছে এক ভাষা সাহিত্য। ওপৰ আসামৰে সৈতে গুৱালপাৰাৰ স্বদেশীলোক সকল একেভাষী নহলে কাৰো মঙ্গল নাই। বৈদিক যুগৰে পৰা কামৰূপ যেনে স্বতন্ত্ৰ ৰাজ্য ভাষাও তেনে স্বতন্ত্ৰ। বঙ্গভাষা গ্ৰহণ কৰি যদি ওপৰ আসামে নিজা কামৰূপী বা অসমীয়া ভাষা এৰি পেলালে হেতেন তেনে হলে স্বদেশী অমৰ মহাপুৰুষ আৰু কবি সকলৰ যশ-কীৰ্ত্তি শ্মশান শালীত পোৰাৰ দৰে পুৰি একেবাৰে পাহৰি পেলাব লাগিল হেতেন।

এই ভাৰতবৰ্ষ এখন একেভাষী দেশ নহয়, ই অনেক প্ৰদেশ যুক্ত এখন মহাদেশ প্ৰত্যেক প্ৰদেশৰেই ভাষা পৃথক, পৃথক, প্ৰত্যেক প্ৰদেশতেই কবি, দাৰ্শনিক, সাহিত্যিক ইতিহাস, পুৰাণ আৰু উপন্যাস লেখক জন্ম গ্ৰহণ কৰি নিজা ভাষাৰে পুৰণি কালৰে পৰা পুথিবিলাক লেখি থৈ গৈছে, এই সকলৰ যশ কীৰ্ত্তি ধ্বংশ, মাতৃভাষা এৰি কোনো প্ৰদেশৰ মানুহেই কৰিব নোখোজা স্বাভাৱিক। গুৱাল-পাৰাখন মহাপুৰুষীয়া আৰু দামোদৰীয়া ধৰ্ম্মৰ সত্ৰৰে ভৰা এই নিমিত্তে তাত বঙ্গভাষা পঢ়োৱা! তোৱা স্থলতো ঘৰত আৰু ধৰ্ম্মালয় বিলাকত বাইজে অসমীয়া ভাষা চলায়েই আছে, গুৱালপাৰবাসী শিৰকুটা অসমীয়া সকলে যিবিলাক কথাৰে পাৰিবাৰিক আলাপ কৰে সেই বিলাক অসমীয়াহে বঙ্গালী নহয়। এতিয়াও কোচবেহাৰীৰ ৭৫টা শব্দ অসমীয়া এনে স্থলত বিজ্ঞ মৌলবী মিঞা ছাহাবে কেনেকৈ গুৱাল-পাৰৰ ভাষা বঙ্গলা ভাষা পাতিছে, তেওঁৰ পাণ্ডিত্যৰ কোৰ দেখি হাঁহি উঠে।

অসমীয়া আৰু বঙ্গালীৰ ভিতৰত ঘোৰ বিৰোধ—বিবাদৰ কেন্দ্ৰস্থল গুৰিত অসমীয়া ভাষা লৈয়ে, এয়েই দুই প্ৰদেশৰ মানুহৰ ভিতৰত একতা নষ্ট কৰি শত্ৰুভাৱ ভাৱাপন্ন কৰি তুলিলে। আসাম দেশে এই পৰ্য্যন্ত এই কাৰণে বঙ্গালীক দেখিব নোৱাৰে। এনেকুৱা হোৱা আৰু অসমীয়া জাতিৰ অসন্তোষ জন্মোৱা দোষ কাৰ গাত এই কথাৰ যদি বঙ্গদেশৰ এজন উদাৰচেতা বঙ্গালীৰ ওপৰত বিচাৰ কৰা ভাৰ দিয়া যায়, তেনে হলে তেওঁ আসাম দেশত চাকৰী কৰিবলৈ অহা বঙ্গালীবিলাকৰ গাত বুলিহে কব। অসমীয়া ভাষা যে প্ৰচীন আৰু পুৰণি কলীয়া অসংখ্য সাহিত্য পুথিৰে পূৰ্ণ, এই কথা আচাৰ্য্য ছাৰ প্ৰফুল্ল ৰায়, স্বৰ্গবাসী ভাৰতৰ উজ্জ্বল ৰত্ন মান্যবন্ত ছাৰ আশুতোষ মুখাৰ্জ্জি আদি উদাৰচেতা মহৎ লোক সকলেও স্বীকাৰ কৰি গৈছে। এনে কথা নভবা নিচিন্তাকৈ গুৱাল-পাৰত অসমীয়া ভাষা চলাত মৌলবী মিঞা ছাহাবৰ কিয় চটফটনি লাগিছে কব নোৱাৰি। হে মৌলবী ছাহাব, আমাৰ বোধে ধৰে আমাৰ ঘৰৰ বিভীষণেই আপোনাক লগাই অসমীয়া বঙ্গালীৰ ভিতৰত পাহৰি পেলোৱা বিবাদ পুনৰ জগাই তুলিবলৈ চেষ্টা কৰিছে।

বৰ্ত্তমান ভাৰতৰ যেনে দুৰ্দ্দিন উপস্থিত হৈছে এই সময় এক প্ৰদেশৰ সৈতে আন প্ৰদেশৰ বিবাদ লগোৱা কথা কেৱল মুৰ্খালীহে মাথোন।

প্ৰত্যেক প্ৰদেশৰ ভাৱা সাহিত্যৰ ভিতৰেদি, এই সময় যাতে গোটেই ভাৰত একতা বান্ধোনত বান্ধিব পাৰি, ভাৱৰাজ্য গঢ়ি তাৰহে চেষ্টা কৰা কৰ্ত্তব্য। আৰু হিন্দু-মুছলমানৰ ভিতৰত যাই কথা হৈছে যাতে মিলন হয় তাৰহে আমি বৰ চেষ্টা কৰিব লাগে। আসামৰ হিন্দু মুছলমানৰ ভিতৰত যেনে একতা তেনে একতা ভাৰতৰ কতো নাই, আপুনি যেনেকৈ ভাষালৈ অসমীয়া বঙ্গালীৰ ভিতৰত বিবাদ লগাব খুজিছে আমাৰ ভয় হয় আমাৰ স্বদেশী মুছল-মান সম্প্ৰদায়ৰ ভিতৰত, মৈমনছিঙ্গীয়া আৰু আন আন ঠাইৰ বঙ্গালী মৌলবী বিলাক সোমাই হিন্দুমুছলমানৰ কাজিয়া লগায় বা। বৰ্ত্তমান আমি বঙ্গ আৰু আসাম দুই প্ৰদেশেই আদান প্ৰদান চলোৱাৰো চেষ্টা কৰা উচিত। আসাম, বঙ্গ, পাঞ্জাব, বোম্বে, মাদ্ৰাজ আৰু নেপাল সকলো ঠাইৰে ছোৱালী অনা আৰু দিয়া যাতে হয় তাৰ উপায় আৰু চেষ্টা কৰা হিন্দুৰ ভিতৰত প্ৰধান কৰ্ত্তব্য। কিন্তু যি প্ৰদেশৰ ছোৱালী অনা যায় সেই প্ৰদেশৰ ভাষা গ্ৰহণ কৰি নিজ প্ৰদেশৰ ভাষা এৰা আৰু পাহৰি পেলোৱা এবং সন্তান সন্ততি বিলাকক মাতৃভাষা শিক্ষা নিদিয়া কথাই ছোৱালীৰ চপনীয়া চপা (বঙ্গভাষাত যাক "ঘৰ জমাই" বোলে) হোৱাহে বুজায়। গুৱালপাৰাৰ ফালে অনুমান হয় কোনো কোনো এনেকুৱা লোক অসমীয়া ভাষাৰ শত্ৰু হব পায়।

অসমীয়া ভাষাত বহুত আৰবি শব্দ সোমাই আছে যে এই কথা আৰবি Philology ভাষাতত্বৰ পৰা উদ্ধাৰ কৰি আমাৰ স্বদেশী এজন মুছলমান শিক্ষিত যুৱকে দেখাইছে, অতএৱ অসমীয়া ভাষা মুছলমান সকলৰ পক্ষেও পবিত্ৰ ভাষা, হে মৌলবী ছাহাব আপুনি অস-মীয়া ভাষা শিক্ষা কৰিবৰ চেষ্টা কৰক।

অসমীয়া ভাষাত কেনেকৈ আৰবি শব্দ বিলাক সোমাল তাৰ খৃষ্টপূৰ্ব্ব ৭।৮ হাজাৰ বছৰৰ প্ৰাচীন তত্ব গৱেষণা কৰি আলোচনা কৰিবৰ মন আছে। আসাম অতি প্ৰাচীন দেশ। এই নিমিত্তে যি আসামবাসী হৈ অসমীয়া বুলিব নোখোজে তেওঁৰ পক্ষে ইয়াতকৈ লাজৰ কথা আন একো নাই।

---

# বৰ্ণ-নিৰ্ব্বাসন

যোৱা বছৰৰ "চেতনা"ৰ তৃতীয় সংখ্যাত শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি, এ, বি, টি, ডাঙৰীয়াই "অসমীয়া আখৰ যোঁটনী" সম্বন্ধে তেখেতৰ কোনো এজন বন্ধুৱে লিখা প্ৰবন্ধৰ উল্লেখকৰি সেই বিষয়ে "সুধীসকলৰ পুনৰ মনোযোগ আক-ৰ্ষণ কৰাহে মোৰ ইচ্ছা" বুলি বক্তব্য নিবেদন কৰিছিল।

সুধী হওঁ বা নহওঁ, আৰু উল্লিখিত বিষয়ত মতামত প্ৰকাশৰ অধিকাৰ থাকক বা নাথাকক, "দ্বিজাতিভাৱা তুপপন্ন চাপল"—এই কাৰণে মোৰ বক্তব্যৰো কিবাকিবি লিখি এখন অসমীয়া সাময়িক পত্ৰত প্ৰকাশকৰিবলৈ দিয়া হৈছিল, কিন্তু প্ৰকাশিত নহল। বহুদিন পাছত, এতিয়া আৰু ভাষাবিষয়ে মাহেকীয়া কাকতত দুই-চাৰিটা প্ৰবন্ধ ওলোৱা দেখি, মোৰ সেই প্ৰবন্ধটো কিছু পৰি-বৰ্ত্তিত কৰি, আকৌ আপোনালোকৰ আগত উপস্থাপিত কৰিলো, "বালবাগিৰ কৌতুকাৎ"—নিয়মে আপোনা-লোকেও শুনিব পাৰে।

মাননীয় গোস্বামীদেৱে লিখিছে,—

(১) "অনেক লোকেই অৱশ্যে মন কৰিছে যে আমাৰ বাণান প্ৰণালী অনাৱশ্যকৰূপে জটিল।"—সন্দেহ নাই। বহু শব্দৰ বৰ্ণবিন্যাস অনাৱশ্যকৰূপে জটিল হলেও এতিয়া আমি গতানুগতিক নিয়মে তেনেকুৱা পদৰ বহু প্ৰয়োগ কৰি আহিছো। ইয়াক পাৰ্য্যমানে সোনকালে বৰ্জনকৰা উচিত নহয় নে? যত্তে তত্তে এই জটিলতাৰ উদাহৰণ পোৱা যায়—মোৰ এই লেখাৰ ভিতৰতো পাব—তথাপি সুবিধাৰ কাৰণে, 'চেতনা'ৰ উক্ত তৃতীয় সংখ্যাৰপৰাই কিছুমান জটিল "বাণান"ৰ উদাহৰণ দিওঁ, যথা,—

| জটিলতা আদি দোষদুষ্ট, এতেকে বৰ্জনীয় ? | সৰলতা হেতু গ্ৰহণীয় ? |
|---|---|
| হোৱা | হআ ( হৱা ) |
| বোলা | বলা |
| ওপৰ | উপৰ |
| কৰোতা | কৰ্ত্তা, কৰতা |
| কৰিবলগীয়াত | কৰ্ব্বালাগাত |
| সকলোৱে | সকলে |
| পাংৰি | পাসৰি |
| কোৱা | কআ ( কৱা ) |
| ইয়াকেহে | ইয়াকেসে } আকেসে } |
| যিটো | যিটু |
| সূত্ৰ আদি | সূত্ৰাদি |
| আওহেলা | অৱহেলা |
| নতুনতৰ | নূতনতৰ |
| তৎভৱ | তদ্ভৱ |
| তুহেৰে | তুষে |
| আখৰ শিক্ষা | অক্ষৰ শিক্ষা |
| কোঙা | কঙা |
| গোন্ধত | গন্ধত |
| নোৱাৰি | নাপাৰি, নৰি |
| | ইত্যাদি |

এতিয়া সমস্যা এই—এটা শব্দৰ বৰ্ণবিন্যাসকে এজনে জটিল, আন এজনে সৰল বুলিব পাৰে; এতেকে সেই নিৰ্দ্দিষ্ট শব্দটোৰ জটিলত্ব বা সৰলত্ব নিৰ্ণয়কৰিব লাগিলে যুক্তিযুক্ত বিচাৰৰ প্ৰয়োজন। কোনো নিৰ্দ্দিষ্ট আদৰ্শ নহলে বিচাৰও সুব্যৱস্থিত নহয়। তেনেহলে আমাৰ আদৰ্শ কি হোৱা উচিত? যিহক, মাননীয় লেখকে (ক) মাগধী প্ৰাকৃত (খ) উচ্চাৰণ (গ) পূৰ্ব্বপুৰুষসকলৰ ভাষাকে আদৰ্শ বুলি ধৰিছে যেন বোধগম্য হয়। প্ৰকৃতপক্ষত যি শব্দৰ যিটো মূল, সেয়ে সেই শব্দৰ আদৰ্শ; গতিকে শব্দটোৰ মূল বা মাতাপিতাৰ সাদৃশ্য ৰখা হে যথাসম্ভৱ বাঞ্ছনীয়। যিহক লেখক ডাঙৰীয়াৰ আদৰ্শকেইটা ক্ৰমে বিচাৰকৰা যাওক। ইয়াতে এই কথা জনোৱা ভাল যে সকলোতে জটিলৰ বৰ্জন, সৰলৰ গ্ৰহণ কৰিবলৈ গলে বিষম বিভ্ৰাট হব, হিতে বিপৰীত ঘটিব। বস্তুতঃ, কোন জটিল বৰ্জনীয়, কোন সৰল গ্ৰহণীয় স্থিৰকৰাও এটা বিষম সমস্যা। ইয়াৰ সমাধানৰ "অৱধি ব্ৰহ্মণো ৱয়ঃ।"

(২) "ভাষাৰ আৱশ্যক মনৰ ভাৱ প্ৰকাশ, আৰু লিখাৰ আৱশ্যক মনৰ ভাৱ ভাষাত আবদ্ধ কৰি ৰখা।"—ঠিক হব পাৰে। কিন্তু মনৰ ভাৱ ভাষাত আবদ্ধকৰি ৰখাত উদ্দেশ্য আদিৰ তাৰতম্য থকাত কথিত কথাত আমি "শুষ্কং কাষ্ঠং তিষ্ঠত্যগ্ৰে" আৰু কবিৰ ভাষাত "নীৰস তৰুৰিহ পুৰতো ভাতি" পাওঁ। এই কাৰণে ব্যাকৰণ, ছন্দ, অলঙ্কাৰ, অভিধান প্ৰভৃতি বৰ্ত্তমান। গতিকে "যেন তেন প্ৰকাৰেণ" মনৰ ভাব আবদ্ধকৰি ৰাখিলেই উদ্দেশ্য সম্যক্ সিদ্ধ নহয়—সাহিত্য নহয়—ভাখা হলেও ভাষা নহয় (ভাখা=প্ৰাকৃত লোকৰ অমাৰ্জ্জিত ভাখা)।

"আমাৰ পিতৃসকলে যি ভাষাক স্বাভাৱিক সৰলভাৱে ব্যৱহাৰ কৰিছিল।"—এই পিতৃসকল কোন? পণ্ডিত ভাবিনে যিবিলাকক মানৱজাতিৰ পূৰ্ব্বপুৰুষ বুলি কৈছে, সেইবিলাকে নেকি? যদি সেয়ে হয় তেন্তে সিবিলাকৰ ভাষা অসমীয়াই কদাপি নহয়, লব নোৱাৰে; কাৰণ, ললেই "স্বজাতৌ পৰমা প্ৰীতিঃ" এই বাক্য মনত পৰিব আৰু লগে লগে ব্ৰহ্মপুত্ৰ উপত্যকা কিষ্কিন্ধ্যাৰ উপত্যকা হোৱাৰ ভয়ও সম্পূৰ্ণ বিদ্যমান। উল্লিখিত পিতৃসকলৰ ভাষাৰ দ্বাৰা মান্ধাতাৰ আমোলৰ আমাৰ অত্যুন্নত কালৰ ভাষাকো (সংস্কৃতকো) লক্ষ্যকৰিব পাৰি। সেয়ে যদি হয়, তেন্তে, আমাৰ অৱনতিৰ লগে লগে ভাষাৰো অৱনতি ঘটিছে—ই অৱশ্যে নিতান্ত দুঃখৰ বিষয় সন্দেহ নাই। গতিকে এই অৱনত যুগৰ ভাষাক এৰি পূৰ্ব্বৰ ভাষা গ্ৰহণ ভাল যেন বোধহয়। পুনশ্চ, পিতৃসকলৰ ভাষা অৰ্থে যদি ১২।১৩শ শতাব্দীৰ পৰা ১৬।১৭শ শতাব্দীৰ ভাষাক বুজাইছে, তেনেহলেও বাস্তৱিক উৎকৃষ্ট ভাষাৰ অনাদৰ আৰু তুলনাত অনুৎকৃষ্ট



ভাষাৰ সমাদৰকৰাত একপক্ষে আমাৰ যেনে ৰুচি-বিকাৰ, আনপক্ষে জাতীয় ভাষাৰ অৱনতি ঘটিছে নেকি?

প্ৰভু ভগৱন্ত অনন্ত ঈশ্বৰ,
প্ৰপন্নজন তাৰণ।
তুমি প্ৰিয়তম পৰম দেৱতা,
জানিয়া লৈলো শৰণ ॥
জনা পদে মায়া সেৱীক বোলয়,
ভক্তৰ মায়া মৰ্দ্দয়।
এহি হেতুতেসে জনাৰ্দ্দন নাম
ধৰি আছা ভগৱন্ত ॥

ইত্যাদি প্ৰাচীন পদ্যাদিৰ ভাষাৰ সৈতে আধুনিক গদ্য-পদ্যৰ ভাষাৰ তুলনা কৰিলেই নিৰপেক্ষ বিচক্ষণে পুৰুষে ইয়াৰ যাথাৰ্থ্য উপলব্ধি কৰিব।

যদি উক্ত আমাৰ "পিতৃসকলে" ব্যৱহাৰকৰা ভাষা প্ৰত্যেক অসমীয়াৰ পিতৃসকলে ব্যৱহাৰকৰা ভাষা হয়, আৰু সেই ভাষাতে যদি আমি প্ৰত্যেকে মনোভাৱ প্ৰকাশ কৰি লিখো তেন্তে ওপৰ, মধ্য, নিম্ন আসামৰ বিভিন্ন স্থানৰ ভাষা অল্পাধিক বিভিন্ন নহবনে? ভাষা বহুৰূপিনী হোৱা বাঞ্ছনীয় নহয়। এতেকে ভাষাৰ একত্বসাধনাৰ্থ কিছুমানৰ পক্ষে পিতৃসকলৰ স্বাভাৱিক সৰল ভাষা বৰ্জন নকৰিলে নচলে। প্ৰাকৃতৰ বৰ্জন আৰু মূলৰ লগত যথাসম্ভৱ সাদৃশ্য ৰাখি মাৰ্জ্জিত ভাষা গ্ৰহণত বেমেজালি অল্প, অন্যথা বিপৰীত। যিটো অভ্যাস কৰা যায়, কালক্ৰমে সেয়ে স্বাভাৱিক হয়গৈ; স্বভাৱ অভ্যাসৰে পৰা কাষ্ঠা। গতিকে বহুবিষয়ে শ্ৰেয়স্কৰ যিটো তাকেহে লোৱা উচিত। অৱশ্যে, পিতা-পিতামহাদিৰ প্ৰতি ভক্তি-শ্ৰদ্ধা প্ৰদৰ্শন—তেওঁলোকৰ পদাঙ্কানুসৰণ সুপুত্ৰ মাত্ৰৰে কৰ্ত্তব্য। এতেকে পিতা-পিতামহাদিৰ ভাষা গ্ৰহণ (মন্দ নহলে) আমাৰ সৰ্ব্বতোভাৱে বিধেয়। কিন্তু ভাষা গ্ৰহণ-কৰিলেই তেওঁলোকৰ প্ৰতি আমাৰ ভক্তি বা কৰ্ত্তব্য শেষ হৈ নাযায়, অন্যান্য বহুবিষয়ে তেওঁলোকৰ অনুসৰণ সৰ্ব্বাগ্ৰে আমাৰ যেনে বিধেয়, তেনে মঙ্গলজনকও। কিন্তু, দুঃখৰ বিষয়, তেওঁলোকৰ বিপৰীত পথকহে আমি লৈছো; এইৰূপ অৱস্থাত কেৱল ভাষাৰ বোলকা পূৰ্ব্বপুৰুষৰ প্ৰতি ভক্তিটো অত্যাধিক হলে অদ্ভুতৰকমৰ নহবনে?

(৩) যিহক, মনোভাৱ ভাষাত বদ্ধকৰাত পূৰ্ব্বোক্ত কাৰণে ব্যাকৰণ, অভিধান, অলঙ্কাৰ, প্ৰভৃতিৰ শাসন সকলোৰে মাননীয়। অসমীয়া ভাষাত ব্যাকৰণ অভিধান কেনেকুৱা সেই কথা জনাজাত। কিন্তু "ভাষা বিষয়ত আমি মেৰপাকত পৰিবলগীয়া হৈছো," সেইটো "সংস্কৃত ব্যাকৰণৰ খাটিৰ ৰাখিবলৈ" নহয়। বৰঞ্চ এই "মেৰপাক"ত পৰাৰ কাৰণ সম্পূৰ্ণৰূপে বিপৰীত হে। সংস্কৃতৰ পৰা জাত প্ৰাকৃত ভাষা দেশ-ভেদে বহু প্ৰাকৃত ভাষাত পৰিণত হয়, গতিকে প্ৰত্যেক দেশতে সেই সেই দেশৰ স্বতন্ত্ৰ প্ৰাকৃত ভাষা আছিল। কালক্ৰমে কোনো কোনো দেশে পুনৰ সমুন্নতি লাভকৰাত সেই দেশীয় ভাষাত কিতাপ-কাকত লিখা হোৱাত সেই সেই স্থানৰ প্ৰাকৃত ভাষাই প্ৰাধান্য লাভকৰে। মাগধী প্ৰাকৃত ভাষাও এইবিলাকৰ একতমা। কিন্তু সেই বুলি অসমীয়া প্ৰাকৃত ভাষা নাছিল বুলি কোৱা সাহসকাৰ্য্য হয়। আজি কেইমাহমান হল ঢাকাৰ এজন মুছলমান অধ্যাপকে কিছুমান অত্যন্ত প্ৰাচীন পুথি পাইছে। সেই পুস্তকৰ ভাষা বঙ্গ ভাষাতকৈ অনেক পুৰাতন, আৰু অসমীয়াৰ লগত মিল আছে দেখি অসমীয়া অত্যন্ত প্ৰাচীন ভাষা বুলি মত প্ৰকাশ কৰিছে। যিহক, সংস্কৃত ভাষাভাষী প্ৰাচীন অসমীয়াৰো যে এটা ক্ৰমপ্ৰাপ্ত প্ৰাকৃত ভাষা আছিল, অনুসন্ধান কৰিলে তাৰ অখণ্ডনীয় প্ৰমাণ ওলাব। এতেকে অসমীয়া ভাষাৰ সূতিকাগাৰৰ আবিষ্কাৰ কৰিবৰ কাৰণে মগধলৈ লৰমাৰিবৰ প্ৰয়োজন নাই। সাদৃশ্য দেখি এটা আনটোৰ মূল, হঠাৎ এনে সিদ্ধান্তকৰাও অনুচিত। একে মাতাপিতাৰ সন্তানবিলাকৰ আকৃতি একেৰকম হোৱাহে স্বাভাৱিক, এই কাৰণে প্ৰাচীন সংস্কৃত ভাষা জাত মাগধী প্ৰভৃতি সকলো প্ৰাকৃত ভাষাৰ কম-বেছি সাদৃশ্য থকা একে আশ্চৰ্য্যৰ বিষয় নহয়। আৰু, প্ৰাকৃতৰ পৰা অসমীয়া ভাষা ওলাইছে বুলি মানি ললেও সেই প্ৰাকৃতই যে আমাৰ আদৰ্শ হব, আৰু প্ৰাকৃতৰ মূলক উপেক্ষা কৰি প্ৰাকৃতক সমাদৰ কৰিব লাগে, তাৰ কোনো সাৰুৱা যুক্তি নাই।

(৪) "আজিকালি ইউৰোপ আৰু আমেৰিকাত উচ্চা-

ৰণ অনুসৰি বৰ্ণবিন্যাসৰ কাৰণে চেষ্টা চলিব ধৰিছে......।" চেষ্টা চলিবলৈ ধৰিছেহে, সকলোৱে জানো সেই চেষ্টাৰ অনুমোদন কৰিছে ? যদি কৰা নাই তেন্তে আমাৰো ব্যগ্ৰ হোৱাৰ কাৰণ নাই, "সহসা বিদধীত ন ক্ৰিয়াম্—" তেওঁলোক কতদূৰ কৃতকাৰ্য্য হয় দেখা যাওক। যদি মানি লোৱা যায় যে সেই দেশীয়সকলে সেই মত গ্ৰহণ কৰিছে, কৃতকাৰ্য্যও হৈছে, তথাচ তেওঁলোক আমাৰ অনুকৰণীয় এনে হেতু দেখা নেযায়; য়ুৰোপীয় ভাষা অসমীয়া নহয়—"সৰিৎ সাগৰ ভূধৰাঃ" অন্তৰ। অধিক সভ্যত্ব পক্ষ স্বীকাৰকৰি তেওঁলোক আমাৰ অনুকৰণীয় হলে আচাৰ-ব্যৱহাৰ প্ৰভৃতি সকলো বিষয়তে অনুকৰণীয় হৈ পৰে, সেইটো জানো উচিত হব ? প্ৰত্যেকৰ উচ্চাৰণ অনুসাৰে বৰ্ণবিন্যাসৰ অৱলম্বন নিৰাপদ নহয়। তেনে কৰাত আমাৰ "Out of the frying pan into the fire"—"কটাহৰ পৰা অগ্নিকুণ্ডত পতন" হব। যিমানেই সাদৃশ্য নাথাকক, প্ৰত্যেকৰ উচ্চাৰণৰ কিয়ৎপৰিমাণে ব্যক্তিগত তাৰতম্য আছে। এতেকে প্ৰত্যেকে নিজৰ উচ্চাৰণমতে লিখিলে একে শব্দই বহুৰূপ ধাৰণ কৰিব। অন্যপক্ষে কাৰো বা কোনো একদলৰ অংশত সাধাৰণ উচ্চাৰণ অনুযায়ী স্বাভাবিক বৰ্ণবিন্যাস থাকিল কত? অৰ্থাৎ, এই পক্ষে পদ্ধতিটো "পুনৰ্মূষিকো ভৱ" নহলনে ? মোটৰ ওপৰত, যি পথে যোৱা যায় সেই পথতে ভাষাৰ বৰ্ণবিন্যাসৰ আভিজাত্য বৰ্জন কৰিব নোৱাৰি। এই কাৰণে স্বাভাৱিকত্ব পৰিত্যাগকৰি কৃত্ৰিমত্ব গ্ৰহণ অনিবাৰ্য্য—অৰ্থাৎ বৰ্ণসমূহৰ বিশুদ্ধ উচ্চাৰণ শিক্ষা নকৰিলে নচলে, এই হেতুকে বৰ্ণউচ্চাৰণ শিক্ষাৰ বিধান আছে। যি য়ুৰোপীয়সকলৰ উচ্চাৰণ দেখোৱা হৈছে, উচ্চাৰণৰ কথাই নাই, তেওঁলোকে হাস্য, ক্ৰন্দন, গমন, জৃম্ভন ইত্যাদি কাৰ্যৰো ৰীতিমতে শিক্ষা কৰে বুলি শুনা যায়; শিক্ষা কৰা উচিতও—সকলো কাৰ্য্যকে বিশুদ্ধৰূপে কৰাৰ অভ্যাস হলে সেয়ে পিছে স্বাভাৱিক হয়গৈ।

( ৫ ) "পূৰণী অসমীয়া ভাষাত বৰ্ণবিন্যাসৰ এই উৎকৃষ্ট নিয়ম থাকাতো তাক আওহেলা কৰি...।" কথাটো অংশতঃ সত্য, গতিকে "But a thing which is in part a truth is a harder matter to fight." অৰ্থাৎ অৰ্দ্ধসত্যৰ প্ৰতিবাদ দুষ্কৰ।

| প্ৰাচীন উৎকৃষ্ট ? | আধুনিক অপকৃষ্ট ? |
| --- | --- |
| দশ | দহ |
| ধৰ্ম্ম | ধৰম |
| শ্ৰাদ্ধ | শৰাধ |
| সুস্বৰে | নোসেঁৰৰে |
| আসিল | আহিল |
| বন্ধ ছিণ্ডি | বাধ ছিণ্ডি |

ইত্যাদি উদাহৰণপৰাই বুজিব পাৰি—প্ৰাচীন উৎকৃষ্ট শব্দ আৰু "বাণান"ৰ স্থান বৰ্ত্তমান অপকৃষ্ট শব্দ আৰু "বাণানে" দখল কৰিছে। এতেকে অপকৃষ্টবিলাকক বিদায় দি বা উচিত ঠাইত প্ৰয়োগৰ নিমিত্তে ৰাখি উৎকৃষ্টৰ সমাদৰ আমাৰ সৰ্ব্বতোভাৱে কৰা উচিত। কিন্তু, everything has two sides—প্ৰাচীনতো অপকৃষ্ট শব্দ আৰু "বাণান" নাই বুলিলে সাহসোক্তি হয়। এতেকে প্ৰাচীনত্ব হেতু নিৰ্ব্বিচাৰে সকলোকে গ্ৰহণকৰিলে—"ভাতৰ লগত তুষ ভক্ষণ" হব—গতিকে হেয়োপাদেয় বিচাৰৰ প্ৰয়োজন। প্ৰাচীন অসমীয়া পুস্তকত বৰ্ণাশুদ্ধি প্ৰভৃতি দোষৰ বহু কাৰণ আছে, তাৰে কিছুমান এই:—

( ক ) হাতেলিখা আমাৰ প্ৰাচীন পুথিৰ বৰ্ণমালা দেৱনাগ্ৰীৰ লগত মিলে। সংস্কৃত আৰু অসমীয়া উভয়বিধ পুস্তকতে কিছুমান অক্ষৰ ইমান তুল্যৰূপ, যে অনেক স্থলত পাৰ্থক্য স্থিৰকৰা দুষ্কৰ, যথা, ড ভ, ম শ স, ষ প য়, ধ ৰ ব্ৰ ব, ত ন, ণ ল; ইত্যাদি। এনে অৱস্থাত প্ৰাচীন সংস্কৃত বা অসমীয়া পুথিৰ প্ৰতিলিপি কৰাত পৰবৰ্ত্তী লিপিকাৰে প্ৰায়েই বৰ্ণবিন্যাসৰ ব্যভিচাৰ ঘটাইছে। এনেকৈ আজিকালি আমি বৰ্ণবিন্যাস সম্বন্ধে "সাত নকলে আছল খাস্তাং" অনেক পুৰাতন পুথি পাওঁ। গতিকে এইৰূপ পুথিৰ বৰ্ণবিন্যাসকে "আমাৰ পিতৃসকলে যি ভাষাক স্বাভাৱিক সৰলভাৱে ব্যৱহাৰ কৰিছিল" তাৰে বিশুদ্ধ বৰ্ণবিন্যাস বুলি ধৰা বা 'সিআল'ৰ ঠাইত 'শিয়াল' দেখিলেই বিদেশী বুলি শঙ্কা কৰাৰ কোনো প্ৰয়োজন দেখা নাযায়।



( খ ) দ্বিতীয়তঃ প্ৰাচীন লেখক আৰু প্ৰতিলিপিকাৰবিলাকৰ অনেকে বৰ্ণবিন্যাসত চকু নিদিছিল। সংস্কৃত কিতাপতো অনেক বৰ্ণাশুদ্ধি দেখি আৰু একেজন লেখক বা প্ৰতিলিপিকাৰে এটা শব্দকে বিভিন্ন স্থানত ভিন্নভিন্নৰূপে লিখা দেখি এই কথাৰ প্ৰতীতি হয়। ষত্ব ণত্ব প্ৰভৃতি সটীক সূত্ৰসমূহৰ অনৰ্গল আবৃত্তি কৰিব পাৰে, সদায় অধ্যাপনা কৰে, এনেকুৱা অনেক ( প্ৰাচীন শ্ৰেণীৰ ) প্ৰসিদ্ধ সংস্কৃত পণ্ডিতে মুখস্থ সংস্কৃত শ্লোক আদি লিখাতো ষত্ব ণত্বৰ ওচৰেদি নাযায় ( নব্যবিলাকৰ এই দোষ নাই )। এই "বিদগ্ধ পণ্ডিত"সকলে লিখাৰ সময়ত "উষ্ট্ৰে লুম্পতি ৰষা ৰষা" কৰি থাকে, আনৰ সেলিকা 'কা কথা।' প্ৰতিলিপিকাৰসকলৰ অনেক যে সুশিক্ষিত নাছিল এই কথা মানি লোৱাত দোষ নহয়, গতিকে যদিও তেওঁলোকে "যথাদৃষ্টং তথা লেখিতং লেখকে নাস্তি দোষনং। ভীমেস্যাপি ৰণে ভঙ্গং মুনিনাঞ্চ মতিভ্ৰমং" ( ১ ) কৰি গৈছে তথাপি তেওঁলোকৰ বৰ্ণবিন্যাস "অন্ধকাৰে লোষ্ট্ৰ নিক্ষেপঃ।" গতিকে তেওঁলোকৰ আখৰ-যোটনিক কেৱল উৎকৃষ্ট বা অপকৃষ্ট ভবা, আৰু সেই পদ্ধতি গৃহীত বা পৰিত্যক্ত হোৱাত দুঃখকৰা নিষ্প্ৰয়োজন।

(৬) "সিবিলাকে ( Book Publishers ) তেতিয়াৰ বঙালী কৰ্ম্মচাৰীবিলাকৰ অনুসৰণকৰি আৰু মূলতৈ আওকাণকৰি বঙালী ভাষাৰ অৰ্থাৎ সংস্কৃত বৰ্ণবিন্যাস শুদ্ধ বুলি ভাবিলে।"

বৰ্ণবিন্যাস সম্বন্ধে লেখক মহাশয়ে য়ুৰোপত আদৰ্শ লগৈ পৰামৰ্শ দিছে, গতিকে সংস্কৃত বৰ্ণবিন্যাস শুদ্ধ বুলি ভবাত আপত্তি অসঙ্গত নহয়। কিন্তু সংস্কৃতৰ লগত মিলিলেই যে বঙলা হয়, এই যুক্তিৰ সাৰৱত্তা হে বুজা নগল। আমাৰ ক্ষুদ্ৰ বুদ্ধিঅনুসাৰে হলে সাত-সমুদ্ৰ-তেৰ-নদীৰ পাৰৰ য়ুৰোপীতকৈ মূল সংস্কৃতৰ আৰু প্ৰয়োজনমতে লগৰীয়া আৰু প্ৰতিবাসীৰ অনুকৰণ হে শ্ৰেয়ঃ—Blood is thicker than water. ৰাইজৰ—অনেকে কৰিছেও তাকেহে, 'ডিম্বধৰ' 'ভেকেন্দ্ৰীৰ' ঠাইত এতিয়া লৰা ছোৱালীবিলাকৰ গিৰীন্দ্ৰচন্দ্ৰ, স্বৰ্ণপ্ৰভা প্ৰভৃতি নাম ইয়াৰ অন্যতম উদাহৰণ। বঙালীৰ অনুকৰণৰ দোষ দৰ্শাই মাননীয় লেখকে পিছমুহূৰ্ত্তে অধ্যাপক শ্ৰীযুত যোগেশচন্দ্ৰ ৰায় বিদ্যানিধি এম্,এ, মহাশয়ৰ অনুকৰণ কৰিবলৈ, অন্ততঃ কিছুদিনৰ পিছত, ইঙ্গিতকৰি গৈছে; অলপ আশ্চৰ্য্য যেন নালাগে জানো ?

(৭) "উচ্চাৰণলৈ চালে তলত দিয়া আখৰ কেইটাৰে আমাৰ সকলো কাম চলে...।" (ক) সকলো অসমীয়াৰে উচ্চাৰণ সমান---কিছুমান নিৰ্দ্দিষ্ট আখৰ উচ্চাৰিত হয়, বাকীবোৰ নহয়; এনে স্বতঃসিদ্ধ মানি লৈ মাননীয় লেখকে ওপৰৰ কথা লিখিছে যেন বোধহয়। বস্তুতঃ ব্যক্তিভেদে উচ্চাৰণ ভেদ সদায় আছে; বিভিন্ন স্থানৰ উচ্চাৰণলৈ লক্ষ্যকৰিলে নিৰপেক্ষ লোকে এই কথাৰ যাথাৰ্থ্য উপলব্ধিকৰিব বুলি আশাকৰিলো। দন্ত্য বৰ্ণতকৈ মূৰ্দ্ধণ্য বৰ্ণৰ স্ফোটন অসমীয়াৰ মুখত সমধিক হয় বুলি মন্তব্য শুনা যায়, অথচ এই মূৰ্দ্ধণ্য বৰ্ণৰে বৰ্জন-ব্যৱস্থা! ইয়াতে পাঠ্যাৱস্থাৰ এটি ঘটনা মনত পৰিল। আমাৰ এজন অসমীয়া 'স্ফূৰ্ত্তিবাজ' সহপাঠীয়ে ছাত্ৰাবাসত এদিন তেওঁৰ সটীকমস্তক উৰ্দ্ধমুখে আন্দোলনকৰি গান ধৰিছিল—"কোঠা মাটা কোঠা পিটা কে কৰে স্নেহ মমটা প্ৰাণ প্ৰিয়া ৰলো কোঠা বণ্ঢু সকলে"......গানটোক এইদৰে হত্যাকৰাত উপস্থিত শ্ৰোতৃবৰ্গৰ মনত কোন ৰসৰ প্ৰবাহ বৈছিল তাক এনেয়ে অনুমান কৰিব পাৰি। এনেকুৱা মূৰ্দ্ধণ্য গায়ক সংখ্যা আমাৰ মাজত বিৰল নহয়। এতেকে এনেকুৱা আপোন আৰু মূৰ্দ্ধণ্য (নমস্য ?) বৰ্ণসমূহৰ নিৰ্ব্বাসন আৰু দন্ত্য (এতেকে চৰ্ব্বনীয়—ভক্ষনীয় ?) বৰ্ণবিলাকৰ সমাদৰকৰিবৰ প্ৰস্তাৱে আমাৰ উদৰিকত্ব সুবুজালেও আপোন-পৰ-নজনা বুলি প্ৰকাশকৰে যেন পাওঁ। এতিয়া আমি অনেকে universal brotherhood---সাম্য-মৈত্ৰী ভাবৰ পক্ষপাতী। এই কাৰণে মূৰ্দ্ধণ্য অভিজাত বৰ্গৰ উপৰি একেবাৰে খড়্গহস্ত! ভাবিছিলো, এই ভাৱ কেৱল মানৱ সমাজতহে আবদ্ধ, কিন্তু এতিয়া

(১) অলপ প্ৰনিধান কৰিলেই এই শ্লোকটোক পূৰ্ব্বোক্ত অশুদ্ধৰূপে বহু পুথিৰ তলত দেখা পাব। লিপিকাৰসকলে বৰ্ণাশুদ্ধিত কিমানদূৰ অৱধান আছিল এয়ে তাৰ অন্য এটা উদাহৰণ।

ক্রমে আমি সৰস্বতীৰ কুণ্ডতো—বৰ্ণমালাৰ ষট্‌চক্ৰতো—নমস্য মূৰ্দ্ধণ্য আৰু দীঘল সমুন্নত বৰ্ণক ঠাই দিবলৈ নাৰাজ! কিন্তু মূৰ্দ্ধণ্য বৰ্ণক খেদিবৰ কৌশল আমাৰ নাই যেন পাওঁ, কাৰণ যেতিয়া আমাৰ "দন্ত বিহীনং জাতং তুণ্ডম" হব তেতিয়া অন্তৰ কথাই নাই, দন্ত্য বৰ্ণবিলাকেও মূৰ্দ্ধা তালু প্ৰভৃতি স্থানত হে আশ্ৰয় লবলৈ বাধ্য হব। তেন্তে "অনুচিত কৰ্ম্মাৰম্ভঃ স্বজন (মূৰ্দ্ধণ্য বৰ্ণৰ স্বজনত্ব ওপৰত দেখোৱা হৈছে) বিৰোধঃ" কৰ্ম্মৰ প্ৰয়োজন দেখা নাযায়।

(খ) চীন পৰিব্ৰাজক হিয়েনচাঙে অসমীয়াক খৰ্ব্ব-হ্ৰস্ব বুলি লিখি গৈছে বোলে। যদি সঁচা হয়, আৰু প্ৰকৃতপক্ষে অসমীয়া মানুহ যদি খৰ্ব্ব—হ্ৰস্ব হয়, তেনে-হলে আমাৰ বাগ্‌যন্ত্ৰও লগে লগে খৰ্ব্ব বা হ্ৰস্ব হোৱাৰ সম্ভাৱনা। পীনোন্নত সুন্দৰ আকৃতিত হে ভাল গুণ থাকিবৰ সম্ভাৱনা অধিক ("যত্ৰা কৃতি স্তত্ৰ গুণা বসন্তি"), গতিকে ব্যতিৰেকৰ নিয়মানুসাৰে আমাৰ যাবতীয় গুণ-গ্ৰাম হ্ৰস্ব নে কি? হ্ৰস্ব হলে লঘু হোৱাৰ ভয় আছে ("হ্ৰস্বোলঘুঃ")। এতেকে মাননীয় লেখকে, জ্ঞাতসাৰে বা অজ্ঞাতসাৰে, অধিকাংশ দীৰ্ঘস্বৰৰ বৰ্জন আৰু লঘুস্বৰৰ সংৰক্ষণ প্ৰস্তাৱ আমাৰ বৰ্ত্তমান জাতীয় প্ৰকৃতি গঠনৰ উপযোগী কৰা যেন পাওঁ। শিশু, ৰুগ্ন, দুৰ্ব্বল মানুহৰ কাৰণে লঘু পথ্য হিতকৰ, কিন্তু চিৰদিন লঘু পথ্য ব্যৱহাৰত বল-শক্তি বাঢ়িবৰ আশা কম। এতেকে ক্ৰমশঃ দীৰ্ঘ—উন্নত—গুৰু ("দীৰ্ঘোগুৰুঃ") হবলৈ চেষ্টা কৰা আমাৰ উচিত নহয় নে? দীৰ্ঘস্বৰ, পীনোন্নতাকৃতি, দীৰ্ঘ (উদাৰ) হৃদয়, দীৰ্ঘবাহু, দীৰ্ঘদৃষ্টি, দীৰ্ঘ অধ্যৱসায় প্ৰভৃতি যাবতীয় কল্যাণ গুণ লভিবলৈ যত্নকৰা আমাৰ উচিত। দীৰ্ঘে দীৰ্ঘে, হ্ৰস্বে হ্ৰস্বে, যি এক অনিৰ্ব্বচনীয় ৰহস্য-সম্পৰ্ক আছে—বুজিব পাৰিলেও তাক বুজাব নোৱাৰি। "স্বৰো হ্ৰস্বো মতিশ্ছন্ন। গাত্ৰকম্পো মহদ্‌ভয়। মৰণে যানি চিহ্নানি……।" *

অৰ্থাৎ স্বৰ হ্ৰস্ব হলেই মতিচ্ছন্ন বা বুদ্ধি লোপ হয়, গাত্ৰকম্প, মহদ্ভয়, অৰ্থাৎ মৰণৰ অৰিষ্টবোৰে দেখা দিয়ে। ইয়াৰ আৰু তাৎপৰ্য্য অৰ্থ এই যে বুদ্ধি লোপ হলে বল হীন হয় (নিৰ্ব্বুদ্ধেস্ত কুতো বলম্), বলহীন হলে আত্মা বা পৰমেশ্বৰক নাপায় (—"নায়মাত্মা বলহীনেন লভ্যঃ") গতিকে দীৰ্ঘস্বৰ বৰ্জন কৰিলে আমাৰ পৰিণাম কি হব সহজে বুজিব পাৰি। ইয়াতে বৰ্ণবৰ্জন প্ৰস্তাৱকসকলক অনুৰোধ—'যাদৃশী ভাবনা যস্য" বুলি যাবতীয় উল্লিখিত দোষ আমাৰ ওপৰতে যেন অৰ্পণ নকৰে - কৰা উচিতো নহয়। যি হওক, প্ৰকৃত কথাৰ অনুসৰণ কৰা। বলবান দীৰ্ঘজীৱী প্ৰাণীসমূহৰ স্বৰ দীৰ্ঘ, গম্ভীৰ, গুৰু। দুৰ্ব্বল ক্ষীণজীৱীৰ স্বৰ হ্ৰস্ব—লঘু। এই সত্যকে অন্যৰূপে প্ৰকাশ কৰিব খুজিলে কব পাৰি যে দীৰ্ঘ গম্ভীৰ স্বৰযুক্ত প্ৰাণী সমূহ দীৰ্ঘজীৱী আৰু বলবান্, হ্ৰস্বস্বৰযুক্ত প্ৰাণী ক্ষীণ-জীৱী হৈ থাকে। সিংহ, ব্যাঘ্ৰ, হস্তি আৰু ইন্দুৰ, নিগনি, জেঠী প্ৰভৃতি উদাহৰণ। অৱশ্যে exception (ব্যভিচাৰ) থাকিলেও, Exception proves the rule কথাষিনিও মনত ৰাখিব লাগে। এতেকে অধিকাংশ দীৰ্ঘস্বৰৰ বৰ্জ্জন প্ৰস্তাৱ প্ৰকাৰান্তৰে জাতীয় দুৰ্ব্বলতাৰ কাৰণে হব পাৰে নে কি? অন্তিম সময়ত সকলোৰে স্বৰ আপোনা-আপুনি হ্ৰস্ব হৈ যায়, তাৰ পূৰ্ব্বতে স্বৰ হ্ৰস্ব কৰিবৰ ব্যৱস্থা সমী-চীন নহয়।

(আগলৈ)

শ্ৰীলক্ষীকান্ত মিশ্ৰ ভাগৱতী

* নিজৰ মত যেনেতেনে প্ৰকাৰে অক্ষুন্ন ৰাখিবৰ কাৰণে আজিকালি অনেকে শাস্ত্ৰাদিৰ বচনৰ ব্যাখ্যা এইৰূপে কৰে। মধ্যে মাজে-সময়ে এনেকুৱা ৰহস্য-ব্যাখ্যাৰ আশ্ৰয় লয়। প্ৰাচীন ব্যাখ্যাৰ পক্ষপাতী. ইকৈ লেখক মহাশয় আৰু সহকাৰীসকলে, যেন ইয়াক ৰহস্যব্যাখ্যাৰূপেই গ্ৰহণকৰে।

বাঁহী-



৺সত্যনাথ বড়া ।